# শীতকালীন অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ২১/১২/২০২১ মঙলবাৰ

আজি ইংৰাজী ২১-১২-২০২১ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত অসম বিধান সভাৰ ২০২১ চনৰ শীতকালীন অধিৱেশন পূৰ্ণ নিৰ্ধাৰিত সময়সূচী মতে পুণৰ অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ২১।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰসমূহ সদনত দিয়া আছে।

**মাননীয় অধ্যক্ষঃ** মাননীয় বিধায়ক।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাজ্যত চলি থকা বা সমগ্ৰ দেশত চলি থকা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ কথা সকলোৱে জানো আৰু এই আৱাস যোজনাত এটা বিশেষ অসুবিধা আমাৰ সন্মুখত পৰিলক্ষিত হৈছে আৰু সেইয়া দেখা গৈছে যে, বহু দৰিদ্ৰ মানুহ যিসকলে আৱাস যোজনাৰ অধীনত এটি পকীঘৰ পাব লাগে, তেওঁলোকে ভিন্ন কাৰণতে এই পকীঘৰ সমূহৰ পৰা বঞ্চিত হৈছে। তাৰে এক উল্লেখযোগ্য কাৰণ চৰকাৰৰ যি পকী ঘৰৰ সংজ্ঞা তাৰ কাৰণে পকী বা কেচাঘৰ আমি সকলোৱে জানো যে, পকীদেৱাল থাকিলে সেইঘৰক পকীঘৰ বুলি কোৱা যায় বা আমি বুজি পাওঁ। কিন্তু চৰকাৰৰ সংজ্ঞা মতে সেইয়া অন্য কিবাহে। গতিকে এই উত্তৰত জনোৱা গৈছে যে, এইয়া কেন্দ্ৰীয় চৰকাৰৰ সংজ্ঞা বা কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰিত কৰিছে। আমি মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে জানিব বিচাৰো যে, কেচাঁঘৰৰ এই সংজ্ঞা সাল-সলনিৰ বাবে বা কেঁচাঘৰৰ যিসমূহ ঘৰত দেৱাল, যি সমূহ ঘৰৰ বেৰা টিনেৰে নিৰ্মিত সেইসমূহ ঘৰকো কেঁচাঘৰ হিচাপে ধৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলচ কৰিব নে নাই এই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী)ঃ** মাননীয় মন্ত্ৰী মহোদয়, আমাৰ সন্মানীয় বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াই যিথিনি কথা কৈছে ঘৰৰ যুক্তিটো আমিও সেই কথা কৰি আহিছো আৰু সেই কাৰণে আগতে অধ্যক্ষ মহেদয়, ২০১১ চনৰ যিটো লোকপিয়ল হৈছিল, লেই লোকপিয়ল অনুসৰি যিবিলাক ঘৰৰ বেৰ ঘাঁহ/খেৰ/ বাঁহ ইত্যাদি, প্লাষ্টিক/ পলিথিন, মাটি/ নুপুৰা ইটা, কাঠ, শিলেৰে নিৰ্মিত কৰা হৈছিল। সেইবোৰ সময়ত ২০১১ চনত কেঁচাঘৰ হিচাপে গণ্য কৰা হোৱা নাছিল। কিন্তু সেই সংজ্ঞা পৰিৱৰ্তন কৰাৰ কাৰণে আমাৰ চৰকাৰে ২০২০ চনত এখন পত্ৰ প্ৰেৰণ ক ৰিছিল আৰু সেই পত্ৰ হৈছে যে, J-15015/01/2019-RH-Part (1) dated 25/09/2020 আৰু ২০২০ চনত যেতিয়া আমি পত্ৰখন আমাৰ চৰকাৰে প্ৰেৰণ কৰিলে আৰু প্ৰেৰণ কৰাৰ পাছত আমাৰ সংজ্ঞা বিশেষকৈ অসমৰ আৰু ত্ৰিপুৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াক সেই সংজ্ঞা সলনি কৰিব দিছিল আৰু যাৰ ফলস্বৰূপে তেওঁ সলনি কৰি তিনিটা চালি থকা ঘৰ আৰু ঘাঁহ, খেৰ বাহ ইত্যাদি নিৰ্মিত বেৰৰ ঘৰ সমূহক কেচা ঘৰ হিচাপে গণ্য কৰিছে আৰু এইটো কৰাৰ ফলস্বৰূপে অধ্যক্ষ মহোদয়, প্ৰায় আমি নতুনকৈ ৮ লাখ ৫৬ হাজাৰ ৬০৪ টা

ঘৰ আমি পাবলৈ সক্ষম হ'ম বা দুখীয়া মানুহে পাবলৈ সক্ষম হ'ল। আমি এইচেগতে মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব। কাৰণ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই he convert a home to house কাৰণ আগতে গৃহ আছিল কিন্তু মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী ডাঙৰীয়াই সেই গৃহটো ঘৰলৈ পৰিৱৰ্তন কৰিলে, সৌভাগ্য আঁচনিৰ যোগেদি Electrification দিলে, উজ্বালাৰ জৰিয়তে গেছৰ connection দিলে আৰু সু-চলা দি এটা বৃহৎ ঘৰলৈ পৰিৱৰ্তন কৰাৰ ফলস্বৰূপে আমি আগন্তুক দিনত নতুনকৈ ৮ লাখ ৫৬ হাজাৰ ঘৰ আমি পাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Next.

**শ্ৰী আশ্ৰাফুল হুছেইন (বিধায়ক, চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়ে যি উত্তৰ দিছে সেই উত্তৰত আমি আমাৰ প্ৰশ্নত বিচাৰিছো যে, কেন্দ্ৰীয় চৰকাৰৰ পৰা আকৌ পুনৰবাৰ আলচ কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেণ্টৰী প্ৰশ্ন কৰক শ্ৰীআশ্ৰাফুল, এতিয়া আমি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, কেচা ঘৰ যি সমূহে GI Sheet ৰ wall আছে। অৰ্থাৎ যিসমূহ তেওঁলোকৰ সংজ্ঞা মতে পাকী বুলি ধৰা হৈছে। এতিয়া দেখা গৈছে যে, কোকৰাঝাৰ, বৰপেটা, বৰপেটাত মাত্ৰ ৬৪ শতাংশ ঘৰ কেচাঘৰ হিচাপে পৰিগণিত হৈছে। সেই একেটা সময়তে যদি আমি মৰিগাওঁ চাও ৮০ শতাংশ, বাক্সা যদি চাও, বাক্সা আৰু বৰপেটা একেই। ৮৫ শতাংশ বেলেগ বেলেগ জিলা বিলাকত প্ৰায় বিলাক জিলাতে প্ৰায় ৮০ শতাংশতকৈ ওপৰত। বৰপেটা কেনেকৈ ৬৫ শতাংশ বা ৬৪ শতাংশ হ'ল। একেদৰে যদি আপুনি চায়, কৰিমগঞ্জত ৬০ শতাংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া চৰকাৰী বিষয়াসকলে যেতিয়া কাম কৰি কোনো যাতে দুখীয়া মানুহ বঞ্চিত নহয়, তাৰ প্ৰতি সততে নজৰ ৰাখে আৰু সেই কাৰণে আমাৰ ইতিমধ্যে ৪ লাখ ৫০ হাজাৰ ৮ শ ২৯ টা ঘৰ।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কৈ আছে। যিবোৰ টিনৰ বেৰা সেইটো পকীঘৰ বুলি ধৰা হয়। তাৰ কাৰণে যি দুখীয়া মানুহৰ টিনৰ বেৰ থাকে তেওঁ প্ৰধান মন্ত্ৰী আৱাস যোজনা পাবলৈ সক্ষম নহয়। গতিকে এইটোৰ ক্ষেত্ৰত চৰকাৰে প্ৰপ'জেল পঠিয়াইছে।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে জিলাৰ পাৰচেণ্টেজৰ কথা কৈছে। কিছুমান জিলাত পাৰচেণ্টেজ বেছি আছে ক'ৰবাত কম আছে বুলি কৈছে। গতিকে আমাৰ বিষয়া কৰ্মচাৰী সকলে এইখিনি যি চাৰ্ভে কৰিছিল। চাৰ্ভে কৰাৰ সময়ত জিঅ' টেগিং কৰিছে আৰু জিঅ' টেগিং কৰাৰ পাছত সৰ্বমুঠ ১১ লাখ ৬০ হাজাৰৰ ভিতৰত ৮ লাখ ৫৬ হাজাৰ ঘৰ যোগ্য বুলি বিবেচিত হৈছে। তাৰ ওপৰত যদি কোনোবা তেনেকুৱা ঘৰ থাকে, নিশ্চিত ৰূপত কোনো মানুহ যাতে গৃহ, বস্ত্ৰৰ বাহিৰত নাথাকে, খাদ্যৰ বাহিৰত নাথাকে। তাৰ কাৰণে আমাৰ চৰকাৰে যিকোনো চৰকাৰে এইটো প্ৰচেষ্টা চলাই আহিছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কিছু জিলাত বিশেষকৈ উজনি অসমৰ বহু প্ৰকৃত হিতাধিকাৰী যিসকলৰ নাম আহিব লাগিছিল, তেওঁলোকৰ অহা নাই। তাৰ ফলত পঞ্চায়তত বহুতে দৰ্খাস্ত দি থাকে। এইক্ষেত্ৰত কেনেকৈ প্ৰকৃত পাব লগা হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰা হ'ব আৰু লগতে কিছুমান জিলাত যিহেতু সঘনাই বানপানী হৈ থাকে, সেই অঞ্চল সমূহত যদিহে কেচা বেৰা দিয়া হয়, তেতিয়াহ'লে বেৰাখিনি প্ৰতিবছৰে বছৰে

মেৰামতি কৰিব লগা হয় সেইকাৰণে বহুতেই টিনৰ বেৰা দিয়ে। কিন্তু তেওঁলোক ধনী নহয়। সেই ঘৰ সমূহক অন্তৰ্ভুক্ত কৰিবলৈ কেনেকুৱা পদক্ষেপ ল'ব। উজনি নামনিৰ দুয়োখিনিৰে মই বিষয়টো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় বিধায়ক শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, সেইটো লৈ ইতিমধ্যে আমি ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি আছো। পুনৰ যদি relex কৰে আমিও সুখী হ'ম। কাৰণ অসমৰ মানুহ সুখী হ'ম। কাৰণ অসমত বহুত তেনেকুৱা ঘৰ আছে, সেইসমূহ relexation কৰা কাৰণে আমি আগন্তুক দিনত পুনৰ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী জাকিৰ হুছেইন লস্কৰ ইছলাম পিছত পৰামৰ্শ। বিৰোধ নহয়। এইটো বিতৰ্ক নহয়। বহক। এইটো প্ৰশ্ন শিতান। সদায় কিয় এনেকুৱা ধৰণৰ কথা কৈ থাকে। আপুনি মন্ত্ৰী চেম্বাৰত গৈ কথা পাতক। বহক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মন্ত্ৰী ডাঙৰীয়াই seriously লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে ইতিমধ্যে ব্যৱস্থা ল'ম বুলি কৈ আছে বহক। সদনখন শান্তিত থাকিব দিয়ক। প্ৰশ্ন শিতানত প্ৰশ্ন কৰিব দিয়ক। ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়া সেই বিষয়ৰ ওপৰত বিবেচনা কৰি ব্যৱস্থা ল'ব বুলি ক'লে কি থাকে?

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** যোৱাবাৰো কৈছিল।

**মাননীয় অধ্যক্ষ ঃ** কোনটো?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** সকলো একেখিনি কথা আগতে কৈছিল।

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষ ঃ** বহকচোন। আপোনালোকে। মই স্পীকাৰ হিচাপে ক'ব খুজিছো। এই প্ৰশ্ন শিতানত Question Hour ৰ ক্ষেত্ৰত ৰুল টো চাই ল'ব লাগে। প্ৰশ্নকৰ্তাই ৰিলেটেড যিকোনো প্ৰশ্ন তেওঁ কৰিব পাৰিব আৰু উত্তৰ দিওতাজনে উত্তৰ দিব। কাজিয়া কৰিব নালাগে সদনত।

**জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মন্ত্ৰী ডাঙৰীয়া বৰপেটাৰ গাৰ্জেন মিনিষ্টাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি হাউচত এনেকুৱা behave নকৰিব। এইখন সদন হয়।

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো। এইখন সদন। মই কিন্তু এনেকুৱা ধৰণৰ সুৰটো আক্ৰমণমূলক বুলি মোৰ ভাৱ হৈছে। এইটো আক্ৰমণমূলক ভাষা ইয়াত ক'ব নালাগে।

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতসকলে কথাখিনি ভালকৈ ক'ব পাৰে। অকনমান সন্মানপূৰ্বকভাৱে কথাখিনি কোৱাতো বিচাৰিছো। সন্মানপূৰ্বকমূলকভাৱে। কাজিয়া কিয় কৰি আছে। খং কিয় কৰিব লাগে? ৰাইজে চাই আছে, নাপায়।

(সদনত হুলস্থূলীয়া পৰিৱেশ)

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে এটা আলোচনা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অনুৰোধ জনালোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই দহ মিনিট সময় দিছো, যাৰ যি ইচ্ছা ক'ব পাৰে। কাজিয়া কৰিলেও কৰিব পাৰে।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, অসামৰিক যোগান বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি স্পষ্ট আৰু সত্য কথাৰ সদায় বিচাৰ কৰিব লাগিব। ২০১১ চনত যেতিয়া আমাৰ লোকপিয়ল হৈছিল, Socio-Economic Survey হৈছিল, তেতিয়া মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই......

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া এইটো ডিবেট নানিব। এইটো ডিবেট নহয়। যদি ডিবেট কৰি যায়, তেতিয়া এটা প্ৰশ্নতে গোটেই দিনটো যাব। আপুনি ইতিমধ্যে উত্তৰ দিলেই।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, অসামৰিক যোগান বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এইখন মিত্ৰজোঁট চৰকাৰে ৮ লাখ মানুহক নতুনকৈ ঘৰ দিয়াৰ সিদ্ধান্ত লৈছে। তাৰ বাবে আপোনালোকে আমাক ধন্যবাদ দিব লাগে। আপোনালোকেতো ইমান দিনে একো কৰা নাছিল। মই সকলোকে ধন্যবাদ দিছো যে আজি এওঁলোকৰ বাবে আৰু মিত্ৰজোঁট চৰকাৰৰ বাবে ৮ লাখ মানুহে ঘৰ পাইছে।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰৰ পদক্ষেপক ধন্যবাদ জনাইছো যে তেওঁলোকে ৮ লাখ মানুহক ঘৰ দিয়াৰ সিদ্ধান্ত লৈছে। এইটো এটা আদৰণীয় পদক্ষেপ আৰু যোগ্য হিতাধিকাৰীসকলে পাব লাগে তাৰ বাবে অনুৰোধ থাকিল। সেই বাবে Rule-49 মতে এটা আবেদন জনাম। তাৰ বাবে অনুমতি দিলে ভাল পাম। আমি যিখিনি বিসংগতি বুলি কৈছো তাৰ ওপৰত এটা আলোচনা হ'ব পাৰে আৰু এইখিনিতে বিষয়খিনি সামৰিবলৈ অনুৰোধ জনাইছোঁ।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কাজিয়া কৰিব বিচৰা নাই, এটা অনুৰোধ কৰিব বিচাৰিছো। আপুনি এৰি দিছে বুলি কৈছে বেয়া লাগিছে, তথাপিও এটা কথা ক'বলৈ বিচাৰিছো। টিনৰ বেৰটো যদি কন্‌চিডাৰ কৰে, ভিক্ষাৰী মানুহে তিনি হাজাৰ টকাৰ ঘৰৰ বেৰ কৰিব পাৰে, ১৫০০ টকাত বাগুলত টিন পায়। এই 10 X10 ঘৰটোত ভিক্ষাৰীয়ে তিনি হাজাৰ টকাৰে টিনৰ বেৰ দিছে। কিন্তু এইটো কন্‌চিডাৰ কৰা নাই, কেনচেল কৰিছে। কেৱল বৰপেটাতে নহয়, গোটেই অসমত এইসকল মানুহ বঞ্চিত হৈ আছে। মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি দিল্লীৰ লগত যোগাযোগ কৰি টিনৰ বেৰ থকা ঘৰসমূহ যদি চেংচন কৰিব পাৰে বহু লাভ হ'ব। যিসকল দুখীয়া-নিচলা, মগনীয়া, দৰিদ্ৰ বুলি কওঁ, তেওঁলোকে ঘৰ পালেহে সন্তুষ্ট হ'ব। শব্দ লৈ খেলিলে সন্তুষ্ট নহয়। আমাৰ দৰিদ্ৰ সকলৰ বাবে বেদনা আছে। যাৰ কাৰণে কথাবিলাক উত্থাপন কৰিছো। শব্দলৈ খেলিলে পেট নভৰে। ঘৰ নাপায়। গতিকে এই দৰিদ্ৰ, দুখীয়া-নিচলা সকলৰ ঘৰ কন্‌চিডাৰ কৰাৰ বাবে দিল্লীৰ লগত যোগাযোগ কৰাৰ বাবে অনুৰোধ জনালোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ কথা কোৱা হ'ল, নে আৰু সময় লাগে। যদি হোৱা নাই মই এতিয়া ৰেকৰ্ডত যোৱাটো বন্ধ কৰিম আৰু আপোনালোকে মনৰ ইচ্ছা মতে সদনত কথা পাতিব পাৰে।

**শ্ৰী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত এটা অনুৰোধ কৰিব বিচাৰিছো যে, আমাৰ MGNREGA ৰ অধীনত আমি অংগনবাড়ী কেন্দ্ৰবোৰ বনাই আছো আৰু তাৰ বাবে ইতিমধ্যে নিৰ্দ্দেশনা গৈছে। ঠিক তেনেদৰে আমি PMAY ৰ ঘৰসমূহ সেই

আঁচনিৰ দ্বাৰা বনাব পাৰো নেকি ? তেতিয়া কিছু ক্ষেত্ৰত আমাৰ সমস্যাসমূহৰ সমাধান হয়। যিসসকল মানুহে এতিয়ালৈকে ঘৰ পোৱা নাই কিন্তু চেনচাচত হৈ গৈছে আৰু বহু পাবলগীয়া মানুহৰ নাম অন্তৰ্ভুক্ত হোৱা নাই, তাৰ বাবে মন্ত্ৰী মহোদয়ৰ ওচৰত এটা অনুৰোধ আৰু পৰামৰ্শ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়াও দহ মিনিট সময় হ'বলৈ আৰু অলপ বাকী আছে। যিহেতু সদনে নিবিচাৰে, সেয়েহে মই দহ মিনিট সময় এৰি দিছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলপতি ডাঙৰীয়াই এটা অনুৰোধ কৰিছে যে এই যিটো প্ৰশ্ন, এই প্ৰশ্নটো প্ৰশ্নকালীন ঘণ্টাত আলোচনা কৰি শেষ কৰিব নোৱাৰো। ইয়াক বহলাই আলোচনা কৰিবলগীয়া বিষয় আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে কাট মোশ্যনত দিব লাগিছিল।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule-49 ত আমাৰ মাননীয় বিৰোধী দলপতি ডাঙৰীয়াই ইতিমধ্যে কৈছে যে এটা তৰা চিহ্নিত বা তৰা বিহীন প্ৰশ্ন যদি বহলাই আলোচনা কৰিবলগীয়া হয়, তেতিয়া Rule-49 ত আলোচনা কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** মই নোটিচত ৫০ ৰ পৰা দি আছো। আপোনালোকে নোটিচিত দিয়া নাই। সেয়েহে মই কেনেকৈ দিম। ইয়াৰ কাৰণে আশ্বাস নালাগে। ইতিমধ্যে Rule ত আছে, আপোনালোকে দিব পাৰে। এতিয়া আপোনালোকৰ কাট মোশ্যন আছে। সকলো বাদ দি, যদি পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ওপৰতেই দিনটো আলোচনা কৰে, যেতিয়াই আপোনালোকে আলোচনা কৰিব বিচাৰে, তেতিয়া দৰকাৰী নহয় বুলি বেলেগ বিষয় চিলেক্ট কৰে। সদনত প্ৰশ্ন আহিলে আকৌ আপোনালোকে এইটো বিচাৰে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি Rule-49 ত দিয়ক আৰু এই বিষয়টোৰ ওপৰত বহলভাৱে আলোচনা কৰিবৰ বাবে এটা তাৰিখ নিৰ্ধাৰণ কৰি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** অহা কালি কাট মোশ্যন হ'ব। ইচ্ছা কৰিলে এতিয়াও সলনি কৰিব পাৰে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আপুনি Rule-49 ত, নহ'লে কাট মোশ্যনত এই বিষয়টো আলোচনা কৰিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৮ লাখ ঘৰ দিয়াৰ বাবে চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু কথাটো হ'ল যে যোৱা এক বছৰ ধৰি ঘৰ দি আছে আৰু মানুহে এটা কিস্তি পাইছে। দুখীয়া মানুহবিলাকে এটা কিস্তি পাই ঘৰৰ কাম আৰম্ভ কৰিছে আৰু বেলেগ কাম কৰিব পৰা নাই। মোৰ কথাটো হ'ল ৮ লাখৰ ভিতৰত তিনি লাখকৈ টকা তিনি মাহৰ ভিতৰত দিয়া, মন্ত্ৰী মহোদয়ে সম্পূৰ্ণ কৰিব পাৰিব নেকি ? বা এই বিষেয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব নেকি? আপোনালোকে ৮ লাখৰ সংখ্যাটো দিলে, কিন্তু তাৰ ভিতৰত কিমান ঘৰ সম্পূৰ্ণ হৈছে? যোৱাবাৰ এটা কিস্তি দিয়া হ'ল, কিন্তু বাকীখিনিৰ কাৰণে এক বছৰ ঘূৰি থাকিবলগীয়া হৈছে।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, অসামৰিক যোগান বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ MGNREGA ৰ অধীনত যিসমূহ পেমেণ্ট দিয়া হয়, সেইসমূহ ডাইৰেক্ট বেনিফিচিয়াৰীক দিয়া হয়। মই জনাবলৈ পাই সুখী হৈছো, আমি যোৱা ২০১৮-১৯,

২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত প্ৰায় ৪,৩৬২ কোটি টকা আৰু নতুন চৰকাৰে ৩০৭ কোটি টকা দিছে। মই ইতিমধ্যে জিলাসমূহ পৰিভ্ৰমণ কৰি আছো আৰু ৰিভিউ লৈ আছো আৰু তাত দেখিছো যে তেওঁলোকে নিয়ম মতে যেতিয়া কিস্তিসমূহ পাব লাগে, পাই আছে। কিন্তু কিছুমানক এইকাৰণে দিয়া বন্ধ কৰিছো, তেওঁলোকক প্ৰথম আৰু দ্বিতীয় কিস্তি দিয়াৰ পিছতো ঘৰ বনোৱা নাই আৰু যাৰ কাৰণে আমি এফ আই আৰ পৰ্য্যন্ত দিবলগীয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ২২- মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, সৰভোগ মহকুমাৰ কাৰণে সৰভোগৰ মানুহে প্ৰায় তিনিটা দশক ধৰি আন্দোলন কৰাৰ পিছত ২০১৬ চনত মহকুমাটো ঘোষিত হ'ল আৰু উদ্বোধনো হ'ল। আজিৰ মাননীয় মন্ত্ৰী গৰাকী সেই সময়ত সৰভোগ সমষ্টিৰ বিধায়ক আছিল। উদ্বোধনী অনুষ্ঠানত তেখেতে দীঘলীয়া বক্তৃতাও দিলে। তাৰ পিছত তেওঁলোকে চৰকাৰো গঠন কৰিলে। কিন্তু, আজিৰ উত্তৰত চৰকাৰে ২০১৬ চনৰ পৰা এতিয়ালৈকে এই মহকুমাটো স্থাপন হোৱা নাই আৰু কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই বুলি কৈছে। গতিকে, এই সিদ্ধান্ত নোলোৱাৰ কাৰণটো কি আৰু মহকুমাটো কিয় কাৰ্য্যকৰী হোৱা নাই তাৰ কাৰণটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সৰভোগকে আদি কৰি যি ২৪ টা মহকুমা ইতিমধ্যে ঘোষণা কৰা হৈছিল, সেই বিষয়টোক লৈ এতিয়া আমাৰ নতুন চৰকাৰে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, মই বিচৰা উত্তৰটো মন্ত্ৰী মহোদয়ৰ পৰা নাপালো। তেওঁৰ চৰকাৰে ইতিমধ্যে কেইবাখনো জিলা ঘোষণা কৰিলে, উদ্বোধন কৰিলে, কাৰ্য্যকৰীও হ'ল। মই particularly সৰভোগ মহকুমাটোৰ কথা কৈছো। স্বাধীনতা আন্দোলনৰ প্ৰেক্ষাপটত সৰভোগৰ মানুহে এটা আন্দোলনৰ ধাৰা হিচাপে মহকুমাটো দাবী কৰি আহিছিল। মাননীয় মন্ত্ৰী গৰাকীয়ে সেইদিনা বিধায়ক হিচাপে কৃতিত্ব দাবী কৰি এই মহকুমাটো উদ্বোধন কৰিছিল। কিন্তু, এতিয়া চৰকাৰখনত তেওঁ মন্ত্ৰী হৈ মহকুমাটো কাৰ্য্যকৰী কৰিব পৰা নাই। গতিকে, মই স্পষ্টভাৱে জানিব বিচাৰিছো যে তেওঁৰ চৰকাৰে এই মহকুমাটো কেতিয়া স্থাপন কৰিব ?

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, ২০১৬ চনত নিৰ্বাচনৰ প্ৰাক্-মূহুৰ্তত ঘোষণা কৰা ২৪ টা মহকুমা গঠনৰ ক্ষেত্ৰত আলোচনা কৰা হ'ল। মহকুমা এটাৰ বাবে criteria সমূহ যেনে- দুটা চক্ৰ, চাৰি লাখতকৈ অধিক জনসংখ্যা, দুখনকৈ থানা, দুটা খণ্ড ইত্যাদি মহকুমাটোৰ অন্তৰ্গত হ'ব লাগে। কিন্তু, মোৰ হাতত থকা উক্ত ২৪ টা মহকুমাৰ তালিকা বিশ্লেষণ কৰি দেখিলো যে বহু criteria অন্তৰ্ভুক্ত নকৰাকৈ কিছুমান মহকুমা ঘোষণা কৰা হৈছিল। গতিকে, এই ক্ষেত্ৰত এতিয়া আমাৰ চৰকাৰখনে বিতংকৈ আলোচনা কৰাৰ বাবে সিদ্ধান্ত লৈছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো কথা পাতিছো। আগন্তুক দিনত এই criteria সমূহ চোৱা-চিতা কৰাৰ বাবে আমাৰ চৰকাৰখনে সিদ্ধান্ত গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষঃ** শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদাৰ (কাটিগড়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ সনে কাটিগড়া সমষ্টিকে মহকুমা ঘোষণা করা হয়েছিল। আজ ৬ বছর হয়ে গেল কিন্তু কি পজিশনে আছে এখন

পৰ্যন্ত জানা যায়নি। মন্ত্ৰী মহোদয় যে ক্ৰাইটেরিয়ার কথা বলেছেন, সেই ক্ৰাইটেরিয়ায় আমার কাটিগড়া সমষ্টিতে দুটি থানাও আছে, দুটি ব্লকও আছে। তাই কাটিগড়া সমষ্টিকে মহকুমা করার জন্য যে কাজগুলো করার দরকার আছে সেই কাজগুলো করার জন্য মন্ত্ৰী মহোদয়কে অনুরোধ করছি।

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস (মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদি)ঃ** আগন্তুক দিনত এই বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সৰভোগ আৰু কলগাছিয়া মহকুমা ঘোষণাৰ সময়ত মাননীয় মন্ত্ৰী ডাঙৰীয়া আৰু মই দুইও বিধায়ক হৈ আছিলো। অসমৰ একমাত্ৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদ চাহাবো জনিয়া সমষ্টিৰ। কলগাছিয়াৰ ই দীৰ্ঘদিনীয়া দাবী। একফালে আমাৰ বাঘবৰ থানা, মাজত কলগাছিয়া থানা আৰু আনফালে সৰভোগ থানা আছে। Block ও তিনিটা হ'ব। জনসংখ্যাও ঠিকে আছে। গতিকে, কলগাছিয়া মহকুমাৰ বাবে যিখিনি criteria লাগে, সেইখিনি fulfill হ'ব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে যেতিয়া মহকুমাৰ কাৰণে notify কৰিব, অতি সোনকালে সুবিধাখিনিও কৰি দিব। বৰপেটা আপোনাৰো জিলা। মানুহে বহুত আশীৰ্বাদ দিব। গতিকে, এই সম্পৰ্কত আপোনাৰ পৰা positive reply বিচাৰিছোঁ।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, মহকুমা ঘোষণা কৰাৰ সময়ত সৰভোগৰ লগতে কলগাছিয়াকো কৰা হৈছিল। যেতিয়া district Head-Quarter ৰ পৰা বহুত দূৰত্ব হয়, তেতিয়া যোগাযোগৰ বাবে মহকুমাৰ প্ৰয়োজন হয়। কাষতে সৰভোগ আছে আৰু কলগাছিয়াৰ পৰা ১২ কিঃমিঃ দূৰত্বত Barpeta district Head-Quarter আছে। গতিকে, এই বিষয়-বস্তুবোৰ পৰ্য্যালোচনা কৰাৰ প্ৰয়োজন আছে যিহেতু আমি ৰাইজক সকাহ দিয়াৰ বাবে প্ৰচেষ্টা কৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিছুদিন আগত লখিমপুৰ আৰু মাজুলীৰ কেইখনমান পঞ্চায়ত re-organize কৰি দিছিল যাতে ৰাইজে সততে প্ৰশাসনৰ পৰা সহায় পায় আৰু এই মানসিকতা আমাৰ চৰকাৰখনৰ আছে। আগন্তুক দিনত এই বিষয় লৈ আমি পৰ্য্যালোচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ২৩- তেৰছ গোৱালা।

**শ্ৰীমতী অজন্তা নেওগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান)ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মই পাইছো। উত্তৰত মই যথেষ্ট সন্তুষ্ট আৰু তাৰ বাবে মই ধন্যবাদ জনাইছোঁ। মই কেৱল দুটা কথা জানিব বিচাৰিছো যে দিব্যাংগ ব্যক্তি সকলৰ শাৰীৰিক পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজৰ পৰা যি কেম্প পতা হয়, সেই কেম্পলৈ মোৰ সমষ্টিৰ পৰা প্ৰায় ৫০-৫৫ কিঃমিঃ বাট যাবলগীয়া হয়। যাৰ বাবে দুখীয়া পৰিয়ালৰ দিব্যাংগ লোকসকলে যাব নোৱাৰে। গতিকে, মই মাননীয় মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিছো যে- মোৰ সমষ্টিত যাতে কেম্প পতাৰ ব্যৱস্থা কৰি দিয়ে। এই সম্পৰ্কত মই বিভাগৰ লগত কথা পাতোতে তেওঁলোকে কেম্প পতাৰ খৰচ বহন কৰিব নোৱাৰে বাবে কেম্প পাতিব নোৱাৰিব বুলি কৈছিল। লগতে, দিব্যাংগ সকলৰ বাবে যাতায়াতৰ ব্যৱস্থা কৰিব নেকি, এই বিষয়ে মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আচলতে ALIMCO ই যেতিয়া আমাৰ কেম্পবোৰ কৰে তেতিয়া এনেধৰণৰ অসুবিধাজনক পৰিস্থিতিৰ সৃষ্টি হয়। গতিকে, মই তেওঁলোকৰ লগত কথা পাতিম আৰু তেওঁলোকে বিধায়ক ডাঙৰীয়াৰ সুবিধা অনুসৰি যাতে কেম্প কৰিব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান)ঃ** অধ্যক্ষ মহোদয়, মোৰ second supplementary হ'ল- যোৱা ডেৰ বছৰ ধৰি মই যি সকল দিব্যাংগৰ আবেদন recommend কৰি পঠিয়াইছো, অভিযোগ মতে তেওঁলোকৰ আবেদনসমূহ গ্ৰহণ হোৱা নাই। গতিকে, তেওঁলোকৰ আবেদনসমূহ বিবেচনা কৰি তেওঁলোকক যাতে পেঞ্চন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰীমতী অজন্তা নেওগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ বিভাগে যোৱা সময়ছোৱাত প্ৰায় ৯৯, ৪৮৪ গৰাকী হিতাধিকাৰীক দিব্যাংগ পেঞ্চন দিছে। আমাৰ বিভাগত পেঞ্চন বিচাৰি বহুতো আবেদন আহিছে। বৰ্তমান আমি সেইখিনি পৰীক্ষা কৰি আছো। ভৱিষ্যতে এই ক্ষেত্ৰত policy decision ৰ প্ৰয়োজন হ'ব।

**মাননীয় অধ্যক্ষঃ** শ্ৰী বিশ্বজিত ফুকন।

**শ্ৰী বিশ্বজিত ফুকন (সৰুপথাৰ)ঃ** অধ্যক্ষ মহোদয়, শাৰীৰিকভাৱে অক্ষম ব্যক্তি সকলক চৰকাৰে বিভিন্ন ধৰণে সহায় কৰি আহিছে। কিন্তু এটা সমস্যা হৈছে যে ইমান বৃহৎ সংখ্যক শাৰীৰিক ভাৱে অক্ষম বা দুৰ্বল ব্যক্তি আছে যে তেওঁলোকৰ শাৰীৰিকভাৱে অক্ষমৰ প্ৰমাণ-পত্ৰৰ অভাৱ হৈছে। বৰ্তমান সময়ত সমাজ কল্যাণ বিভাগে যি দিব্যাংগ পেঞ্চন দি আছে, সেই ক্ষেত্ৰত মোৰ জিলা গোলাঘাটৰ সমষ্টি সৰুপথাৰত মই দেখিছো যে যি সকল লোকে আবেদন কৰিছে, তাৰ অধিকাংশ লোকৰে প্ৰমাণ পত্ৰৰ অভাৱ আছে। মোৰ সমষ্টিত orthopaedic বা চকুৰ ডাক্তৰ নথকাৰ বাবে যিসকল ব্যক্তি শাৰীৰিকভাৱে অক্ষম হয়, তেওঁলোকক প্ৰমাণ-পত্ৰ দিব পৰা নাই। সেয়েহে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে সৰুপথাৰ সমষ্টিত প্ৰত্যেক বছৰে অন্ততঃ চাৰিটাকৈ কেম্প পাতি তাত ডাক্তৰ গৈ শাৰীৰিকভাৱে অক্ষম লোকক প্ৰমাণ-পত্ৰ দিয়াৰ ব্যৱস্থা যাতে কৰে।

**শ্ৰীমতী অজন্তা নেওগ (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, বিধান সভাৰ যোৱা অধিবেশনতো এনে এটা প্ৰশ্ন উত্থাপন হৈছিল আৰু তাৰ উত্তৰত মই UDID card ৰ ক্ষেত্ৰত সকলো বিধায়কৰে যে সহযোগিতাৰ প্ৰয়োজন আছে সেই বিষয়ে কৈছিলো। যোৱা সময়ছোৱাত এই আঁচনিখন আমি নিৰীক্ষণ কৰি আহিছো। এই আঁচনিখনৰ অধীনত জিলা ভিত্তিক যিখিনি কাম হ'ব লাগে সেইখিনি সন্তোষজনক নহয়। মই নিজেও নিৰীক্ষণ কৰি আছো। মই বিধায়ক ডাঙৰীয়াক ধন্যবাদ দিছো আৰু আহিবলগীয়া সময়ছোৱাত তেওঁৰ লগত আলোচনা কৰি তেওঁৰ সমষ্টিত যিখিনি কেম্পৰ কথা কৈছে সেইখিনি হৈ উঠাৰ বাবে মই ব্যক্তিগতভাৱে প্ৰচেষ্টা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অৰুণোদয় আঁচনিৰ কথা কোৱা হৈছে। নিৰ্বাচনৰ আগত অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত যি নিয়ম কৰা হৈছিল, তেতিয়া বহুখিনি genuine মানুহ বাদ পৰি, illegal মানুহক অন্তৰ্ভুক্ত কৰা হৈছিল। গতিকে, এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়াই কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি মই জানিব বিচাৰিছো। দ্বিতীয়তে, আজিকালি ৰন্ধন গেছৰ দাম হাজাৰ-এঘাৰশ টকা হৈছে। নিৰ্বাচনৰ আগত আমি শুনিবলৈ পাইছিলো যে মাহিলী ৩ হাজাৰকৈ টকা দিয়া হ'ব, এই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Question টো আচলতে সমাজ কল্যাণ বিভাগক শোধা হৈছিল। সেইকাৰণে উত্তৰটো দিয়া নাই। অৰুণোদয় আঁচনিৰ guideline মতে তেওঁলোকে সেই সময়ত benificiary সমূহ লৈছিলে আৰু ইতিমধ্যে অৰুণোদয় আঁচনিৰ গোটেই কথাবিলাক monitor কৰিবৰ কাৰণে এখন সমিতি গঠন কৰি দিছে অসম চৰকাৰে। তাত মই আছো, পীযুষ হাজৰিকা ডাঙৰীয়া আছে আৰু আমি গোটেই কথাবিলাক ভালদৰে চাই আছো। কিছু ক্ষেত্ৰত বহুতো অভিযোগ আহিছিলে। বিশেষকৈ যেতিয়া bank বিলাক merge হৈছিলে IFSC code বিলাক সলনি হৈছিলে, তেতিয়া তেওঁলোকে টকাবিলাক bank ত সোমোৱা নাই বুলি কৈছিলে। সেইবিলাক আমি পৰ্য্যালোচনা কৰি আছো যাতে zero balance হয়। প্ৰতিখন জিলালৈ আমি গৈছিলো। আমাৰ guardian minister সকলো গৈছিলে। প্ৰতিজন হিতাধিকাৰীৰ বেঙ্কত যাতে টকাটো সোমায় সেইবিলাক আমি পৰ্য্যালোচনা কৰি আছো। আপোনালোকে জানি ভাল পাব যে আমি এটা মাহ অৰুণোদয় মাহ হিচাপে ধাৰ্য্য কৰিলো। সেইটো মাহত আমি সকলো অৰুণোদয় আঁচনিৰ হিতাধিকাৰী সকলৰ ঘৰলৈ যাম আৰু তেওঁলোকৰ সুবিধা অসুবিধা সমূহৰ বুজ লম। লগতে ভৱিষ্যতে নতুনকৈ অন্তৰ্ভুক্ত কৰিবলগা হিতাধিকাৰীসকলৰ ক্ষেত্ৰতো গোটেইখিনি কথা আমি এই মাহটোত আলোচনা কৰিম আৰু কোনোবা নাপাবলগীয়া হিতাধিকাৰীৰ নামো যদি তাত অন্তৰ্ভুক্ত হৈছিল এই সকলোবোৰ বিষয় সামৰি এই আঁচনিখন পৰ্য্যালোচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Question no-24, Shri Misbahul Islam Laskar.

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিছে আমি সন্তুষ্ট নহয়। আচলতে আমাৰ ইয়াত কাম বন্ধ হৈ আছে, enquiry চলি আছে। কিবা এটা হলেই enquiry লাগি যায়। এনেকৈয়ে গোটেই বস্তুটো slow হৈ গৈছে। আপুনি যিটো দেখুৱাইছে সেইটো পুৰণা বিল হ'ব পাৰে, তেওঁলোকে payment পাইছে। কিন্তু আমাৰ ইয়াত মানুহে কাম কৰি দুই তিনি মাহ wait কৰিব লাগে, payment নহয়। তাৰ মাজতে কিছুমান employee আছে বিভাগৰ যেনে- আমাৰ বৰখলাৰ block ৰ এজন accountant আছে। তেওঁৱেই block ৰো accountant, জিলা পৰিষদৰো accountant আৰু এঠাইত GP ৰো secretary. মই এটা transfer কৰাৰ কাৰণে আগৰ commissioner লৈকো লিখিছিলো। কিন্তু তেওঁক transfer নকৰিলে। আপুনি মোৰ এই মানুহজনক transfer কৰাই দিয়ক তেতিয়া বহুত বস্তু ঠিক হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** এখেতে উত্তৰটো হ'ব বুলি ক'লে যিহেতু হ'ব আৰু।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে ২০২০-২১ চনত বৰখলা ব্লকৰ কাৰণে ৩০ টা MGNREGA ৰ কাম লোৱা হৈছে। অনুৰূপভাৱে চালচাপৰা ব্লকৰ কাৰণে ১২ টা কাম ইতিমধ্যে চলি আছে আৰু আপুনি জানি সুখী হ'ব খুৱ সোনকালে আনকি কিছুদিন আগতে আমি materials ৰ কাৰণে ৯৪ লাখ payment কৰিছো আৰু wage ৰ কাৰণেও payment কৰিছো যোৱা জুন মাহৰ পৰা নৱেম্বৰ মাহৰ ভিতৰত। ইয়াত কাম নোহোৱাৰ কথাই নাই। অনুগ্ৰহ কৰি আপুনি নিজেও যদি এবাৰ তদাৰক কৰে মই ভাল পাম। প্ৰয়োজন হ'লে মইও আপোনাৰ লগত এবাৰ যাম।

লগতে আপুনি যিজন accountant ৰ কথা কৈছে সেই বিষয়টো মই আগন্তুক

দিনত তদাৰক কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Next Supplementary, Smti. Sibamoni Bora.

**শ্ৰীমতী শিৱামণি বৰা (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো MGNREGA ৰ কথা ওলাইছে, MGNREGA ৰ গোটেই কামবিলাক Job Card ৰ জৰিয়তে হয়। MGNREGA ৰ মূল মন্ত্ৰটো হৈছে যে BPL ৰ তলত থকা দৰিদ্ৰ লোকসকলক ১০০ দিনৰ Job guarantee দিব লাগে। কিন্তু দেখিবলৈ পোৱা গৈছে যে সমগ্ৰ অসমতে Job Card ৰ কামখিনি ভালদৰে হোৱা নাই। বহু লোক মৰি গল, বহু নাপাবলগীয়া মানুহেও Job Card পাইছে। লিডাৰসকলে পকেটে পকেটে Job Card লৈ আছে আৰু যাৰ হাতত Job Card আছে তেওঁলোকে কামটো কৰাৰ সুবিধা পায়। মোৰ কথাটো হ'ল কেন্দ্ৰীয় চৰকাৰেও এটা নিৰ্দেশনা দিছিলে অতি সোনকালে Job Card সমূহ যদি verification নকৰো তেতিয়াহলে MGNREGA ৰ দুৰ্নীতি সমূহ হৈয়ে থাকিব। গতিকে Job Card সমূহ যদি Adhar Card ৰ লগত link কৰি দিয়া হয়,তেতিয়া গোটেই কামখিনি ভালদৰে হ'ব। গতিকে অতি সোনকালে Job Card সমূহ Adhar Card ৰ লগত link কৰিব লাগে।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে আমাৰ কেইবালাখো Job Card আছিল যদিও আমি সেইবিলাক পুণৰীক্ষণ কৰিছো আৰু ইতিমধ্যে অসমত ৩৭ লাখ active Job Card আছে। তেখেতে নিজেও আগতে block তে চাকৰি কৰিছিল। আপোনাৰ block তো যদি তেনেকুৱা আছে, নামসমূহ আমাক দিলে আমি নিশ্চয় সেই সমূহ লোকৰ নাম Job Card ৰ পৰা কৰ্তন কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ২৮ টা VCDC আৰু ১২ টা পঞ্চায়ত আছে। সেই ১২ টা পঞ্চায়তৰ ৮ টা পঞ্চায়তৰে secretary নাই। তেনেকুৱা হ'লে কাম কোনে কৰিব? যেতিয়া আপোনালোকে সালসলনি কৰিছিলে সেই সময়ত বেলেগক দিছিলে কিন্তু withdraw কৰিলে। এতিয়া এই ৮ টা পঞ্চায়তৰ মই পৰামৰ্শ দিলে আপুনি secretary দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, তেখেতৰ কথাটো সত্য। আমাৰ অসমত প্ৰায় ৫০০ ত কৈয়ো অধিক পঞ্চায়তত secretary নাই। যাৰকাৰণে আমি যোৱা কেবিনেটত প্ৰস্তাৱ আনিছিলো সচিবসমূহক নিযুক্তি দিয়াৰ ক্ষেত্ৰত আৰু আমাৰ কেবিনেটে সিদ্ধান্ত লৈছে যে আমাৰ State Recruitment Board যিখন ইতিমধ্যে গঠন কৰাৰ প্ৰক্ৰিয়া চলি আছে। এই বোৰ্ডখন গঠন হোৱাৰ লগে-লগে আমাৰ পঞ্চায়তৰ প্ৰায় ৫০০ ত কৈয়ো অধিক লোকক সচিব পদত নিযুক্তি দিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং ২৫, মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী মতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪ মাৰ্চ, ২০১৫ তাৰিখ, ১৩ আগষ্ট, ২০১৫ আৰু ৮ ডিচেম্বৰ, ২০১৫ তাৰিখে বৰ্তমানৰ বিত্ত মন্ত্ৰী আৰু সেই সময়ৰ Planning Department ৰ মন্ত্ৰী মহোদয়ে তিনিবাৰ তিনিটা প্ৰস্তাৱ অসম বিধান সভাত গ্ৰহণ কৰিছিলে যে কেন্দ্ৰীয় চৰকাৰে অসমৰ বিশেষ ৰাজ্যৰ মৰ্য্যদা ঘূৰাই দিব লাগে। মোৰ প্ৰশ্নটো হ'ল যে অসমৰ

বিশেষ ৰাজ্যৰ মৰ্য্যদা BJP চৰকাৰে কৰ্তন কৰিলে আৰু এতিয়া মই বিত্ত মন্ত্ৰী মহোদয়াক সুধিব খোজো যে এতিয়া আকৌ অসমৰ বিশেষ ৰাজ্যৰ মৰ্য্যদা ঘুৰাই আনিবলৈ এনেকুৱা প্ৰস্তাৱ লোৱাৰ প্ৰয়োজন আছে বুলি তেখেতে নাভাবেনে ? অসমৰ বৰ্তমানৰ সকলো অৰ্থনৈতিক মহাসংকটৰ গুৰিতে কেন্দ্ৰৰ BJP চৰকাৰৰ দ্বাৰা অসমৰ বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্তনৰ ---interruption----

**মাননীয় অধ্যক্ষ ঃ** হ'ব। Next Supplementary কৰিব পাৰিব।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া বিৰোধী দলৰ বিধায়িকা আছিলো, তেতিয়া মই এই প্ৰশ্নটো সুধিছিলো আৰু তেতিয়া বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া মোক উত্তৰ দিছিলে তেতিয়া মই সন্তুষ্ট বুলি কৈছিলো। তেতিয়া মই জানিব বিচাৰিছিলো যে change of nomenclature হোৱাৰ কাৰণে অসমত পইচা বেছিকৈ আহিছে নে কমিছে? মোৰ সেইটোৱে প্ৰশ্ন আছিলে। অধ্যক্ষ মহোদয়, যেতিয়া চৰকাৰসমূহ নতুনকৈ গঠন হয় তেওঁলোকে নতুন SPG vehicle ৰ জৰিয়তে ৰাজ্য চৰকাৰলৈ পইচাবিলাক দিয়ে। তেতিয়া মই জানিব বিচাৰিছিলো যে পইচা বেছিকৈ আহিছে নে নাই? কিন্তু যেতিয়া মই দেখিলো যে পইচা বেছিকৈ আহিছে তেতিয়া মই মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট হৈছিলো। এতিয়া মই তেখেতক ক'ব খোজো যে এতিয়া বৰ্তমান এনেকুৱা ধৰণৰ প্ৰস্তাৱ লোৱাৰ কোনো প্ৰয়োজন নাই কিয়নো কেন্দ্ৰীয় চৰকাৰে যোৱা সময়ছোৱাত ইয়াত যথেষ্ট বিত্তীয় পুঁজি দিছে। অধ্যক্ষ মহোদয়, মই আপোনাক ক'ব খোজো যে যেতিয়া 11th Finance Commission হৈছিলে তেতিয়া আমি কিমান পুঁজি পাইছিলো আৰু এতিয়া সেই পুঁজি কিমান বাঢ়িছে। 11th Finance Commission ৰ পুঁজি আহিছিলে ২২,৬৪৬.৬২ কোটি টকা আৰু এতিয়া 14th Finance Commission ত আমাৰ ৰাজ্যখনলৈ টকা আহিছে ১,৮১,২২৮ কোটি টকা। আমাৰ কিমান বেছি পুঁজি বাঢ়িছেঙ্গ এইটোৱে কথা। অখিল গগৈ ডাঙৰীয়াই এই কথাটো বাহিৰতো কৈ আছে। গতিকে মই ভাৱো যে আজি এই প্ৰশ্নটো ইয়াতে শেষ হোৱা উচিত কাৰণ মই স্পষ্টভাৱে তাৰ উত্তৰটো দিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Second Supplementary.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো যে পইচা ইমান বঢ়াৰ কাৰণে অসমত ইমান ডাঙৰ অৰ্থনৈতিক সংকট হৈছে।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেন্টৰী

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মই ভাবো যে পইছা বঢ়া বাবে চাগৈ অসমৰ ইমান ডাঙৰ অৰ্থনৈতিক সংকট হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** মূল প্ৰশ্নটোত আহক।

সদনত বাদ- বিবাদ

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক....। অখিল গগৈ কওক।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ**অধ্যক্ষ মহোদয়, Block Grant ত আগতে Normal Central assistance, Special Plan assistance আৰু Special Central assistance আহিছিল। এই ৩ টা আঁচনিৰ অধীনত বিশেষভাৱে অসমৰ বাবে বহু টকা আহিছিল। এতিয়া বিশেষ ৰাজ্যৰ মৰ্যদা কৰ্ত্তন কৰি দিয়া বাবে সেই সকলো আঁচনি বন্ধ হৈ গ'ল। ইয়াৰ বাবে উত্তৰ পূৰ্ব্বাঞ্চলৰ গোটেই ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে একেলগে স্মাৰকপত্ৰ দিছিলে। কিন্তু এতিয়া আমাক কৈছে যে, বিশেষ ৰাজ্যৰ মৰ্যদা কৰ্ত্তন কৰাৰ বাবে আমাৰ লোকচান হোৱা নাই। মই সুধিব খুজিছো যে আজিৰ দিনটোত অসমৰ বাবে আটাইতকৈ

অৰ্থনৈতিক মহা সংকট যাৰ বাবে অসম চৰকাৰে ইমান ঋণ ল'বলগীয়া হৈছে তাৰ গুৰিতে বিশেষ ৰাজ্যৰ মৰ্যদা কৰ্ত্তন নহয় জানো?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্তৰ দিব।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, এইটো অসত্য আৰু সম্পূৰ্ণ ভুৱা। অখিল গগৈ ডাঙৰীয়াৰ কথাটো মই ক্লিয়েৰ কৰি দিব বিচাৰিছো কাৰণ অখিল গগৈ ডাঙৰীয়াই এই কথাটো বাহিৰত সদায় কৈ থাকে। তেখেতে এই বিষয়টোৰ ওপৰত অপপ্ৰচাৰ চলাই আছে। এইটো বন্ধ হ'ব লাগে, অধ্যক্ষ মহোদয়।

**বিৰোধীৰ উক্তি ঃ** তেতিয়াহ'লে ইয়াৰ ওপৰত বিতৰ্ক হওঁক, অধ্যক্ষ মহোদয়।

সদনত বাদ-বিবাদ

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে মন্ত্ৰী ডাঙৰীয়ানীক ক'বলৈ দিয়ক। বহক আপোনালোকে..।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, যিখিনি ব্লক গ্ৰান্ট দিয়া আছিল মই এইখিনিয়ে কৈছো যে, This is only a change of normal nature. যিখিনি ব্লক গ্ৰান্ট দিয়া হৈছিলে সেইখিনি অনুপাতে এতিয়া আমি পাই আছো। ক'ৰবাত হয়তো 90:10 হৈছে।...

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** ব্লক গ্ৰান্ট কেইটা আছেনে নাই?

শাসক-বিৰোধীৰ মাজত বাদ-বিবাদ

-হুলস্থুল-

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে বহকছোন ।বহক........ ( বড়ো ভাষাত মাননীয় অধ্যক্ষ মহোদয়ে বক্তব্য আগবঢ়ায় )

**ঃ বড়ো ভাষাৰ পৰা অসমীয়া ভাষাত ভাঙনি ঃ**

মই আপোনালোকক অনুৰোধ কৰিছো যে, তেনেকুৱা কথা লৈ আমি কাজিয়া কৰিব নালাগে। আমাৰ ওপৰত ৰাইজৰ আশা আছে। আমি অসম বিধান সভাৰ সদস্য হিচাপেহে এই সদনত আহিছো। অসমৰ ৰাইজৰ ভালৰ বাবে কি কৰিব লাগিব বা কি কৰিব নালাগে আমি আমাৰ বিধান সভাৰ ৰুলমতে আগবাঢ়িব লাগিব। কিছুমান সৰু সৰু কথাতে যদি আমি কাজিয়া-পেচাল কৰি থাকো ৰাইজে তেওঁলোকৰ আশা-আকাঙ্খ্যা আমি পূৰণ কৰিম বুলি কেতিয়াও আমাক বিশ্বাসত নলয় আৰু আমাক স্বীকৃতি নিদিয়ে। গতিকে মই আপোনালোকক অনুৰোধ কৰিছো যে সৰু সৰু কথাবিলাক লৈ আমি কাজিয়া-পেচাল কৰিব নালাগে।

যদি আপোনালোকে বুজি পোৱা নাই, কথাখিনি অসমীয়া আৰু ইংৰাজী ভাষাত চলি আছে কানত হেডফোন লওঁক বুজি পাব। কোৰেশ্যন আৱাৰত বিধায়কসকলে মূল প্ৰশ্নটো কৰিব পাৰে তাৰ পিচত মন্ত্ৰীয়ে প্ৰশ্নৰ উত্তৰ দিব পাৰে। সেই উত্তৰৰ ওপৰত আৰু কোনোধৰণৰ প্ৰশ্ন হ'ব নোৱাৰে। এই কথাখিনি আমাৰ ৰুলত আছে। গতিকে অখিল গগৈ ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিলে তাৰ উত্তৰ মন্ত্ৰী ডাঙৰীয়ানীয়ে দিছে। ইয়াৰ বাহিৰে যিকেইটা বিষয় কৈছে সেইটো আজি নহ'ব। আপোনালোকে মন্ত্ৰীৰ লগত বহি আলোচনা কৰিব পাৰে, লিখিতভাবে দিব পাৰে বা অন্য এটা দিনত আনিব পাৰে।

আমাৰ আৰু ডিবেট আছে। বিভিন্ন বিষয় আলোচনা হ'ব। আলোচনা প্ৰসংঙ্গত হাউচত নোটিচ লৈ আনিব পাৰে। গাঁৱত আমি হাল বাওঁতে, কোৰ মাৰোতে যিবিলাক শব্দ প্ৰয়োগ কৰো আমি এনেধৰণৰ পৰিবেশ সদনত অনাটো উচিত নহয়। আমি কোৰেশ্যন আৱাৰটো কন্টিনিউ কৰিব

লাগিব। .... আমি বিষয়টো শান্তিপূৰ্ণভাবে আলোচনা কৰিব পাৰো। মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্তৰ দিব, আপোনালোকে শুনক ।

- সদনত হুলস্থূল-

শাসকীয় পক্ষ আৰু বিৰোধীৰ বাদ-বিবাদ

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগৰ বিধান সভাতো তেখেতে এই বিষয়টো আনিছিলে, আজিও আনিছে। মই আগতেও কৈছো, আজিও কৈছো যে, This is only a change of normal nature আৰু যিখিনি ব্লক গ্ৰান্ট ৯০ ঃ১০ হিচাপে পাই আহিছো। ইয়াত আমাৰ কোনো ধৰণৰ লোকচান হোৱা নাই। ফোৰ্টিন ফাইনেন্সত ৪২ শতাংশ অৰ্থ্যাৎ ১০ শতাংশ বৃদ্ধি কৰিছে। ইয়াৰ বাবে অসমে যথেষ্টখিনি পুঁজি পাবলৈ সক্ষম হৈছো।

**অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মিছা কৈছে, ভুল কৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰফিকুল ইছলাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ড° ৰফিকুল ইছলাম ।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে Eleventh Finance ত প্ৰায় ২২০০০ কোটি টকা পাইছিল, Fifteenth Finance ত প্ৰায় ১ লাখতকৈ বেছি পাইছে, বিশেষ ৰাজ্যৰ মৰ্য্যদা নথকাৰ পিছতো এইখিনি পাইছে। এতিয়া আমাৰ আগৰ বাজেটৰ যিটো পৰিমাণ আছিল ৫০০০০ কোটি, এতিয়া ১০০০০০ কোটিৰ বেছি বাজেটৰ পৰিমাণ হৈছে। কেন্দ্ৰৰো পইচা বাঢ়িছে, পৰিমাণ বেছি হৈছে, সেই অনুপাতে বেছিকৈ আহিছে, সেইটো ভাল কথা। যদি বিশেষ ৰাজ্যৰ মৰ্য্যদা পোৱাৰ পিছত আজি ১০০০০০ কোটি আহিছে, হয়তো ১৫০০০০ কোটি পাব পাৰো। বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্ত্তন হোৱাৰ পিছতো যদি বেছি পাওঁ তেতিয়াহলে আপত্তি নাই। কিন্তু বিশেষ ৰাজ্যৰ মৰ্য্যদা থাকিলে ১ লাখ কোটিৰ ঠাইত যদি ১৫০০০০ কোটি পাওঁ, সেইটো demand কৰাত আমাৰ কি আপত্তি আছে?

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** এইটোৱে মোৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সেইটো কথা নহয়। আগৰ চৰকাৰৰ তেওঁলোকৰ পিছৰ চৰকাৰে এখন চাবকমিটি মন্ত্ৰী সকলৰ গোটত পাতিছিল আৰু সেইগোটটিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু সেইমতে পুঁজিবিলাক আৱন্টন কৰিছে। ইয়াত কোনোধৰণৰ অন্য কথা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** চাৰ, ইয়াতে এটা তথ্য আমি ভয়ঙ্কৰ ভাৱে পালো, যিটো বাহিৰৰ পৰা ঋণ লৈছে ৰাজ্য চৰকাৰে ২০১৫-১৬ বৰ্ষত আছিল প্ৰায় ২৬০০ কোটি টকা, ২০১৬-১৭ বৰ্ষত ২৯৭৩ কোটি টকা, ২০১৭-১৮ বৰ্ষত ৩২০৫ কোটি টকা আৰু ২০২০-২১ বৰ্ষত ৫১৯৯ কোটি টকা আৰু এতিয়া বহিৰাজ্যৰ ঋণটো বাদ এই বছৰ বাদ দি মাৰ্চৰ পিছত ২২২৬৯.৯৪ কোটি টকা বহিঃৰাজ্যৰ ঋণ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** এতিয়া কথাটো হ'ল, এই বছৰ আৰু বেছি হৈছে মাৰ্চৰ

পিছৰ হিচাপটো দিয়া নাই। গতিকে এতিয়া আজিৰ দিনত এগৰাকী শিশুৰ জন্ম হ'লে মূৰত ৩২০০০ টকাৰ ঋণ লৈ জন্ম ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** এতিয়া প্ৰশ্নটো হ'ল - ঋণৰ পৰিমাণটো বঢ়াই গৈ থকা হৈছে আৰু এতিয়া এই ঋণৰ যিটো সূত দিয়া হৈছে ২২২৬৯ কোটি টকা, কেৰল সূত দিয়া হৈছে মাৰ্চলৈকে, এতিয়ালৈকে ৩০০০০ কোটি টকাৰ সূত দিয়া হ'ব, এই ক্ষেত্ৰত চৰকাৰে বিত্তীয় সংস্কাৰ কি কৰিব?

**মাননীয় অধ্যক্ষ ঃ** হৈছে, হ'ব। এতিয়া মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, লোনৰ যিটো কথা কৈছে, সেইটো কথা সদনক স্পষ্ট কৰি দিব খুজিছোঁ আচলতে লোন আমি নিয়মতে লৈছোঁ। ভাতৰ চৰকাৰৰ যিটো নিয়ম আছে পেৰামিটাৰ মতে আমি সম্পূৰ্ণ লোন লৈছোঁ। আমি কোনো বেছিভাৱে লোৱা নাই। কিন্তু এইটো কথা আপোনালোকে চাব যে ২০০১ চনত ৩০ শতাংশ লোন চৰকাৰে লৈছিল। তেতিয়া তেওঁলোকৰ পৰিমাণটো কম আছিল। তেতিয়া যদি বাজেট চাই ১০০০০ কোটি টকা আছিল, ২০০০ কোটি টকা আছিল, এতিয়া দেখিব যদি বাজেট বাঢ়ে লোনৰ পৰিমাণটো বাঢ়িবই। সেইটোৱে কথা। আপোনালোকে সেইটো কথা বাহিৰত কৈ আছে যে ৯০০০ কোটি, ১০০০০ কোটি। আমি যিখিনি লোন লৈছোঁ একেবাৰে নিয়ম মতে লৈছোঁ আৰু আমি ভাৰত চৰকাৰৰ নিয়ম মতেই লৈছোঁ, আৰু লব পৰা ক্ষমতা আছে কাৰণে লৈছোঁ। কিন্তু আমি যিমানখিনি ল'ব লাগে তাতকৈ কম লৈছোঁ। আমি কেতিয়াও বেছি লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ২৬, শ্ৰী চামছুল হুদা।

**শ্ৰী চামছুল হুদা (পূব বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ ইয়াত উত্তৰ দিয়া হৈছে ঠিকেই, কিন্তু সেই উত্তৰ মই সন্তুষ্ট নহয়। ইয়াত কোৱা হৈছে যে জৱকাৰ্ডৰ লোক সকল কাম কৰাৰ ১৫ দিনৰ ভিতৰত নিৰ্দ্ধাৰিত প্ৰাপ্ত মজুৰি যোগে তেওঁলোকৰ বেংকৰ একাউন্টত জমা দিয়া হয়। কিন্তু দেখা গৈছে বহুত কাম ইতিমধ্যে শেষ হোৱাৰ পিছতো এতিয়ালৈকে জৱকাৰ্ড হোলডাৰে আমাৰ তাত পইচা পোৱা নাই। এনেকৈ লেহেমীয়া গতিত কাম বিলাক চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক, সময় কম আছে।

**শ্ৰী চামছুল হুদা (পূব বিলাসীপাৰা) ঃ** ২০২০-২১ বৰ্ষৰ কাম বিলাক এতিয়ালৈকে ৰৈ আছে, যাৰ ফলত ২০২১-২২ বৰ্ষত আমাৰ তাত আপোনালোকে জানে যে বিলাসীপাৰা পূব সমষ্টিটো একেইবাৰে অৱস্থা বেয়া, তাত মাত্ৰ ৪৭ টা কাম বিলাসীপাৰা ব্ল'কত ধৰা হৈছে আৰু ২০২১-২২ বৰ্ষত চাপৰ শালকোচা ব্ল'কত মাত্ৰ MGNREGAৰ কাম ৫ টা ধৰা হৈছে। গতিকে মই আমাৰ মন্ত্ৰী মহোদয়ক এইটোৱে কব বিচাৰিছোঁ যে আমাৰ তাত যিহেতু অউন্নত ঠাই, MGNREGAৰ কাম ইমান কম কিয় ধৰা হয় আৰু তাত আমি বেছিকৈ ধৰিব পাৰো নেকি তাৰ কাৰণে মই মহোদয়ৰ জৰিয়তে উত্তৰ বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই যিখিনি কথা কৈছে আচলতে কোনো তথ্যৰ আধাৰত নহয়। কাৰণ কি ইতিমধ্যে আমাৰ MGNREGAৰ এটা পদ্ধতি আছে যেতিয়া Demand দিয়ে তেতিয়া কাম দিব লাগে আৰু Demand নিদিলেও আমি ইতিমধ্যে সিদ্ধান্ত এটা অৱগত কৰিছোঁ, মই যেতিয়া ধুবুৰীত

গৈছিলোঁ তেতিয়া কৈছিলো যে প্ৰতিটো পঞ্চায়তত কমেও ৫ টা ৫ টা কাম হাতত ৰাখিব লাগে যাতে আমি জৱকাৰ্ড হোল্ডাৰ সমূহক দিব পাৰোঁ। ঠিক তেনেকুৱাকৈ আপোনাৰ সমষ্টিত ইতিমধ্যে এই তিনিটা বছৰ ২০১৯-২০, ২০২০-২১, ২০২১-২২ বৰ্ষত ৩৩৮ টা MGNREGAৰ কাম তাত লৈছো আৰু সেইটোৰ আধাৰত আমি প্ৰথমবাৰ ২০২০-২১ বৰ্ষত ১৮৬ লাখ টকাৰ কাম কৰিব বাকী আছে যদিও এই যি বিত্তীয় বৰ্ষ, এই বিত্তীয় বৰ্ষত যিটো আমাৰ সৰ্বভাৰতীয়া ৰেন্জ, সৰ্বভাৰতে যি হাৰত কৰি যায় সেইটোত কিন্তু আমি Satisfactory. তথাপি আগন্তুক দিনত আপুনি যদি কয় MGNREGAৰ, কাৰণ কি MGNREGAৰ কাম সমূহ আমি নধৰো। এইটো গাওঁসভাৰ জৰিয়তে ধৰা হয়। তেনেকুৱা যদি কাম কিছুমান কম আছে বুলি ভাৱে তেতিয়াহলে আপুনি বিভাগৰ লগত যোগাযোগ কৰিব নিশ্চিত ভাৱে আপোনাৰ য'ত য'ত কাম কৰিব লগীয়া আছে সেই কামখিনি কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Next Supplementary.

**শ্ৰী চামছুল হুদা (পূব বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কৈছে ঠিকেই, কিন্তু আমাৰ তাত গাঁওসভাত বহুত কাম ধৰা আছে, কিন্তু আমাৰ উপায়ুক্ত ডাঙৰীয়াই যি ঠাইত কাম কৰিব লাগে সেই ঠাইত কাম কৰা নাই আৰু লেহেমীয়া গতিত কাম কৰি আছে। গতিকে সেইটো ক্ষেত্ৰত মই MGNREGAৰ টো বাদেই দিলোঁ, এতিয়া কথা হৈছে যে Fifteenth Finance ৰ ওপৰত এটা প্ৰশ্ন কৰিছোঁ, তাত উত্তৰ দিয়া হৈছে, কিন্তু সেই উত্তৰত মই এটা প্ৰশ্ন কৰিব বিচাৰিছোঁ যে বেলেগ বেলেগ জিলাত মই জনা মতে যে Fifteenth Finance ৰ First Installmentৰ কাম ইতিমধ্যে আৰম্ভ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক, সময় কম আছে।

**শ্ৰী চামছুল হুদা (পূব বিলাসীপাৰা) ঃ** মই যেতিয়া বিধান সভাত প্ৰশ্ন কৰিলোঁ তাৰ পিছতহে দুই তিনিটা First Installmentৰ কাম তেওঁলোকে আৰম্ভ কৰিলে। কিন্তু আগত সেই First Installmentৰ কাম আৰম্ভ কৰা নাই। Second Installmentৰ এতিয়ালৈকে কোনো বৈঠক অনুষ্ঠিত কৰা হোৱা নাই। গতিকে আমাৰ উপায়ুক্ত ডাঙৰীয়াই যি উত্তৰ দিছে মন্ত্ৰী মহোদয়ৰ জৰিয়তে, মই এটাই কথা কব বিচাৰিছোঁ যে ধুবুৰী জিলাৰ উপায়ুক্ত ডাঙৰীয়াক আপোনালোকে অলপ কৈ দিব নেকি যে কাম, ইয়াত উপায়ুক্ত ডাঙৰীয়াই উত্তৰটো দিছে বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰ দিবলৈ সময় নাথাকিব।

**শ্ৰী চামছুল হুদা (পূব বিলাসীপাৰা) ঃ** মই মন্ত্ৰী মহোদয়ক কৈছো যে আপুনি আমাৰ ধুবুৰী জিলাৰ কাম বা আমাৰ বিলাসীপাৰ পূব সমষ্টিৰ কাম কিয় ইমান লেহেমীয়া গতিত চলে এইটোৰ উত্তৰ দি আপুনি অলপ জনাই দিব আৰু উপায়ুক্ত মহোদয়কো কৈ দিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিহেতু আমাৰ সন্মানীয় প্ৰতি গৰাকী বিধায়ক ব্লক সমূহৰ Vigilance Committeeৰ Chairman, গতিকে আপুনি বি ডি অ' ক মাতি এটা তাৰিখ দিব, তাৰিখ দি আপুনি নিজেই Vigilance Committeeৰ Chairman হিচাপে তাত সভা যাতে পাতে আৰু সভাত আপুনি যদি নিৰ্দ্দেশ দিয়ে, আপোনাৰ নিৰ্দ্দেশ দিয়াৰ অধিকাৰ আপোনাৰ আছে, সেইখিনি কাম মই আপোনাকে কৰিবলৈ অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ২৭, শ্ৰী সুজাম উদ্দিন লস্কৰ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** চাৰ, মোৰ এটা Supplementary আছে।

**মাননীয় অধ্যক্ষ ঃ** নতুন প্ৰশ্নত আহিলোঁ। সময় নাই। আপুনি মন্ত্ৰী ডাঙৰীয়াক লগ ধৰি ক্লিয়াৰ কৰি লওক। আপুনি বহক না, শেষ প্ৰশ্ন আছে।

**শ্ৰীসুজাম উদ্দিন লস্কৰ (কাটলিচেৰা) ঃ** মাননী অধ্যক্ষ মহোদয়, আমাৰ হাইলাকান্দি জিলা খনত ৫ টা Development Block আছে।

**মাননীয় অধ্যক্ষ ঃ** মাত্ৰ প্ৰশ্নটো কৰক, এক মিনিট আছে।

**শ্ৰীসুজাম উদ্দিন লস্কৰ (কাটলিচেৰা)ঃ** আমাৰ কাটলিছড়া উন্নয়ন খণ্ডত ২০২১-২২ বৰ্ষত ৩৬৯ Approved হৈছিল, কিন্তু কাম আৰম্ভ হৈছিল ৭১ ৰ, বাকীটো কিয় Approved হোৱা নাই?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি যিমানবোৰ ধৰো সমগ্ৰ কাম আমাৰ Approved নহয়। কাৰণ কিয় আমি যদি কাম সমূহ ধৰো গাওঁসভাতে হওঁক বা অন্যত Secure system এটা আছে, কিছুমান কাম ধৰিলে। এতিয়া আমাৰ সিদ্ধান্ত লোৱা আছে এতিয়া আমি কোনো Fiber Block ৰ ৰাস্তা নকৰো। কিন্তু Fiber Block ৰ ৰাস্তা আমি যেতিয়া ধৰি দিছো ultimately সেইটো Secure নকৰে বা বেম্ব'ৰ যদি আমি protection ৰ কাম কৰিবলৈ যাওঁ সেইটো Secure নকৰে। বা bamboo protection ৰ কাম যদি আমি কৰিব যাওঁ secure নাথাকে। গতিকে আমি secure factor ত থকাখিনেহে কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমাৰ এটা statement আছে। কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন এখন মই সদনত ডাঙি ধৰিব বিচাৰিছো।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ (১) অধীনত ২০২১-২০২২ চনৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ইংৰাজী ২০ ডিচেম্বৰ ,২০২১ তাৰিখে অধিৱেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য পৰিচালনা সমিতিৰ এখন সভা অনুষ্ঠিত কৰা হয়। সভাত ২০২১-২২ চনৰ পৰপূৰক দাবীমঞ্জুৰী সমূহৰ ওপৰত আলোচনা কৰি সৰ্বসন্মতিক্ৰমে নিম্নলিখিত পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহ অগ্ৰাধিকাৰ ভিত্তিত ইংৰাজী ২২ ডিচেম্বৰ, ২০২১ তাৰিখে সদনত আলোচনাৰ বাবে লোৱা হ'ব আৰু উক্ত দিনা সদন পিছবেলা অনুষ্ঠিত কৰি কেইখনমান চৰকাৰী বিধেয়ক বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত লোৱাৰ উপৰিও অহা ইংৰাজী ২২ আৰু ২৪ ডিচেম্বৰ, ২০২১ তাৰিখে সদনৰ কাৰ্য্যসূচীত 'শূণ্যকালীন' ঘন্টাৰ কাৰ্য্যসূচী নোলোৱাৰ বাবে সিদ্ধান্ত লোৱা হয়।

তলত দিয়া ধৰণে পৰিপূৰক দাবী মঞ্জুৰী কেইটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰাৰ বাবে লোৱা হয়। ক্ৰমিক নং- ১, মঞ্জুৰী নং -৫, দাবীৰ নাম বিক্ৰিকৰ আৰু অন্যান্য কৰ। অগ্ৰাধিকাৰ ভিত্তিত নিদ্ধাৰিত ১ নম্বৰ । ক্ৰমিক নং- ২, মঞ্জুৰী নং -৬২, দাবীৰ নাম শক্তি(বিদুৎ) অগ্ৰাধিকাৰ ভিত্তিত নিৰ্ধাৰিত-২ নম্বৰ । আলোচনাৰ বাবে সময় তলত উল্লেখ কৰা ধৰণে আবন্তিত দিয়া হয় । মুঠ সময় ২২০ মিনিট।

| | | |
|---|---|---|
| ১। ভাৰতীয় জনতা পাৰ্টী | - | ১০৪ মিনিট। (বিত্ত মন্ত্ৰীৰ উত্তৰ সহ) |
| ২। ভাৰতীয় জাতীয় কংগ্ৰেছ | - | ৪৪ মিনিট। |
| ৩। অসম গণ পৰিষদ | - | ১৬ মিনিট। |

৪। সৰ্ব ভাৰতীয় সংযুক্ত গণ তান্ত্ৰিক মৰ্চা ২৬ মিনিট।
৫। ইউ পি পি এল - ১২ মিনিট।
৬। বি পি এফ - ৬ মিনিট।
৭। চি পি আই (এম) - ২ মিনিট।
৮। নিৰ্দলীয় - ২ মিনিট।

আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, মোৰ পাৰ্টিৰ নাম সদায় চি.পি.আই কৈ থাকে, চি.পি. আই নহয় চি.পি.আই (এম) হে হয়।

**মাননীয় অধ্যক্ষ ঃ** হয়, মই দুঃখিত। এইটো শুদ্ধ কৰা হ'ব। এতিয়া পইন্ট অৱ অৰ্ডাৰ কওঁক।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাবিহীন প্ৰশ্ন- ৮০ নম্বৰৰ (ঘ) নম্বৰত মোৰ প্ৰশ্ন আছিল যে তিনিটা বিত্তীয় বৰ্যত ৰাজ্যখনত Fake কয়লা বেপাৰীয়ে কিমান E-way Bill বনাইছে আৰু কিমান E-way Bill cancel কৰিছে? উত্তৰত দিছে কৰ বিভাগৰ On line system ত GST Portal ত পঞ্জীয়ন কৰাৰ পাছতে যিকোনো বেপাৰীয়ে E-way Bill generate কৰিব পাৰে। প্ৰশ্নৰ লগত উত্তৰৰ মিল নাই। গতিকে প্ৰশ্নৰ শুদ্ধ উত্তৰটো মোক লাগে। আাপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি ইয়াত lay কৰি দিয়ক। আমি সেই অনুযায়ী পুনৰ পঠাই আছো। এতিয়া আছে শ্ৰী মতী নন্দিতা দাস, "শূণ্যকালীন ঘন্টা" ।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত এটা বিশেষ গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, সীমা বিবাদ অসমত বহু দিনৰে পৰা চলি আছে। মোৰ সমষ্টি বকো বহু দীঘলীয়া এটা অঞ্চল, মেঘালয় সীমান্তত পৰে। এই অঞ্চলত সীমা বিবাদ চলিয়েই আছে। যেতিয়াৰ পৰা সীমাৰ সমস্যা সমাধানৰ কথা উত্থাপন হৈছে, মুখ্যমন্ত্ৰীৰ দ্বাৰাই এইটো প্ৰচাৰ হৈছে, তেতিয়াৰে পৰা আমি দেখিছো যে দুই তিনিমাহৰ ভিতৰত বিবাদৰ এটা জটিল ৰূপ ধাৰণ কৰিছে।

**অধ্যক্ষ মহোদয় ঃ** কিছু দিন আগতে Joint Inspection Committee য়েAssam Meghalaya Border, visit কৰিছিলো আৰু সেই টিমত মইও আছিলো। এই ভিজিট দিয়াৰ ঠিক আগমূহুৰ্তত কেইবাটাও সীমান্ত অঞ্চলত ঘটনা সংঘটিত হৈ গৈছে। বিশেষভাৱে যিবিলাক গাড়ো অধ্যুষিত অঞ্চল আছে, তাত কেইবাটাও ঘটনা সংঘটিত হৈ গৈছে। যিখিনি আমাৰ সীমান্ত অঞ্চলৰ গাওঁবাসী, যিখিনি মানুহ অসমত থাকিব বিচাৰে সেই মানুহখিনিক বিভিন্ন সময়ত অসম বিদ্বেষী লোকে, মেঘালয়ৰ কিছু দুস্কৃতিকাৰী আহি আক্ৰমণ কৰিছে, তেওঁলোকক গুলীয়াই মাৰিম বুলি ভাবুকি দিছে, যদিহে তেওঁলোকে মেঘালয়ত যাবলৈ আপত্তি কৰে। যাৰ ফলত এগৰাকী মহিলাৰ ওপৰত আক্ৰমণ হৈছে, সীমান্ত অঞ্চলৰ সাপ্তাহিক বজাৰ দখলৰ ষড়যন্ত্ৰ কৰিছে, মেঘালয় আৰক্ষীৰ দ্বাৰাই আমাৰ মহিলাৰ ওপৰত ভয়-ভাবুকি দিয়াৰ সৃষ্টি হৈছে। এটা উত্তেজক পৰিস্থিতি চলি আছে। অধ্যক্ষ মহোদয়, এই বিষয়টো সময়ে সময়ে মই উত্থাপন কৰিয়েই আহিছো। যোৱা ২০১৯ চনত এজন পি.এইচ.ই বিভাগৰ ইঞ্জিনীয়াৰক সীমান্ত অঞ্চলত কাম কৰিবলৈ যোৱাৰ সময়ত গৃহ বিভাগৰ হৈ সন্মানীয় মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া তাত উপস্থিত আছিল। মই তেতিয়া দাবী কৰিছিলো যে আমাক এটা Out post দিব লাগে, কাৰণ সেই অঞ্চলৰ মানুহখিনিক আমি নিৰাপত্তা দিব পৰা নাই। আমি ভিজিট কৰাৰ পিচত যিখিনি ঘটনা ঘটি আছে অতি দুৰ্ভাগ্যজনক।

জয়পুৰ নামৰ গাওঁ এখনত Joint Inspection Committee য়ে এখন মিটিং কৰিছিল। মিটিং খনত মাননীয় মন্ত্ৰী অতুল বৰা ডাঙৰীয়াও আছিল। সেই মিটিংখন আৰম্ভ হোৱাৰ আগমূহুৰ্তত সেই মঞ্চৰ বেনাৰ পৰ্যন্ত চিঙি দিয়া হৈছে। অসমক সমৰ্থন কৰা যিসকল লোক আহিছিলে তেওঁলোকক মেঘালয়ৰ কিছু মানুহ আহি মাৰ-পিট কৰি খেদি পঠিয়াইছে। এনেকুৰা এটা দুৰ্ভাগ্যজনক পৰিস্থিতি আমাৰ বৰ্তমান চলিছে। মই ভাবো যে আমি এই অঞ্চলত বসবাস কৰা যিখিনি মানুহ আছে, যিখিনিয়ে অসমক ভাল পায় সেইখিনি মানুহক কিন্তু আমি বৰ্তমানো কোনো নিৰাপত্তা দিব পৰা নাই। মই যোৱাকালি খবৰ ললো যে মাত্ৰ ১০জন আৰ্মচ বেটেলিয়ান ফ'ৰ্চ তাতে দিয়া হৈছে। ৫ জন ৫ জনকৈ তেওঁলোকে পেট্ৰ'লিং কৰি আছে। তেওঁলোকৰ থকা ঘৰ নাই, এটা ভেটেনাৰী কোৱাৰ্টাৰত থাকে। মই ভাবো সম্পূৰ্ণ আমি নিৰাপত্তা দিব লাগিব। অসমত থকা মানুহ কেতিয়াও মেঘালয়লৈ যাব নিবিচাৰে। আমি Joint Inspection Committee ৰ দ্বাৰা যিখিনি কথা জানিব পাৰিছো যে ৰাইজৰ willingness ৰ ওপৰত সিদ্ধান্ত হ'ব। তাৰে মানুহৰ লগত আমাৰ ভাৱ বিনিময় হৈছে। আমি যেতিয়া গৈছো আমি দেখিছো যিখিনিয়ে অসমক ভাল পায় সেইখিনি মানুহক আহিবলৈ, ঘৰৰ পৰা ওলাবলৈ দিয়া নাই। মেঘালয়ৰ কিছু মানুহ আনি সেই মিটিঙত ভৰাই থৈ তাতে তেওঁলোকৰ সমৰ্থনটো আদায় কৰাৰ কাৰণে যেতিয়া হাত উঠাবলৈ দিয়ে, তেতিয়া মেঘালয়ৰ মানুহখিনিয়ে হাত উঠাই। এনেকুৰা এটা manipulation ত এই মিটিং বিলাক অনুষ্ঠিত হৈ গৈছে। সেই কাৰণে উপাধ্যক্ষ মহোদয়, আমি অনুৰোধ কৰিছো যে আমাৰ ভিজিটৰ পিচত এটা secret investigation হ'ব লাগে যে আচলতে মানুহখিনিয়ে বিচাৰে কি? Secretly গৈ যদি পুলিচ প্ৰশাসনে খবৰটো নলয়, তেতিয়াহ'লে প্ৰকৃত ছবিটো আমি কেতিয়াও নাপাম। উপাধ্যক্ষ মহোদয়, আমি দেখিছো যে মেঘালয় প্ৰশাসনৰ দ্বাৰা interfere বেছি হৈছে। মানুহৰ মাজত তেওঁলোকৰ কিছু মানুহ সোমাই দিয়া হৈছে। আমাৰ অসম চৰকাৰৰ ফালৰ পৰা কিন্তু interfere কৰা নাই। আমি মানুহৰ willingness টো প্ৰকৃততে জানিব বিচাৰিছো। শেষত মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো যে, আমাক পুলিচ প্ৰশাসন আৰু লাগে। Insfrastructure develop কৰক। Manpower বৃদ্ধি কৰক, Manpower কম হৈ আছে। আমাৰ Out post টো অতি সোনকালে স্থাপন কৰক। কাৰণ ২০১৯ চনতে Out post দিম বুলি কৈছিল, আজিলৈকে একো নহ'ল। আমাৰ মানুহখিনিক সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰক। এইখিনি কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী অতুল বৰা (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'মেঘালয় সীমান্ত আৰু অসমৰ বাসিন্দাৰ বকো চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত প্ৰতিবাদ' বাতৰিটোৰে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। মাননীয়া নন্দিতা দাস ডাঙৰীয়ানীৰ সৈতে আমি অসম মেঘালয় সীমান্তত কেবাটাও disputed point পৰিদৰ্শন কৰিছিলো। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় অৱগত যে অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক ইচ্ছাৰ বাবে দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিন চলি থকা যি সীমা বিবাদ সেই বিবাদ নিষ্পত্তি কৰিবৰ বাবে কেইবাখনো কমিটি গঠন কৰি দিয়া হৈছে । কামৰূপ আৰু ৰেষ্ট খাচী হিলচ্‌ মাজত সীমা বিবাদ আছে । এই সীমান্ত এলেকাটো যথেষ্ট ডাঙৰ। ইয়াৰ উপৰিও কাৰ্বি পাহাৰ আৰু মেঘালয়ৰ মাজত আছে আৰু কাছাৰ জিলাতো আছে। কেইবাখলো কমিটি দুয়োজন মাননীয় মুখ্যমন্ত্ৰীৰ উপস্থিতিত গঠন কৰা হৈছিল আৰু এই কমিটি খনে স্পষ্ট ভিজিট কৰি দুয়োখন ৰাজ্যৰ

মাননীয় মুখ্যমন্ত্রীদ্বয়ক ৰিপোৰ্ট দাখিল কৰাৰ কথা আছিল। ইয়াত জনপ্রতিনিধি সকল আছে, ইয়াত কোনো দল কি সেই কথাটো বিবেচনা কৰা হোৱা নাই । মাননীয় নন্দিতা দাস ডাঙৰীয়ানীও সেই কমিটী খনৰ অন্যতম এগৰাকী সদস্যা। মাননীয় উপাধ্যক্ষ মহোদয়, চুবুৰীয়া ৰাজ্যৰ লগত সীমা বিবাদ আমাৰ বহুত দীঘলীয়া। অসম মেঘালয়ৰ লগত আছে, অসম নগালেণ্ডৰ লগত আছে, অসম অৰুনাচলৰ লগত আছে। এই দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধান কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীয়ে ইচ্ছা প্ৰকাশ কৰাৰ কাৰণেই আমি ইতিমধ্যে মেঘালয়ৰ লগত আলোচনা কৰিছো, মিজোৰাম চৰকাৰৰ লগতো আলোচনা কৰিছো আৰু নাগালেণ্ড চৰকাৰৰ লগতো সময়ে সময়ে আলোচনা কৰিছো । আমি যিকেইটা পইন্টত গৈছিলো নন্দিতা দাস ডাঙৰীয়ানীয়ে কোৱাৰ দৰে কেতবোৰ আশা নকৰা পৰিৱেশ প্ৰত্যক্ষ কৰিছিলো। তেখেতে এটা কথা কৈছিল যে সেই অঞ্চলৰ বাসিন্দা willing-ness ৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে সিদ্ধান্ত ল'ব। সেইটো ঠিক নহয়। ethnicity এটা অন্যতম criteria আছিল। কোন ঠাইত কি সম্প্ৰদায়ৰ লোক বাস কৰে। এতিয়া অসমত যথেষ্ট সংখ্যক গাৰো লোক আছে। আমি এটা কথা দেখিলো যে সীমান্তত এনে কিছুমান গাওঁ আছে য'ত তাত অকল গাৰো জনগোষ্ঠীৰ লোকে আছে। অৱশ্যে তাত কিছুমান চক্ৰই আমি অভিযোগো পাইছো যে পুলিচ আৰু প্ৰশাসনেও কিছু গাৰো লোকক অলপ উৎসাহিত কৰিছে যাতে মেঘালয়ত থকাৰ কথা আমাৰ প্ৰতিনিধি দলৰ আগত ব্যক্ত কৰে। গতিকে আমাৰ প্ৰশাসনেও এই কথাটোৰ ওপৰত চোকা দৃষ্টি ৰাখিছে, কাৰণ গোটেই এলেকাটোত বিশেষকৈ কামৰূপ আৰু ৱেষ্ট খাচীৰ মাজৰ এই বৃহত্তৰ এলেকাটোত Administrative control টো আমাৰে আছে । আধাৰ কাৰ্ড, ভোট ও বেছিভাগেই অসমতে দিয়ে আৰু এতিয়া যি ভেকচিনেশ্যনৰ কাম ব্যাপক হাৰত চলি আছে সেই খিনি অসমৰ পৰা হৈ আছে। এনে বহুত কাম কৰা স্বত্তেও হয়তো etnicity টোৰ কাৰণেই বা কিছুমান লোকৰ বুজনি বা উচটনি হওঁক কিছু লোকে মেঘালয়ত যোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। কিন্তু এনে লোক আছে যি সকল গাৰো হ'লেও মেঘালয়ত যোৱাৰ আগ্ৰহ প্ৰকাশ কৰা নাই, তেওঁলোককো আমি তাত লগ পাইছিলো। আমি লগ পাওঁতেই নন্দিতা দাস ডাঙৰীয়ানী আছিল আৰু তেওঁ সম্পূৰ্ণ সহযোগিতা কৰিছিল। আৰু মেঘালয়ৰ এগৰাকী মন্ত্ৰী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তেখেত মেঘালয়ৰ যিখন কমিটি কৰা হৈছে তাৰ চেয়াৰমেন তেখেতো আছিল আৰু স্থানীয় সেই অঞ্চলটোৰ মেঘালয়ৰ বিধায়কো আছিল আৰু আমাৰ বিষয়া সকলো আছিল। কমিচনাৰ, চেক্ৰেটাৰী আৰু দুয়োখন জিলাৰ উপায়ুক্ত ও আছিল। আমাৰ সন্মুখতে আমি আশা নকৰা ধৰণে কেতবোৰ ঘটনা ঘটিছে, কিন্তু সেই খিনি অৱজাৰ্ভ কৰিছো। গতিকে সেই অৱজাৰ্ভেশ্যনৰ ওপৰতে আমি নিশ্চয় ৰিপোৰ্ট দাখিল কৰিম। আৰু এই কথাটো ঠিক যে সীমা সমস্যাটো সমাধান কৰিবলৈ হ'লে বলপূৰ্বক ভাবে কৰিলে নহ'ব আৰু এইটো ঠিক যে ইয়াৰ সমাধান কৰা ভাল, এই কাৰণেই যে আজি যিখিনি ঘটনা তাত সংঘটিত হৈছে সেইটো নতুন নহয়, আজি দীৰ্ঘদিন ধৰি তেনে ঘটনা সংঘটিত হৈ আহিছে। যোৱা ৯-১২-২০২১ তাৰিখে শালবাৰী, গোচানীমাৰা, আমাৰ গাওঁ, তাৰাবাৰি , টংকুলা, বৰচুক আদি গাওঁৰ স্থায়ী বাসিন্দ সকলে বকো ৰাজহ চক্ৰৰ সন্মুখত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰে। প্ৰতিবাদ কৰাৰ মূল এটাই যে তেওঁলোকে ভাবিছে এইবাৰ সীমাটো দুয়োখন ৰাজ্যৰ মাজত ডিমাৰ্কেট কৰিব। তেওঁলোকক মেঘালয়ৰ মাজত ঠেলি পঠিওৱা হ'ব কিন্তু তেওঁলোকে অসমৰ পাৰ্টত থাকিবলৈ ইচ্ছা কৰে আৰু সেই কথাখিনি সন্নিবিষ্ট কৰি এখন স্মাৰক পত্ৰ চক্ৰ বিষয়াৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীলৈ পঠিয়াইছে আৰু সেইখন মাননীয় মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে লাভ কৰিছে। সীমান্ত অঞ্চলত বসবাস কৰা লোকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাটো সুনিশ্চিত কৰাৰ কাৰণে

আচলতে চৰকাৰখনে দীৰ্ঘদিনীয়া সমস্যাটো সমাধান কৰিব বিচাৰিছে। কাৰণ যেতিয়ালৈকে এই সমস্যাটো থাকিব তেতিয়ালৈকে এটা সৰু সুৰা ঘটনা হৈ থাকিব । আৰু ব্যক্তিগত কথাত কিবা কাজিয়া হ'লেও দেখা যায় যে সীমান্তত বসবাস কৰা সেই অঞ্চলৰ লোকে এটা বেলেগ ৰং দি দিয়ে। এনে বিলাক দিশৰ প্ৰতি আমাৰ চৰকাৰে চোকা নজৰ ৰাখিছো, গৃহ বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰীয়ে নিয়মীয়া পেট্ৰ'লিং ৰ ব্যৱস্থা কৰিছে, গাওঁৰক্ষী বাহিনী, VDP আদিক সক্ষম কৰি ৰখাৰ লগতে quick response team সাজু কৰি ৰখাৰ বাবে ব্যৱস্থা কৰা হৈছে, যাতে প্ৰয়োজন সপক্ষে যিকোনো মূহুৰ্ততে তাৰ ক্ষেত্ৰত আমি যাতে দুষ্কৃতিকাৰীৰ বিৰূদ্ধে ইতিমধ্যে আমি আইনী ব্যৱস্থা লৈছো আৰু কেছ নং 1001/2021 under section 120B/307/ 505 IPC ৰ অধীনত বকো আৰক্ষী চকীত গোচৰ ৰুজু কৰা হৈছে ।

**মাননীয় উপাধ্যক্ষ ঃ** বিষয়টো স্পৰ্শকাতৰ গতিকে আমি অতি সতৰ্কতাৰে আগবঢ়া উচিত। এতিয়া আশ্ৰাফুল হুছেইন ডাঙৰীয়াই বক্তব্য ৰাখিব । ১৯-১২-২০২১ চনৰ 'আমাৰ অসম' বাতৰি কাকতত প্ৰকাশিত 'বৰপেটা, গোৱালপাৰা অঞ্চলত পাচলি, খেতিয়কৰ হাহাকাৰ, মূল্য হ্ৰাস, পথাৰতে গেলিছে পাচলি' শিৰোনামৰ ওপৰত। মাননীয় বক্তাজনক সময় দিয়া হৈছে পাঁচ মিনিট আৰু মন্ত্ৰীয়েও পাঁচ মিনিটতে উত্তৰ দিব ।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটা, গোৱালপাৰা আদি জিলা কৃষিপ্ৰধান জিলা হিচাপে আপোনালোক সকলোৱেই জানে। এই জিলাসমূহৰ সৰহসংখ্যক জনসাধাৰণ খেতি বাতিৰ লগত জড়িত। অলপতে মই বজাৰলৈ গৈ দেখিছিলো যে খেতিয়ক সকলে কাছুমাৰা বজাৰত ৫ টকা কেজি কৈ জলকীয়া কিনি আছে। এইয়া ৰিয়েলিটি। এইটো দেখাৰ পিছত মই সদনত বিষয়টো আপোলোকৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে নটিচ দিলো আৰু মোক আলোচনা কৰাৰ বাবে অনুমতি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মই বিভাগীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে দৃষ্টি গোচৰ কৰিব বিচাৰিছো যদি আমাৰ প্ৰান্তীয় কৃষক সকলে নিজে উৎপাদিত শস্যৰ মূল্য নাপায় তেনেহ'লে আমাৰ ৰাজ্যৰ কৃষি অৰ্থনীতি সেইয়া খুৱ সহজতে বেয়াৰ পিনে গতি কৰিব। আজি কৃষকসকলে এই খেতিবাতি কৰাৰ ক্ষেত্ৰত যেনেধৰণে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল সেই প্ৰত্যাহ্বানৰ সমূহ আমি জানো আৰু আমি যোৱা বিধান সভাতো এই বিষয় সমূহ লৈ আমি আলোচনা কৰিছিলো। এই প্ৰত্যাহ্বানৰ অন্যতম এটা কাৰক হ'ল সাৰৰ নাটনি আৰু আজিৰ দিনতো বিভাগৰ ফালৰ পৰা সেই সাৰৰ নাটনি সমূহ দূৰ কৰা হোৱা নাই। এজন সাধাৰণ দোকানীয়ে কৰিব লাগে, তেওঁ সাৰ বিক্ৰী কৰিব পৰা নাই, ডিমাণ্ডত কৈ যোগান কম। এনেকুৱা ধৰণৰ কথা-বতৰা বিলাক চলি থাকে। গতিকে বিশেষকৈ ইউৰিয়া সাৰৰ ক্ষেত্ৰত বিভাগটোৰ ভিতৰত সৃষ্টি হোৱা এই জটিলতা সমূহ দূৰ কৰিবলৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াক ব্যৱস্থা ল'বলৈ আমি আহ্বান জনাইছো। যোৱাকালি আমি আন কেইবাখনো কাকতত দেখিবলৈ পাইছিলো যে দৰং জিলাৰ ছিপাঝাৰ অঞ্চলত পাচলিৰ দাম অত্যাধিক। যাৰ কাৰণে ৰাইজেও প্ৰতিবাদ কৰিছে, ৰাইজে এই বিষয় লৈ মন্তব্য আগবঢ়াইছে আৰু সংবাদ মাধ্যমতো প্ৰকাশ পাইছে। যি সময়ত বৰপেটা আৰু গোৱালপাৰা জিলাৰ অঞ্চল সমূহত পাচলিৰ দাম ইমান কম, আগে পিছে আমি দেখিবলৈ পাইছো যে তেওঁলোকে গাড়ীয়ে গাড়ীয়ে বৰপেটা ৰোড আৰু অন্যান্য অঞ্চল সমূহত পাচলি পেলাই দিব লগীয়া পৰিবেশৰ সৃষ্টি হৈছিল আৰু এতিয়াও তেনেকুৱা পৰিবেশৰ পিনে গৈ আছে। আনহাতে একেই অসম মুলুকৰ অন্য এখন জিলাত, দৰং জিলা বা ছিপাঝাৰ অঞ্চলত পাচলি অধিক দামত ক্ৰয় কৰিব লগীয়া বিষয়টো গুৰুত্বপূৰ্ণ। মাননীয় উপাধ্যক্ষ মহোদয়, মন কৰিব লগীয়া যে গৰুখুঁটি প্ৰকল্পত কৃষিজাত সামগ্ৰী

উৎপাদনৰ জৰিয়তে ৰাইজক আমি কম দামত পাচলি খুৱাম বুলি কথা দিয়া হৈছিল কিন্তু আজি যদি ছিপাঝাৰ অঞ্চলত পাচলিৰ মূল্য বৃদ্ধি হৈ থাকে তেনেহ'লে হয়তো গৰুখুঁটি প্ৰকল্পটো কৰ'বাত নহয় ক'ৰবাত ব্যৰ্থ হৈছে। একেটা সময়তে আমি ক'ব বিচাৰিছো যে বৰপেটা আৰু গোৱালপাৰা জিলাৰ এই চৰ অঞ্চল সমূহত শাক-পাচলিৰ খেতি বেছিকৈ হয় কিন্তু আজি ২০১৮ চনৰ চেপ্তেম্বৰ মাহৰ পৰা চৰ অঞ্চল সমূহত নাওঁ যাত্ৰাৰ ক্ষেত্ৰত যি ধৰণৰ বাধা-বাধকতা আৰোপ কৰা হৈছে, মাননীয় পৰিবহণ মন্ত্ৰী ডাঙৰীয়া আজি সদনত উপস্থিত আছে, এই বিষয়টোত তেওঁ গুৰুত্ব দিব লাগে। আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব দিব লাগে। আজি নাওঁ চলাচলৰ ক্ষেত্ৰত বাধা-বাধকতা আৰোপ কৰা হৈছে। আমি বহুত দীঘলীয়া সময়ৰ পৰা জানো যে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহত ভুটভুটি নাওঁ চলে। এতিয়া খৰালি কালত ব্ৰহ্মপুত্ৰত কৰ'বাত একাঠু পানী আৰু কৰ'বাত ককাললৈকে পানী। সেই সমূহ ঠাইৰ পৰা যেতিয়া কৃষক সকলে তেওঁলোকৰ নাওঁ ভৰ্ত্তি কৰি যেতিয়া বস্তু-বাহানি লৈ যাব বিচাৰে তেতিয়া তেওঁলোকক পুলিচে খেদে, পুলিচে বজাৰ ঘাটত নাওঁ লগাব দিয়া নাই কাৰণ ইয়াত নাওঁৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নাওঁৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰি চৰকাৰে কৈছিল যে আপোনালোকক মেৰিণ ইঞ্জিন দিয়া হ'ব। ৭০ শতাংশ ৰাজ সাহায্যত মেৰিণ ইঞ্জিন দিয়া হ'ব। যোৱা চৰকাৰৰ কাৰ্য্যকালত মেৰিণ ইঞ্জিনৰ কথা কৈছিল। আজি কৃষক সকল নাওঁ লৈ বজাৰত যাব পৰা নাই কাৰণে মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো ইয়াত ক'ব লগীয়া হৈছে। কৃষকে যেতিয়া নিজৰ পাচলি বিক্ৰী কৰিবলৈ বজাৰলৈ যাব নোৱাৰিব এই প্ৰত্যাহ্বানৰ কথা সদনত আলোচনা হোৱাতো প্ৰয়োজনীয়তা আছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে নাওঁ চলাচলৰ ক্ষেত্ৰত যি জটিলতা আজি আহিছে এই জটিলতা পৰিবহণ বিভাগৰ লগত আলোচনা কৰি হওঁক বা কৃষি মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি হওঁক বিষয়টোৰ সমাধান আনিব লাগে কাৰণ মেৰিণ ইঞ্জিনৰ ক্ষেত্ৰত আমি দেখা পাইছো যে মেৰিণ ইঞ্জিণ চৰকাৰে যোগান ধৰিব পৰা নাই। ভুটভুটি নাওঁ যদি চলিবলৈ নিদিয়ে তেনেহ'লে চৰকাৰী ভাৱে লঞ্চৰ ব্যৱস্থা কৰক। সমগ্ৰ অসমত হাজাৰৰো অধিক ঘাট আছে, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তৰ অধীনত বৰপেটা জিলাত পঞ্চাশৰো অধিক ঘাট আছে। লাখ-লাখ, কোটি-কোটি টকাৰ ৰাজহ অপচয় হৈ আছে। ৰাস্তাত দুই-চাৰিটা দুৰ্ঘটনা হ'লে আমি ৰাস্তা বন্ধ কৰি নিদিওঁ কিন্তু কৰ'বাত নাওঁ দূৰ্ঘটনা হ'লে বা মানুহ মৰিলে নাওঁ বন্ধ কৰি দিয়া হয়। ইয়াৰ ফলত চৰকাৰৰ ৰাজহ লোকচান হৈছে। জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য সকলে সেই ৰাজহৰ দ্বাৰা বিভিন্ন ধৰণৰ কাম-কাজ কৰে কিন্তু বৰ্তমান সেইটোও বন্ধ হৈছে। লগতে আমি আৰু এটা ভাল কথা ক'ব বিচাৰো যে দৰং জিলাৰ পৰা অলপতে লণ্ডন লৈ পাঁচলি ৰপ্তানি কৰা হৈছে। ৰপ্তানিৰ ক্ষেত্ৰত যি এক্ট ইষ্ট পলিচী আছিল সেই পলিচীৰ লগত আলোচনা কৰি আমি আমাৰ উৎপাদিত সামগ্ৰী সমূহ অন্যান্য ৰাজ্য বা ৰাষ্ট্ৰ সমূহলৈ কেনেদৰে ৰপ্তানি কৰিব পাৰি সেই বিষয়ে যাতে নতুন নতুন পৰিকল্পনা মন্ত্ৰী মহোদয়ে দাঙি ধৰে তেনেহ'লে মই ভাৱো এটা ভাল বাৰ্তা সদনৰ পৰা যাব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় চেঙা সমষ্টিৰ বিধায়ক গৰাকীয়ে শূণ্যকালীন ঘণ্টাত এটা ৰাজহুৱা স্বাৰ্থ জড়িত বিষয় আমাৰ দৃষ্টিগোচৰ কৰিছে। 'আমাৰ অসম' কাককত প্ৰকাশ পাইছিল যে, "বৰপেটা-গোৱালপাৰাৰ চৰাঞ্চলত পাঁচলি খেতিয়কৰ হাঁহাকাৰ, মূল্য হ্ৰাস, পথাৰতে গেলিছে পাঁচলি" । মাননীয় উপাধ্যক্ষ মহোদয়, বিগত চৰকাৰখনৰ কাৰ্য্যকালতো মই কৃষি বিভাগৰ মন্ত্ৰী হিচাবে আছিলো। আমাৰ চৰকাৰখনে কৃষিৰ ক্ষেত্ৰখনলৈ এক যুগান্তকাৰী

পৰিৱৰ্তন আনিবৰ কাৰণে প্ৰথমৰ পৰাই চেষ্টা কৰি আহিছে কিয়নো ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজেই হৈছে কৃষক। ভাৰত চৰকাৰৰ যিবিলাক আঁচনি আছে যেনে- এন. এফ. এচ. এম, আৰ.কে. ভি.ওৱাই, বি.জি.আৰ.ই.আই, এন. এম.ও.ও. পি, এইচ্.এম. এন.ই.এইচ্, এ .পি.এ.আৰ.টি. জৰিয়তে কৃষি ক্ষেত্ৰখনত কৰা কাম-কাজ নাৰ্বাডৰ জৰিয়তে যথেষ্টখিনি ফাৰ্ম মেকানাইজেশ্যনৰ ক্ষেত্ৰত বা নতুন নতুন বীজ, লিংক কম্পোনেণ্ট চাপ্লাই দিয়াৰ ক্ষেত্ৰত আমি যথেষ্টখিনি কৰিছিলো আৰু ৰাজ্য চৰকাৰৰ ফালৰ পৰা কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে ৰাজ্যখনৰ একো-একোটা আত্মসহায়ক গোটলৈ ৰাজহ বা অভিলাষৰ একোখনকৈ ডাঙৰ ট্ৰেক্টৰ দিয়া হৈছিল। ঠিক যোৱা কাৰ্য্যকালতে আমি ত্ৰিশ হাজাৰতকৈ অধিক পাৱাৰ টিলাৰ Thresher, Reaper, STW অসমৰ বিভিন্ন ঠাইত দিছো। আজি বৰপেটা বা গোৱালপাৰা এই অঞ্চলত যথেষ্ট সংখ্যক এচ টি ডব্লিউ কৃষকে গ্ৰহণ কৰিছিল। কাৰণ ৰাজ সাহায্যৰ দ্বাৰা দিয়া হৈছিল। কৰ'বাত ৭৫ শতাংশ ৰাজ সাহাৰ্য্য আছে আৰু কৰ'বাত ৮৫ শতাংশ আছে আৰু বৰপেটা জিলাত সৰ্ব্বাধিক এচ টি ডব্লিউ আমি দিছিলো। এতিয়া আমি চ'লাৰ পাম্প ও দিয়াৰ ব্যৱস্থা কৰিছো। উৎপাদন ভাল হৈছে, বজাৰৰ সমস্যাটো আছে আৰু সেই কাৰণেই চৰকাৰে এইবাৰ বজাৰৰ লগত লিংকেজ কৰাৰ কাৰণে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। খেতিয়কক চাবচিডিত একোখনকৈ নিজৰ উৎপাদিত ফচল কঢ়িয়াবৰ কাৰণে গাড়ী দিয়াৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। কম্বাইন হাৰভেষ্টাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে, ক্ষুদ্ৰ জলসিঞ্চনৰ কথাটো টো আছেই। এই বাতৰি পোৱাৰ পিছতে আমি খৱৰ লৈছিলো যে আচলতে কিয় ইমান দাম কমিছে। অসমৰ মুঠ শাক-পাচলিৰ মাটিকালি হৈছে ২.৮৮ লাখ হেক্টৰ আৰু উৎপাদন হয় ৩.৯৫ লাখ মেট্ৰিকটন আৰু প্ৰত্যেক হেক্টৰত তিনি হাজাৰ পাঁচশ পয়সত্তৰ কৈ। শাক-পাচলিৰ উৎপাদন বৃদ্ধি কৰিবলৈ উদ্যান শস্য সঞ্চালকালয়ে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। এতিয়াও কৃষকৰ মানত বৰ্তমান সময়ত উন্নত মানদণ্ডৰ বৰ্ণ শঙ্কৰ জাতৰ শাক-পাচলি বীজৰ ব্যৱস্থা কৰাৰ কাৰণে বা কৃষকেও এইটো prefer কৰাৰ কাৰণে ইয়াত উৎপাদন যথেষ্ট বৃদ্ধি পাইছে আৰু বৰপেটা-গোৱালপাৰাৰ চৰ অঞ্চলবোৰ যথেষ্ট ফাৰটাইল হয়। জলসিঞ্চণৰ ব্যৱস্থা কৰা হৈছে। যাৰ কাৰণে উৎপাদন যথেষ্ট বৃদ্ধি হৈছে কিন্তু আমি দেখিছো যে বহু ঠাইত কৃষকে উচিত মূল্য পোৱা নাই। এইটো আমাৰ দৃষ্টিগোচৰ হৈছে। তাৰ কাৰণে আমি যাৱতীয় কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছো। কিন্তু এতিয়া আমি গোৱালপাৰাৰ কেইগৰাকীমান কৃষকৰ লগত আকবৰ আলী, আজিজুৰ ৰহমান, য়াৰ আলী, তফজুল হ'ক, ছইদুল হ'ক ইছলাম, আব্দুল বাৰেক, আকিবুল ইছলাম, ছইদুল ইছলাম তেওঁলোক ভাল খেতিয়ক হয়। তেওঁলোকৰ লগত যোগাযোগ কৰিব খোজোতে আমি গম পাইছো যে ফুলকবি বিক্ৰী কৰিছে প্ৰতি কুইণ্টলত - ১,১০০ টকাৰ পৰা ১,৩০০ টকালৈকে, বন্ধা কবি প্ৰতি কুইণ্টলত ১০০০ টকাৰ পৰা ১,২০০ টকালৈকে। এই মূল্য হৈছে পাইকাৰী মূল্য। অৰ্থাৎ প্ৰতি কুইণ্টল ফুলকবিৰ মূল্য ১১ টকাৰ পৰা ১৩ টকা আৰু বন্ধাকবিৰ পাইকাৰী মূল্য ১০ টকাৰ পৰা ১২ টকা। ইয়াৰ বিপৰীতে স্থানীয় বজাৰত প্ৰতিকিলো ফুলকবি আৰু বন্ধাকবি ১৫ টকাৰ পৰা ১৮ টকা মূল্যত বিক্ৰী কৰা হৈছে। এই তথ্যটো আমি যিটো দিছো, তিনিটা দিনত এইখিনি ঘটিছে আৰু আমি উল্লেখ কৰি গৈছো যে এপাৰ্ট (এ.পি.এ.আৰ. টি) জৰিয়তে বজাৰ সংযোগ ব্যৱস্থা কৰা হৈছে। মই সদনত জনাবলৈ পালে ভাল পাম যে যোৱা বছৰটোত ক'ভিড পৰিস্থিতিৰ মাজতো আমি আমাৰ উৎপাদিত ফচল বিদেশৰ বজাৰলৈকে ৰপ্তানি কৰিছো। বহিঃ ৰাজ্যলৈ নহয়, বিদেশলৈকে। আজি শদিয়াত উৎপাদিত আসাম লেমন বানিং আম লণ্ডনলৈ পঠিওৱা হৈছে। ঠিক তেনেদৰে অসমৰ বহু নিবনুৱা

যুৱক-যুৱতীয়ে এক্সপোৰ্টত লাগি পৰিছে। মই ভাৱো যে নিশ্চিতভাৱে ভৱিষ্যতৰ দিনত বজাৰ আমি পাম, চুবুৰীয়া ৰাজ্যবোৰৰো আমি পাম। ইয়াৰ উপৰিও আমি বিভিন্ন ঠাইত চল্লিশটা শীতলী ঘৰ নিৰ্মাণ কৰি আছো। মই ভাৱো যে অনাগত দিনত আমাৰ কৃষকসকলৰ উৎপাদিত ফচল বিক্ৰী কৰিবৰ কাৰণে এখন ভাল বজাৰ পাব। কৃষি ক্ষেত্ৰখনলৈ নব-প্ৰজন্মৰ যুৱক-যুৱতী আকৰ্ষিত হৈছে। এক ব্যাপক পৰিৱৰ্তন ভৱিষ্যতৰ দিনত আহিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমাৰ সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (ধিং)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আধাৰ কাৰ্ড আৰু পান কাৰ্ড আৰু অন্যান্য বহুত বিষয়ৰ লগত আধাৰ লিংক কৰাটো জৰুৰী। বহুতৰে আধাৰ কাৰ্ড নথকাৰ বাবে যি সকলে PMGSY হিতাধিকাৰী তেওঁলোকে ঘৰ বিলাক পোৱা নাই। তেওঁলোকে যেতিয়া আধাৰ কাৰ্ড বনোৱা যায় এই সমস্যা বিলাকৰ সন্মুখীন হয়। এই বাতৰিটো যদিও মাৰ্ঘেৰিটাৰ আধাৰত লিখা হৈছে, মাৰ্ঘেৰিটাত আধাৰ কাৰ্ডৰ পৰা যি সকল লোক বঞ্চিত হৈছে তেওঁলোকে আধাৰ খুলিবলৈ অসুবিধাৰ সন্মুখীন হৈছে। কিন্তু সমস্যাটো সমগ্ৰ অসমতে আছে আৰু ইয়াৰ কাৰণটো হৈছে আধাৰ কাৰ্ড কোনে বনাব নোৱাৰে। যি সকলে এনআৰচিৰ প্ৰস্তুতিৰ সময়ত biometric দিছিল তাত ১০ আঙুলিৰ fingerprint, চকুৰ ৰেটিনাৰ ফটোবিলাক লৈছিল, তেওঁলোকে এতিয়া আধাৰ কাৰ্ডত গৈ যেতিয়া সেই একে biometric দিব যায়, তেওঁলোকৰ fingerprint আৰু চকুৰ ৰেটিনা বিলাক দিয়ে তেতিয়া সেই আগতে দি থৈ দিয়া কাৰণে এতিয়া লক হৈ আছে সেই কাৰণে এতিয়া আধাৰত নতুনকৈ দিলেও acceptable নহয় rejcet হৈ যায়। মাৰ্ঘেৰিটাৰ যিটো কথা ইয়াত কোৱা হৈছে, কিছুমান চাহ জনগোষ্ঠীয় লোক, কিছুমান বড়ো এলেকা যি সকলৰ লিগেচি ডাটা নাছিল বা আগতে ভবা নাছিলে যে এটা সময়ত লিগেচি লাগিব, তেওঁলোকৰ যেতিয়া biometric লৈছিলে এনআৰচিৰ তদন্তৰ সময়ত তেতিয়া তেওঁলোকৰ নামটো এনআৰচিত নাহিল বা লক কৰি দিয়া হৈছে। সেই tribal বা চাহ জনগোষ্ঠীয় লোক সকলৰ লক কৰি দিয়া কাৰণে এনআৰচিতো নাম নাহিল আৰু এতিয়া আধাৰ কাৰ্ডো বনাব নোৱাৰে। biometric টো তেতিয়া এনআৰচিৰ চেকেণ্ড লিষ্টখন published হোৱাৰ পিছত বন্ধ কৰি দিলে আৰু লক কৰি দিলে। RGI আৰু Central Home Ministry ৰ পৰাও বন্ধ কৰা হৈছে। এতিয়া state Goverment য়ে খুলিবও নোৱাৰে। এই সমস্যা বিলাক যেতিয়া ৰাইজে আমাক জনাইছিল, মই নিজেও আমাৰ অসম চৰকাৰৰ মুখ্য সচিব, আৰু গৃহ বিভাগৰ সচিবৰ লগত যোগাযোগ কৰিছিলো আৰু তেওঁলোকেও কথাটো কৈছিল আমি এই অভিযোগ পাই আছো আৰু যিটো কাৰণত আমাৰ আধাৰ কাৰ্ড বনাব পৰা নাই। আমি RGI আৰু Central Home Ministry লৈ চিঠি লিখিছো। তেওঁলোকেও কৈছে যে এনআৰচিৰ যিটো হেয়াৰিং প্ৰচেছ চলি আছে চুপ্ৰিম কোৰ্টত সেই হেয়াৰিঙত প্ৰথমটো Union Home Ministry য়ে তেওঁলোকক জনাব। আমাৰ ইয়াত লক হৈ থকা কাৰণে বহুতে biometric দিব নোৱাৰে তেওঁলোকৰ আধাৰ কাৰ্ড বিলাক হৈ থকা নাই। যাৰ কাৰণে হ'ল কি NRC ৰ hearing ত কথাটো place কৰিছিল নে নাই, চুপ্ৰিম কোৰ্টে কথাটো কেনেকৈ ল'লে আমি নাজানো। কিন্তু এতিয়ালৈ কেছটোৰ সমাধান হোৱা নাই আৰু সেই কাৰণে এতিয়া মই পুনৰবাৰ উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই অনুৰোধ জনাইছো ৰাজ্য চৰকাৰে যদি আগতে চিঠি লিখিছিল যিটো মোক Home Secretary য়ে ব্যক্তিগত ভাবে জনাইছিল। এতিয়া যাতে পুনৰ ৰাজ্য চৰকাৰে এইটো এটা ব্যৱস্থা লয় তাৰ বাবে আমাৰ অসম চৰকাৰৰ মুখ্য সচিব, আৰু গৃহ বিভাগৰ সচিবক পুনৰ reminder দিয়ে আৰু RGI

আৰু Union Home Ministry ৰ লগত যোগাযোগ কৰি এইটো যাতে এনচিয়োৰ কৰে। তাত যদি কিবা necessary affidavit দিব লগীয়া থাকে RGI আৰু Union Home Ministry ফালৰ পৰা চুপ্ৰিম কোৰ্টত যাতে তেওঁলোকে সেইটো দি হ'লেও চুপ্ৰিম কোৰ্টৰ পৰা পাৰ্মিশ্যন ল'ব লাগে NRC ৰ পৰৱৰ্তী hearing ৰ সময়ত সেই পাৰ্মিশ্যনটো কি প্ৰচেছত গ'লে সোনকালে ল'ব পৰা যাব, লৈ পেলাই যদি এই আধাৰৰ biometric ৰ ল'কটো সেই মানুহখিনিৰ খুলি দিয়া হয়, তেনেহ'লে এই লোক সকলে biometric দিলে আধাৰ কাৰ্ডটো হ'ব, হ'লে তেতিয়া অতি দৰিদ্ৰ মানুহ বিলাকে তেওঁলোকে PMGSY হিতাধিকাৰীৰ নিচিনা বা পানকাৰ্ড বা অন্যান্য সুবিধা বিলাক লাভ কৰিব। গতিকে উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক বিষয়টো দৃষ্টিগোচৰ কৰিলোঁ। ধন্যবাদ।

**माननीय উপাধ্যক্ষঃ** ধন্যবাদ। এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। NRC ত কিছুমান নাম থকা মানুহৰো biometric টো আধাৰ কাৰ্ড হোৱা নাই। কেৱল আধাৰ কাৰ্ড নথকা ব্যক্তিৰে নহয়, অন্যান্য কাৰ্ড থকা ব্যক্তিসকলৰো biometric টো আধাৰ কাৰ্ডত সোমোৱা নাই।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই যিটো বিষয় আনিছে এইটো অতি গুৰুত্বপূৰ্ণ বিষয়। এই ক্ষেত্ৰত আপুনিও যিহেতু এই কথাটোত সংযোগ কৰিছে। বহুত এনেকুৱা ব্যক্তি আছে যাৰ নেকি NRC ত নাম আহিছে। blcok কৰি থোৱাৰ কাৰণে বহু মানুহ এতিয়াও যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। এইটো আমিও উপলব্ধি কৰিছো। প্ৰথমে আমাৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী দাবী আৰু আপত্তি দাখিল কৰাৰ সময়ত, যি সকল নাগৰিক biometric টো গ্ৰহণ কৰা হৈছিল সেই সকলক আবেদনকাৰীৰ ভিতৰত আমাৰ মহামান্য উচ্চতম ন্যায়ালয় আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ সাপেক্ষে প্ৰস্তুত কৰা এখন SOP ৰ আধাৰত এইটো লক কৰি ৰখা হৈছিল। গতিকে লক কৰাৰ মূল বিষয়টো হৈছে আমাৰ ৰাজ্য চৰকাৰৰ নহয়। এইটো উচ্চতম ন্যায়ালয় আৰু কেন্দ্ৰীয় চৰকাৰৰ যিটো SOP কৰিছিল, সেই SOP ৰ আধাৰতে lock কৰা হৈছিল। ইয়াৰ পাছত এই বিষয়টো চৰকাৰে আমি উপলব্ধি কৰি দেখিলো যে, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়। সেয়েহে আমাৰ চৰকাৰে ২০২০ চনৰ ৪ নৱেম্বৰ তাৰিখে আমাৰ তেতিয়া মুখ্য সচিব জিষ্ণু বৰুৱা ডাঙৰীয়াই আমাৰ অজয় কুমাৰ ভাল্লা, কেন্দ্ৰীয় চৰকাৰ গৃহ বিভাগৰ সচিবলৈ এখন পত্ৰত লিখিছিল যে, from your view of the above may I request you to authorize RGI to share with ULVAI the date. The data of persons whose names already figured in the finally published NRC through secured the date, guideline and this will provide relief to such person, who ate presently depriving from getting their rights to identity গতিকে এই কথাষাৰ আমাৰ অসম চৰকাৰে উপলব্ধি কৰি যাতে Right to identily পায় আৰু তেওঁলোকে যাতে deprive নহয়, তাৰ কাৰণে অসম চৰকাৰে পত্ৰ প্ৰেৰণ কৰিছিলে ২০২০ চনত। ইয়াৰ পিছত আমাৰ নতুন চৰকাৰখন অহাৰ পিছত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰু আমাৰ বৰ্তমানৰ মুখ্য সচিব শ্ৰী জিষ্ণু বৰুৱা ডাঙৰীয়াই পুনৰ RGI লৈ এখন পত্ৰ লিখিছিল আৰু সেই পত্ৰখনটো গোটেই ঘটনাটো লিখাৰ উপৰিও এই কথাখিনি তাতো শেষৰ paragraph ত লিখিছিলে যে, Your view of the above, I would like to request you to bring the above problems to the notice of the Hon'ble Supreme Court. লৈ আনিব লাগে and test date

for the modification of SOP and SOP খন আমি modification কৰাৰ কাৰণে আমি RGIক আহ্বান জনাইছিলো, So that the date relating to those whose names figure in the final NRC should be shared with ULVI of the programme of issuance of the Aadhar Card be resolved যাতে আধাৰ কাৰ্ডৰ resolved কৰিব পৰা যায় তাৰ কাৰণে বৰ্তমান চৰকাৰখনে ইতিমধ্যে বিহীত ব্যৱস্থা গ্ৰহণ কৰিছে যদিও এতিয়ালৈকে RGI ৰ পৰা কোনো ধৰণৰ reply পোৱা নাই। গতিকে এই বিষয়টো আগন্তুক দিনত আমি পুনৰ পত্ৰ লিখিব লাগিব নহ'লে বহু সাধৰণ মানুহে যদি আধাৰ কাৰ্ড নাপায় বা আধাৰ লিংক নহয়, তেতিয়া হ'লে বাস্তৱত সাধাৰণ মানুহখিনিয়ে বহু অসুবিধাৰ সন্মুখীন হ'ব বুলি উপলব্ধি কৰি পুনৰ বাৰ আমি অসম চৰকাৰৰ জৰিয়তে RGI লৈ এখন reminder হওক বা পুনৰ এবাৰ অনুৰোধ জনোৱাৰ কাৰণে আমি আগন্তোক দিনত সিদ্ধান্ত গ্ৰহণ কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। কাৰ্য্যসূচী নং ৩। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ২৩/২ নং দফাৰ অধীনত নিম্নলিখিত সদস্য কেইগৰাকী নিম্নলিখিত বিভাগ সমূহৰ মাননীয় মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব। আমাৰ তিনি গৰাকী সদস্য আছে সন্মানীয় শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, শ্ৰী কৰিম উদ্দিন বৰভূঞা আৰু শ্ৰী অজয় কুমাৰ ৰায়। আপোনালোকৰ সময় ১৫ মিনিটকৈ আপোনালোকে তিনিটা বিষয় লৈছে আৰু এই তিনিটা বিষয়ত ১৫ মিনিট কেনেকৈ কয় ৫-৫ মিনিট ক'ব নে কেনেকৈ কয় মুঠৰ ওপৰত ১৫ মিনিটৰ ভিতৰত কথা ক'ব লাগিব। মই এতিয়া অনুৰোধ কৰিছো সন্মানীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমে আপোনাৰ জৰিয়তে উদ্যোগ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। তিতাবৰ সমষ্টিত হস্ততাঁত বস্ত্ৰ শিল্পত যথেষ্ট আগবঢ়া আৰু বিশেষকৈ তিতাবৰত বসবাস কৰা যিসকল জনগোষ্ঠীয় লোক আছে, তেওঁলোকৰ এৰি, মূগা, পাত পলু পোহাতো জীৱন শৈলী। এই ক্ষেত্ৰত আমাৰ চৰকাৰখনে বহুখিনি কাম কৰি, বিশেষকৈ মহিলা সকলক স্বৱলীকৰণৰ ক্ষেত্ৰত তেওঁলোক আগবাঢ়ি যাব পাৰে। তিতাবৰত যিখিনি চৰকাৰী ৰেচন পাম আছে, সেই ৰেচন পামত মূগা পুহিবৰ কাৰণে লক্ষীমপুৰ, গোলাঘাট, ধেমাজী আদিবোৰ জিলাৰ পৰা মানুহ মুগা পুহিবলৈ আহে। বৰ্তমান এই পাম বিলাকৰ অৱস্থা জৰাজীৰ্ণ, তাৰোপৰিও আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোৰ অনুৰোধ মৰ্মে এখন Sericulture college স্থাপনৰ বাবে ইতিমধ্যে **২২** কোটি টকা ধাৰ্য্য কৰিছিলে। কিন্তু আজি পৰ্যন্ত বিভিন্ন কাৰণত সেই কামটো হৈ উঠা নাই আৰু মই ব্যক্তিগত ভাৱে বহু সময় বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিছো। আজি মই এই সদনৰ মজিয়াত মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ যাতে এই কলেজখনৰ বাকী থকা কামখিনি অনতিপলমে সম্পূৰ্ণ কৰি দিয়ে।

আমাৰ এৰি পলুৰ লগত জৰিত যিসকল মহিলা আছে, এই ক্ষেত্ৰত মই অসম চৰকাৰক এটা আহ্বান জনাব খোজো, যিহেতু সকলোৱে জানো যে মহিলা সকলক স্বৱলীকৰণৰ অসমৰ চৰকাৰে ক্ষেত্ৰত যথেষ্ট জোৰ দিছে, এই ক্ষেত্ৰত বিভিন্ন সময়ত মোৰ ওচৰলৈ মহিলা সকল আহে, বিভিন্ন আৰ্থিক সাহাৰ্য্য বিচাৰি, চাকৰি বাকৰি বিচাৰি আহে, কিন্তু মই নিজে অনুভৱ কৰিছো বিগত কেইমাহত মহিলাসকলক লগ পাই, আমি সমগ্ৰ তিতাবৰৰ লগতে মহিলা সকলক, যিসকল বিশেষকৈ শিপিনী, আমি যেনেকৈ ছাত্ৰী বিলাকক স্কুটী দিছো, লেপটপ দিছো বা অন্যান্য সা-সুবিধা দিছো, তাৰ লগত যদি মহিলা সকলক যদি একোখনকৈ জেকাট মিচিন লগোৱা উন্নতমানৰ তাঁতৰ শাল দিয়াৰ ব্যৱস্থা

চৰকাৰে কৰে, মই ভাৱো যে সমগ্ৰ অসমৰ মহিলাসকল বিশেষকৈ শিপিনীসকল উপকৃত হ'ব আৰু ই স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত এটা খুব মহৎ পদক্ষেপ হ'ব, চৰকাৰখনেও এই ক্ষেত্ৰত যথেষ্ট কৃতিত্ব ল'ব পাৰিব আৰু অৰ্থনৈতিক দিশতো আমাৰ মহিলাসকলে বহুত আগুৱাই লৈ যাব পাৰিব। আপোনালোকে সকলোৱে জানে যে চাকৰি-বাকৰি কৰি দেশৰ অৰ্থনীতি আমি কেতিয়াও মজবুত কৰিব নোৱাৰিম। গতিকে আমাৰ একমাত্ৰ ৰাস্তা আছে যে আমাৰ ৰাজ্যখন উদ্যোগিক ভাৱে আগবঢ়াই লৈ যাব লাগিব আৰু এই উদ্যোগিকভাৱে যদি আগবঢ়াব পাৰো, মানুহখিনিক যদি উদ্যোগিক কৰিব পাৰো তেতিয়াহ'লে আমাৰ অৰ্থনীতিত যথেষ্ট লাভৱান হ'ম।

দ্বিতীয়তে, মই ক'বলৈ বিচাৰিছো যে উজনি অসমত যথেষ্টখিনি চাহ বাগান আছে। আজি চাহ বাগানৰ অৱস্থাটো খুব ৰুগীয়া হৈছে। ৰুগীয়া হোৱাৰ বহুতো ধৰণৰ কাৰণ আছে। মই দুটামান কথা অৱগত কৰিব খুজিছোঁ যে Manufacturing আগৰ কথা কবলৈ খোজা নাই, কিন্তু manufacturing পিছত, বিশেষকৈ Tea Board এটা নিয়ম আছে যে minimum 50% produced auction যোগেদি বিক্ৰী কৰিব লাগে। কিন্তু auction যোগেদি বিক্ৰী কৰিবলৈ হ'লে আমাৰ কিনোতা সকলেও চাহপাতখিনি কিনিব লাগিব। সেই কাৰণে মই এইটো আহ্বান জনাব বিচাৰিছো মাননীয় উপাধ্যক্ষ মহোদয়, যে আমি যদি minimum 60% চাহ auction যোগেদি কিনাতো বাধ্যবাধকতা কৰিব পাৰো, তেতিয়াহ'লে আমাৰ auction ৰ যিটো system ই প্ৰকৃতপক্ষে আমি সফল হ'ম। গতিকে কিনোতা সকলোকে ক'ব লাগে যে কমেও 60% চাহ auction যোগেদি কিনিব লাগিব। তেতিয়াহ'লে ৫০ শতাংশ মানুহে তাত চাহপাত পঠালে, তেতিয়া হলে বিক্ৰেটা সকলেও উপকৃত হ'ব, আৰু চাহ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম। এতিয়া যিটো minimum bench mark price ঠিক কৰিছে, সেই price টোত আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে যথেষ্ট বিপদৰ সন্মুখীন হৈছে। গতিকে এই বিষয়তো আপোনালোকে চালি-জাৰি চোৱাৰ এটা অৱকাশ আছে। মই আশা ৰাখিছো, মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে যথেষ্ট উদ্যোগ লৈছে, minimum bench mark price ৰ ওপৰত কিবা এটা ব্যৱস্থা ল'ব।

তৃতীয়তে, ধানৰ ক্ষেত্ৰত যিটো minimum support price ত ধান ক্ৰয় কৰিবলৈ আগবাঢ়িছো, এইটো এটা ভাল পদক্ষেপ, তাৰ লগত জৰিত বহুত যুৱক-যুৱতী আছে, তেখেতসকলক যদি mini modern rice mill দিয়াৰ ব্যৱস্থা কৰে, তেতিয়াহ'লে আমাৰ অসমৰ ধান অসমতে মিলিং কৰি বিক্ৰী কৰিলে অন্তত ৫০ শতাংশ যদি FCI য়ে ধান খিনি লয়, অসমৰ ধান অসমতে মিলিং কৰি আৰু অসমৰ মানুহে PDS ৰ system ত চাউলখিনি ইয়াতে বিক্ৰী কৰিব পাৰিব, তেওঁলোকে বহুক্ষেত্ৰত আগুৱাই যাব। আপোনালোকে জানে যে আমাৰ বহুতো মিটিং হৈ গৈছে, চৰকাৰে যথেষ্টখিনি স্বাৱলীকৰণ কৰিবলৈ উৎসাহ জনাইছে। আগৰ খেতি কৰিবলৈ যাওঁতে ইয়াৰ লগত এটা কুটিৰ শিল্পৰ লগতে ঘৰুৱা উদ্যোগ এটা হ'ব পাৰে। এই ক্ষেত্ৰত চৰকাৰে যদি কিবা সহযোগ দি আমাৰ যুৱক -যুৱতী সকলক আগৰৰ তেল extract কৰাৰ ক্ষেত্ৰত কুটিৰ শিল্পৰ দিশত আগুৱাই দিয়ে, তেতিয়া হলে আমাৰ বহুত কৃষসকলৰ উপকাৰ হ'ব। চাহৰ ক্ষেত্ৰত মই আৰু এটা কথা কৈছো, চাহ দাম আমি যদি stabilize কৰিবলৈ হয়, তেতিয়া হলে আমাৰ যিটো import আছে, সেইটো বন্ধ কৰিব লাগিব। আৰু অসমৰ চাহৰ popularity আনিবলৈ হ'লে আমি অসমৰ চাহ অসমতে পেকিং কৰি দিব লাগিব। অসমৰ চাহ পেকেটত যদি বাহিৰৰ চাহ পাত সোমাই আৰু produce of Assam বাহিৰত বিক্ৰী নহয়, তেতিয়া হলে আপোনালোকে বাহিৰলৈ গ'লে ভাল চাহ খাবলৈ নাপাব। পাণ্ডুঘাটত আপোনালোকে এটা special incentive দি এটা export

hub হিচাপে গঢ়ি তোলক অসমৰ, যাতে আমি পাণ্ডু ঘাটৰ পৰা ৰপ্তানি কৰিব আৰু সেই ৰপ্তানিৰ ক্ষেত্ৰত আমাক যদি কিবা ইঞ্চেনটিভ দিয়া যায় মই ভাবো পাণ্ডু ঘাটৰ যথেষ্টখিনি উন্নতি হ'ব । চৰকাৰে বহুখিনি ৰাজহ পাবলৈ সক্ষম হ'ব । ইয়াৰ পিছৰ পৰ্য্যায়ত মই PWD ৰ কেইটামান কথ ক'বলৈ আছিল। এই বিষয়ে মই দুটামান কথা আগবঢ়াইছো । তিতাবৰ অঞ্চলৰ মাজেৰে আমাৰ ঐতিহাসিক ধদৰ আলি গৈছে। কিন্তু ধোদৰ আলিৰ মাজৰ যিটো পাৰ্ট অসম মালাক মাজত অন্তৰ্ভুক্ত হৈ আছে যদিও কামটো আগবঢ়া নাই । মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ধোদৰ আলিৰ যিটো কৰিড'ৰ সেই কৰিদ'ৰত ৩৫ কিলোমিটাৰ ৰাস্তা সেই কামটো অনতিপলমে এই চেচনৰ ভিতৰতে কামখিনি কৰি দিলে আমাৰ ৰাইজ বহুখিনি উপকৃত হ'ব। তিতাবৰ অঞ্চলত যান-বাহনৰ এটা ডাঙৰ সমস্যা আছে। ২০১২-১৩ চনতে চৰকাৰে বাইপাছ বনোৱা সিদ্ধান্ত লোৱা হৈছিল । বিভিন্ন কাৰণত এই বাইপছৰ কামতো ৰৈ আছে । মহোদয়ে এই ক্ষেত্ৰত বাইপছৰ ফাইল খুলি বাইপাছৰ কামখিনি কৰি দিলে তিতাবৰৰ লগতে মৰিয়নীৰ বিধায়ক এই মুহুৰ্তত ইয়াত নাই কিন্তু এই বাইপাছ যদি কাকোদঙা ব্ৰীজৰ পৰা লৈ মৰিয়নী পাৰ কৰি লৈ যায় তেতিয়াহ'লে তিতাবৰৰ লগতে মৰয়নীবাসীৰ উন্নতি হ'ব । কিয়নো আমাৰ এইটো লাইফ লাইন। PWD ৰ ক্ষেত্ৰত বহুখিনি কাম বিভিন্ন সময়ত আমাৰ ৰৈ যায়। আমাৰ যিটো প্ৰাককলন বনাই তাৰ লগত যিমান ষ্টেকহল্ডাৰ আছে যেনেকৈ ASEB, Gas Pipeline, Water pipeline এই পানীৰ পাইপ লাইন ৰাস্তাৰ কাষত পুতি দিয়াৰ ফলত কি হয় যেতিয়া ৰাস্তা বনাবলৈ যায় বিভাগীয় মানুহ আহে আৰু কাম বন্ধ কৰিব লগীয়া হৈ যায়। পাইপ ফাটি যায়, Electricity board ৰ লাইন বিলাকৰ সমস্যা হয়। বিশেষকৈ যিটো ২ লাইন বুলি কয়। ৰাস্তাটো নামি গৈ যদি সেই কাম বিলাক কৰা হয় ভৱিষ্যতে widening কৰিবলৈ হ'লেও ৰাস্তা বনোৱাৰ ক্ষেত্ৰত বহুখিনি সুবিধা হ'ব । সময় যিহেতু কম কিন্তু কেইটামান কথা ক'ব লগীয়া আছিলে । PWD ৰ বিষয়ে আমাৰ তিতাবৰৰ কেইটামান ৰাস্তাৰ নাম কৈছো- বঙালী গাওঁ ৰ পৰা ন' আলি, ৰূপেশ্বৰ শইকীয়া পথত, চেৰেলী পথাৰ ৰাস্তা, বৰুৱাজান ৰ পৰা চংুগি ৰ'ড, লহন কছাৰী চাৰি ৰ'ড, আঠ খেলীয়া নামঘৰ ৰ'ড, হাতীপাৰা এছ চি পি ৰ'ড, অজয় নগৰ ৰ'ড এই ৰাস্তা বিলাকৰ অৱস্থা অতি জৰাজীৰ্ণ গতিকে মই লোকনিৰ্মান বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আহ্বান জানাইছো যে এই ৰাস্তা কেইটা অনতি পলমে বনোৱাৰ ব্যৱস্থা কৰে আৰু লোকনিৰ্মান বিভাগ বৰ্তমানৰ সহকাৰী অভিযন্তাকে আদি কৰি যিখিনি ফিল্ড ষ্টাফ গোটেই অসমতে কম হোৱাৰ কাৰণে কামৰ quality ভালকৈ চাব নোৱাৰা হৈছে যাৰ কাৰণে কাম নিম্ন গতিত ধাৱমান হৈছে । এই ক্ষেত্ৰত মই চৰকাৰক আহ্বান জনাইছো যে আমাৰ লোকনিৰ্মান বিভাগৰ এই পদ বিলাক অতি সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে । ইয়াৰ পিছত মই কৃষি বিভাগলৈ আহিছো, আজি মন্ত্ৰী মহোদয় ইয়াত উপস্থিত আছে, তেখেতক মই দৃষ্টি আৰ্কষণ কৰিব খুজিছো । এতিয়া আমি যিটো নিয়ম মূল্যত ক্ৰয় কৰিব পাৰিছো তাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো, যে আজি আমাৰ যোগান বিভাগৰ মন্ত্ৰী আছে, আমাৰ নুন্যতম মূল্যত কৃষকে পাবলৈ ঠিক আৰম্ভ হ'ব। কিন্তু এই ক্ষেত্ৰত এটা আসোঁৱাহ আহিছে, যিহেতু কেৱল মাটিৰ পট্টা থকা মানুহখিনিয়ে ধান বিক্ৰী কৰিব পাৰে মাটিৰ পট্টা নথকা মানুহ গাওঁবিলাকত বহুত আছে। Ceiling surplus আমাৰ খেতিয়ক আছে। Ceiling surplus ত যি সকলে খেতি কৰিছে, তেওঁলোকক যাতে মাটিৰ Land holding Certificate এখন দিওঁ, যাতে FCI য়ে বা যি Food & Civil Supply Coorporation Limited আছে, তেওঁলোকে যাতে ধানটো লয়, তাৰ আপোনালোকে এটা ব্যৱস্থা কৰিব লাগে। কাৰণ এইটো খেতিয়কৰ উপকাৰৰ কাৰণে । তেওঁ ক'ত খেতি কৰিছে কি

কৰিছে ইমানখিনি চোৰা-চিতা নকৰি অকনমান যাতে নিয়মটো শিথিল কৰে, তেতিয়া কৃষকসকল সচাঁ অৰ্থত উপকৃত হ'ব। আৰু এটা মই কথা কওঁ যে, ইউৰিয়াসাৰৰ কথা ইতিমধ্যে এজন বক্তাই কৈছে যে, আমাৰ ইউৰিয়াটো গোটেই ভাৰততে, বিভিন্ন ৰাজ্যত, মোৰ বন্ধু-বান্ধৱৰ পৰা মই খবৰ পাইছো, ইউৰীয়া সাৰৰ আমাৰ চৰ্টেজ আছে। কিন্তু মই আশা ৰাখিছো ২০২২ চনত আমাক যিখিনি ইউৰিয়া লাগিব, সেই ইউৰিয়াখিনি যাতে আমি সময় মতে পাওঁ, বেগত যিটো প্ৰিন্টেড প্ৰাইজ, manure ৰ বাহিৰে, fertilizer ৰ বাহিৰে, ভাৰতত প্ৰত্যেকটো বস্তু পেকেটত লিখা দামত পোৱা যায়, কিন্তু fertilizer টো পোৱা নাযায়। সেইটো কিয় নাপায়? এই বিষয়ে মই ডিটেইলচত নকওঁ। আপোনালোকে খোচৰিলে গম পাব কিয় কৃষকে প্ৰিন্টেড প্ৰাইজত বস্তুটো নাপায়। এই বিষয়ে আপোনালোকে নিজেই চিন্তা-চৰ্চ্চা কৰিব। এই ক্ষেত্ৰত মই ভাবো, যিহেতু আমি সকলোৱে অৰ্গেনিকৰ ফালে, জৈৱিক সাৰত আমি জোৰ দিয়াটো ভাল, সেইকাৰণে কিবা কৰিব পাৰি নেকি ? যিহেতু মই ব্যক্তিগত বাৱে এজন কৃষক আৰু মোৰ ঘৰতে ভাৰ্মি কম্পোজ প্লান্ট আছে, মই ঘৰতে বহু ডাঙৰ ডাঙৰ ভাৰ্মি কম্পোজ কৰিছো। আমাৰ গৰুৰ মূতৰ পৰা, কেচুৰ ৰসৰ পৰা সাৰ প্ৰস্তুত কৰা মই বহুখিনি কাম কৰিছো। এই ক্ষেত্ৰত আমাৰ যুৱক-যুৱতী সকলক, খেতিয়ক সকলক যদি আমি আগ্ৰহান্বিত কৰিব খোজো, তেতিয়া আপোনালোকে অৰ্থাৎ অসম চৰকাৰে যাতে কিবা এটা incentive দিয়াৰ ব্যৱস্থা কৰে যে, যি জৈৱিক সাৰ ব্যৱহাৰ কৰিব initial অৱস্থাত ব্যৱহাৰ কৰিব, তেওঁলোকক চৰকাৰে এটা অনুদান দিব। প্ৰত্যেক ঘৰে ঘৰে বা প্ৰত্যেক ঠাইত আমি গৈ চেক কৰি প্ৰতিবেদন দিওঁ, গাওঁবুঢ়া বা ৱাৰ্ড সদস্যক, যে কোনে কোনে জৈৱিকসাৰৰ একোটা একোটা কিট বনাইছে। তেনেকুৱা ধৰণৰ আমি যদি সূক্ষ্ম লেভেলত গৈ কামখিনি কৰো, মই ভাবো যে অসম এটা সময়ত গৈ ছিকিমৰ নিচিনা হ'ব। কিন্তু তাৰ কাৰণে আমি কোনোবাখিনিত প্ৰথম পদক্ষেপটো আৰম্ভ কৰিব লাগিব। আজি বিধান সভাৰ মজিয়াত মই আপোনালোকক আহ্বান কৰিছো, অসমখনত যাতে আমি ভৱিষ্যতত জৈৱিক সাৰ ব্যৱহাৰ কৰি, বিভিন্ন শাক-পাচলিৰ পৰা আৰম্ভ কৰি ধান খেতিলৈকে কৰিব পাৰো। এইখিনিতে মই এটা কথা কৈছো, এটা মোৰ অভিজ্ঞতা, কৃষি মন্ত্ৰী মহোদয়ে জানে, Agriculture University ত আমি এটা International Rice Research Station স্থাপন কৰিবৰ কাৰণে আহ্বান জনাইছিলো। অসম কৃষি বিশ্ববিদ্যালয়ে এই বিষয়ত সন্মতি জনালে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২০০ কোটি টকাৰ এটা পেকেজ দিয়াৰ কথা ঘোষণা কৰিছিল। ৪০ কোটি টকা তেওঁলোকে ধাৰ্য্য কৰিলে, এইটো কিন্তু কৰক। মই এইটো কৈছো, যে যদি আমি কাতি আৰু আঘোণৰ মাজভাগত খেতিখিনি চপাব পাৰো, তাৰ পৰৱৰ্তী পৰ্য্যায়ত আমি ঘেঁহু খেতি কৰিব পাৰো। ঘেঁহু খেতিটো ধান খেতিতকৈ বহুত সহজ কৰিবলৈ। আমি যদি নবেম্বৰৰ ১৫ তাৰিখৰ ভিতৰত ঘেঁহুখিনি পথাৰত সিঁচি দিব পাৰো, তেতিয়া আমাৰ কৃষকে দুটা শস্য পাব। খেতিও ভাল হ'ল লগতে ঘেঁহুও খাবলৈ পালে। আপোনালোকে এতিয়া বজাৰৰ পৰা যিবোৰ ঘেঁহু খাইছে, সেই ঘেঁহু সোৱাদটো আপোনালোকে কেতিয়াও পোৱা নাই। কিন্তু আমাৰ ঘৰত যিটো ঘেঁহু উৎপাদন কৰি যি আটা খাইছো, আমাৰ ঘৰলৈ যদি কোনো মাননীয় সদস্য যায়, মোৰ ঘৰত ঘেঁহু আছে, কুঁহিয়াৰ খেতি আছে, তাৰ সোৱাদেই বেলেগ। গতিকে এই বিষয়ে আপোনালোকে মন্ত্ৰীসভাত অলপ আলোচনা কৰক, এই Rice Research Station টো কিন্তু খুব জোৰ দিয়ক আপোনালোকে। কাৰণ যেতিয়ালৈকে গৱেষণা ন'হব, কোনো ক্ষেত্ৰত আমাৰ দেশখন বা ৰাজ্যখন আগুৱাই যাব নোৱাৰে। আপোনালোকে সোনকালে ধান হোৱা এটা বীজ, এইটো গৱেষণা হ'ব লাগিব। ইমান সোনকালে এইটো ন'হব। আমাৰ যিহেতু ইয়াত যথেষ্ট বৰষুণ

হয়, গতিকে ঘেঁহু আৰু ধান খেতি দুয়োটা কৰাতকে, এটা আমি ধান খেতি কৰো আৰু এটাত আমি ঘেঁহু খেতি কৰো, আৰু ঘেঁহু অসমত, অন্ততঃ আমাৰ তিতাবৰত ইমান সেমেকা এটা জলবায়ুত, তাত মাটি তিতিয়ে থাকে । কিন্তু তাতো মই গত বহু বছৰ ধৰি ঘেঁহু কৰি আহিছো। ৰাস্তাৰ কাষতে আছে আপোনালোকে সেইফালে গলেও দেখিব, খুব সুন্দৰ ঘেঁহু হৈছে। গতিকে ঘেঁহু খেতিৰ বাবে চেষ্টা কৰিবৰ কাৰণে মই কৃষি মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ- ধন্যবাদ এতিয়া মাননীয় সদস্য শ্রী কৰিম উদ্দিন বৰ ভূএগ্রা।

**শ্রী কৰিম উদ্দিন বৰভূএগ্রা (সোণাই)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, প্রথমতে মই ধন্যবাদ জনাইছো, মোৰ সমষ্টিৰ কেইবাটাও গুৰুত্বপূর্ণ বিষয় বিধান সভাৰ মজিয়াত ধাণ্ডি ধৰিবৰ বাবে সুবিধা দিয়াৰ কাৰণে। প্রথমতে Health Deptt. ৰ কিছুমান issue আছে মোৰ সমষ্টিৰ । কাৰণ মোৰ সমষ্টিত শিলচৰ মেডিকেল কলেজখন আছে। এইখন কেৱল মোৰ সমষ্টিৰে নহয়, গোটেই বৰাকভেলী আৰু চুবুৰীয়া ৰাজ্য ত্রিপুৰা, part of Manipur, আৰু জিৰিবাম পাৰ্ট আৰু মিজোৰামৰ কলাচিব পাৰ্ট, এই তিনিওখন ৰাজ্যৰ পৰাও ৰোগীসকল আমাৰ শিলচৰলৈ আহে। infrastructure ৰ বিশেষ কোনো development হোৱা নাই, এই মুহূৰ্তত কাম চলি আছে ৫০০ বিছনাযুক্ত এখন চিকিৎসালয়ৰ। কিন্তু last one and half year ত মাত্র ২২% কাম হৈছে। মুল ইছ্যুটো হৈছে যে, এই যিখন ৫০০ বিছনাযুক্ত চিকিৎসালয়ৰ কাম চলি আছে, লগতে up-gradation চলি আছে । এইটো অতি সোনকালে সম্পুৰ্ণ কৰিব লাগে, লগতে যিখন আমাৰ কেঞ্চাৰ হস্পিতাল হৈছে, সেই একেদিনাই আৰম্ভ হৈছিল। সেইখন progress 55% আৰু এইখনৰ progress 22% । এইটো মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো যাতে তাৰ কাৰণে ষ্টেপ ল'ব লাগে। মই নিজকে ভাগ্যৱান বুলি ভাবো, সোণাইৰ নিচিনা এটা সমষ্টিৰ প্রতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছো। কাৰণ এইখন সমষ্টিতে অকল মেডিকেল কলেজ নহয়, NIT খনো আছে, এখন Central University ও আছে আৰু এই যিটো infrastructure, তাৰ original founder আমাৰ এই সমষ্টিৰ এটা সময়ত প্রতিনিধিত্ব কৰাৰ, মৰহুম মইনুলাল চৌধুৰী চাহাব, তেওঁৰ আমোলতে NIT শিলচৰ তেতিয়া Regionec Engineering College আছিল, আৰু মেডিকেল কলেজখন, এই দুয়োখন তেওঁৰেই স্থাপন কৰা। তেওঁৰ কাৰণে connectivity হৈছিল, সুবিধা হৈছিল, develop হৈছিল কাৰণে তাতে পিছত পিছত Central University খনো স্থাপন কৰাৰ এটা সুবিধা পাইছিল। এইকাৰণে মই আমাৰ মেডিকেল কলেজখনৰ infrastructure development ৰ লগতে শিলচৰ মেডিকেল কলেজখনৰ নাম মই প্রয়াত নেতা মইনুলাল চৌধুৰী চাহাবৰ নামত নামাংকিত কৰাৰ কাৰণে স্বাস্থ্য মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাইছো আৰু সৰু এটা ইছ্যু আছে, আমাৰ মেডিকেল কলেজখনৰ দুখন গেট আছিল, এখন front side ত আৰু এটা back side ত, দুটা ৰাস্তা আছিল। কি কাৰণে নাজানো, যোৱা ডেৰবছৰ আগতে এখন গেট বন্ধ কৰি দিয়া হৈছে, যাৰ কাৰণে আমাৰ সমষ্টিত আৰু পৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ সমষ্টি ঢলাই আৰু সোনাইৰ মানুহখিনি এতিয়া টাউনৰফালে ঘুৰি আহিব লাগে। যাৰ কাৰণে আজি শিলচৰ টাউনত ট্রেফিক জাম সদায় হৈ থাকে। এই কাৰণে মই এই পিছৰ গেটখন খুলি দিয়াৰ কাৰণে স্বাস্থ্যমন্ত্রী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিছো। ইয়াৰোউপৰি আমাৰ সোনাইত এখন হস্পিতাল আছে। কাছাৰৰ মাজত সকলোতকৈ ডেলিভাৰী ৰেট সোনাই হস্পিতালৰ বহুত বেছি, পুৰণা হস্পিতাল। মই চৰকাৰক অনুৰোধ কৰো যে এই হস্পিতালখন ৩০ খন বিছনাযুক্ত হস্পিতাল হিচাপে ৰূপান্তৰিত কৰিব লাগে। তাৰ লগতে আন

এটা ইছ্যু আাছে, আমাৰ এখন মডেল হস্পিতাল, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই হস্পিতালখন কঠিদৰং মডেল হস্পিতাল বুলি তেওঁ স্বাস্থ্যমন্ত্ৰী হৈ থাকোতে কৰিছিল। কিন্তু এখন মডেল হস্পিতালৰ যিখিনি infrastructure থাকিব লাগে, সা-সুবিধা থাকিব লাগে, আজিলৈকে সেইখিনি পৰ্য্যাপ্ত পৰিমাণে হোৱা নাই, যাৰ কাৰণে model hospital হৈয়ো এখন sub-center ৰ নিচিনাকৈ চলি আছে। সেইখনৰ up-gradation ৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো আৰু আমাৰ দুটা sub-centre আছে, এখন আমাৰ চাহ বাগিচা অঞ্চল, আমাৰ এটাই চাহ বাগান আছে শিলগুৰি । এই শিলগুৰিত এটা sub-centre আছে। তাৰ মেৰামতি আৰু up-gradation এইখনো মই ১০ খন বিছনাযুক্ত এখন হস্পিতাললৈ up-grade কৰাৰ কাৰণে অনুৰোধ জনাই আছো। সোনাৰীত এখন হস্পিতাল আছে, সেইখনো ১০ খন বিছনাযুক্ত হস্পিতাল কৰাৰ কাৰণে অনুৰোধ জনাইছো। আমাৰ ন্যাৰগ্ৰাম বাঘপুৰ আৰু বাদ্ৰিপাৰ ত এটা অঞ্চল আছে, আমাৰ সমষ্টিত তাত প্ৰায় ৪০,০০০ ওপৰত জনসংখ্যা আছে। এই অঞ্চলটো লৈ আমাৰ উদাৰবন সমষ্টিৰ এটা part আছে, দুটা G.P, এই ঠাইত কোনো হস্পিতাল, sub-centre নাই, সেই কাৰণে মই ন্যাৰগ্ৰাম বাঘপুৰ পইন্টত, বাইপাছ হৈ আছে, তাত connectivity within two years complete হ'ব। সেই কাৰণে তাত এখন হস্পিতাল কৰাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। এইখিনি কথা আমাৰ স্বাস্থ্যবিভাগৰ যিখিনি মেজৰ প্ৰব্লেম, সেইখিনি ক'লো। যিখন মেডিকেল কলেজ তাত কনষ্ট্ৰাকশ্যন হৈছিল। আজিৰ পৰা তিনি বছৰ হৈ গ'ল আৰম্ভ হোৱা। কিন্তু লিফ্ট চাৰিটা এতিয়াও হোৱা নাই। Existing medical college খনৰ পাঁচশ বিচনাযুক্ত হস্পিতাল চলি আছে তাৰ লগত আমাৰ চাৰিখন লিফ্ট আছে, প্ৰভিজন আছে, কিন্তু লিফ্ট নাই। এইটো এটা major issue লগতে মেডিকেল কলেজখনৰ সৰু কিন্তু গুৰুত্বপূৰ্ণ সমস্যা এটা আছে। Fire fighting system টো শিলচৰ মেডিকেল কলেজত নাই। মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে মেডিকেল কলেজৰ Fire fighting system টো অন্ততঃ অতি সোনকালে কৰিব লাগে আৰু ৰোগীসকল আৰু জ্যেষ্ঠ নাগৰিক সকলৰ কাৰণে অন্ততঃ দুখন লিফ্টৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। আন এটা অনুৰোধ হৈছে পি ডব্লিউ ডিৰ ক্ষেত্ৰত। পি ডব্লিউ ডিৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক প্ৰথমতে মই ধন্যবাদ জনাইছো। প্ৰথম দিনা মই এটা সুযোগ পাইছিলো ইয়াত কথা ক'বলৈ ৰাজ্যপালৰ ভাষণৰ ডিবেটৰ ওপৰত। এতিয়া মই দুই তিনিটা issue highlight কৰিছিলো, তাৰ মাজত মোৰ তাত এখন ব্ৰীজ আছিল লগতে আৰু আন তিনিখন ব্ৰীজ আছে, যিবিলাক ব্ৰীজ সম্পূৰ্ণভাৱে বৰাক নদীৰ ওপৰত, approach নাছিল। মই এই কাৰণে ধন্যবাদ জনাব বিচাৰিছো আজি এই গোটেই কেইখন ব্ৰীজত including মোৰ বদ্ৰী ব্ৰীজখনৰ ইতিমধ্যে টেণ্ডাৰ হৈ গৈছে আৰু মই এটা issue highlight কৰিছিলো। Silchar bypass incomplieted part সেইখিনিও মই কৰিলো, কিন্তু কাম expedite হৈছে ঠিকাদাৰ, বিভাগক লৈ যোৱা মাহত যিখিনি ROW (Right Of Way) problem আছিল সেইখিনি আমি resolve কৰি দিছো। মোৰ যিটো assessment within month এইটো complete হ'ব। লগতে মই কেইবাটাও আৰু highlight কৰিব বিচাৰো। মোৰ constituency ৰ ওপৰত যিখন পবিত্ৰ শিৱ মন্দিৰ আছে, তাত যোৱাৰ একমাত্ৰ road হ'ল Sonai Constituency ৰ মাজেদি যাব লাগে। যেতিয়া শিৱৰাত্ৰিত সকলো মানুহ যায় ইমান ট্ৰেফিক হয় কাৰণ আমাৰ সোনাবাৰী ঘাটৰ পৰা ভূৱন পাহাৰলৈকে যি ৰাস্তা সোনাইমতী নগৰ ৰোডেই হওঁক বা আন ৰোডেই হওঁক, সেইখিনি single lane. এটা part double lane মই এইটো অনুৰোধ জনাইছো পি ডব্লিউ ডি তথা

মুখ্যমন্ত্রী ডাঙৰীয়াক যে সোনাবাৰী ঘাটৰ পৰা ভুৱন পাহাৰলৈকে ৰাস্তাটো four lane কৰিব লাগে এইটো NH 54 ৰ পৰা আৰম্ভ হ'ব। লগতে এখন bypass bridge লাগে সোনাইত। যাতে সকলোৱে অনায়াসে সময়ত গন্তব্যস্থানলৈ যাব পাৰে আৰু ভুৱন পাহাৰৰ শিৱমন্দিৰৰ ক্ৰেচটো দিনে দিনে ইমান বাঢ়ি আছে,তাত আন্তঃগাঁথনি আৰু উন্নয়নৰ বাহিৰে আমাৰ কোনো উপায় নাই। শ্ৰীপৰিমল শুক্লবৈদ্য ডাঙৰীয়া, তেওঁৰ constituency ত মন্দিৰটো আছে। তেওঁ ক'ব পাৰিব আৰু NH 54 ৰ ঢলাই পইণ্টৰ পৰা কচুদৰং হৈ সোনাইমতী নগৰ ৰোডটো double lane কৰিব লাগে আৰু লগতে হাতীগাল ব্ৰীজখন double lane bridge কৰিব লাগে single bridge ৰ পৰা। পি ডব্লিউ ডিৰ এইখিনি কাম কৰিলে আমাৰ শ্ৰদ্ধাৰ লোকসকল যোৱাৰ সুবিধা হ'ব। লগতে ভাৰতমালাৰ অধীনত এটা পাৰ্ট যিটো Silchar bypass ৰ এটা পাৰ্ট কাশীপুৰৰ পৰা সোনাবাৰী ঘাট ইতিমধ্যে ডি পি আৰ সম্পূৰ্ণ হৈছে, চাৰ্ভে সম্পূৰ্ণ হৈছে কিন্তু শ্ৰীপৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ দৃষ্টিত আছে। সোনাবাৰী ঘাটৰ পৰা কলাশিৰলৈকে যিটো পাৰ্ট তেওঁৰ constituency ৰ ১২ কিলোমিটাৰ forest area সোমাইছে তাত। এই ১২ কিলোমিটাৰ ফৰেষ্টৰ এন.অ' চি নোপোৱাৰ কাৰণে গোটেই কাশীপুৰৰ পৰা ভাৰতমালা সেই পাৰ্টটো একেলগে টেণ্ডাৰ কৰিব নোৱাৰা হৈছে। মই অসম চৰকাৰক মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক অনুৰোধ কৰিছো যে, অন্ততঃ কেন্দ্ৰীয় চৰকাৰক এটা অনুৰোধ কৰিব লাগে যি ডি পি আৰৰ পাৰ্টটো ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু চাৰ্ভে এষ্টিমেট সম্পূৰ্ণ হৈছে, সেই পাৰ্টখিনিক এটা পাৰ্ট হিচাপে অন্ততঃ টেণ্ডাৰ কৰিলে এখন ব্ৰীজ সম্পূৰ্ণ হ'ব বৰাকৰ ওপৰত সোনাবাৰীঘাটত লগতে fore lane ৰাস্তাটো সম্পূৰ্ণ হ'ব। তেতিয়া শিলচৰ টাউনৰ মেজৰ ট্ৰেফিক সমস্যা সেইখিনি সামাধান হ'ব। দুটা কথা আৰু যে আজি শ্ৰীপৰিমল শুক্লবৈদ্য ডাঙৰীয়া constituency হওঁক বা মোৰে constituency হওঁক আমাৰ শিলচৰৰ জনসংখ্যাৰ মেজৰ যিটো ট্ৰেফিক সমস্যা হয়, সেইটো আমাৰ দুটা constituency ৰ পৰা। সেই কাৰণে দুখন ফ্লাই অ'ভাৰ অত্যন্ত জৰুৰী। এখন হৈছে সোনাবাৰী ঘাটত আৰু আনখন ৰাংৰিঘাট পইণ্টত এখন ফ্লাই অ'ভাৰ লাগে। শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়াই মোৰ প্ৰশ্নৰ ওপৰত এটা উত্তৰ দিছিল যে, শিলচৰৰ ফ্লাই অ'ভাৰৰ fisibility লৈ এটা ৰিপোৰ্ট দিছিল। তাৰপাছত মই academically NIT ৰ civilian professor সকলৰ লগত কথা পাতি কৈছিলো যে আপোনালোকে এটা ৰিপোৰ্ট দিয়ক। তেওঁলোকে NIT ৰ non-officially report ত ৰাংৰিঘাৰীত এটা ফ্লাই অ'ভাৰ অনায়াসে হ'ব পাৰে আৰু সোনাবাৰী ঘাটত এখন হ'ব পাৰে। এই দুখন ফ্লাই অ'ভাৰ হ'লে অন্ততঃ শিলচৰত ট্ৰেফিকখিনি কম হ'ব, আমাৰ ৰোডখিনি originally এইটো narrow road. মোৰ অনুৰোধ থাকিব অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়ালৈ যে এই দুখন ফ্লাই অ'ভাৰ অন্ততঃ অহা দুবছৰৰ ভিতৰত কৰিলে তেতিয়া শিলচৰৰ ট্ৰেফিক কণ্ট্ৰোল হ'ব আৰু connectivity ভাল হ'ব লগতে Medical, NIT, Central University লৈ যোৱা ৰাস্তা এটাই। তৃতীয়তে হ'ল পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মোৰ ভাগ্য ভাল যে মন্ত্ৰী মহোদয় সদনত আছে। অসমৰ ভিতৰত সোনাইত সকলো নাম আছে। আমি Public Account Committee য়ে কেবাখনো জিলা ভিজিট কৰিছো। তাৰ মাজত অন্ততঃ ১০ টা পৌৰ ব্লকৰ ৰোড আমি ভিজিট কৰিছিলো। তিনিটাৰ কোনো existence নাই, তাৰ মাজত এটা মন্দিৰৰ ৰাস্তাও আছে। শ্ৰীমানৰ ডেকা ডাঙৰীয়াও আছিল। তেওঁলোকেও গৈ চাইছে। তাত এটা মন্দিৰৰ ৰাস্তা ১০০ শতাংশই নাই। মই চালো supplier and vendor school হয়, চাৰি-পাঁচজন যোৱা পাঁচ বছৰত 85 crores ৰ supply কৰিছে। Pavers Block other sup-

ply, material supply আৰু গোটেইখিনি shortage খিনি মই কোৱা নাই। shortage বাদ দি গোটেইখিনি ১০০ শতাংশই নাই। তেনেকুৱাও চাপ্লাই আছে। আমি পি এ চি কমিটীৰ পৰা এটা পৰামৰ্শ দিছিলো, ডি.চি চি অ'ক একশ্যন হোৱাৰ কাৰণে আমি লিখি দিছিলো। আনকি আমি last action লোৱাৰ কাৰণে আমি আকৌ লিখি দিছো চি অ' ক action লব লাগে। পি এ চি কমিটি প্ৰিঞ্চিপাল চেক্ৰেটাৰীক এচেম্বলীৰ পৰা লিখা হৈছে। মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে যিকোনো কাৰণে আপোনালোকে action লোৱা নাই মই নাজানো, কিন্তু ইয়াৰ কাৰণে সৰু সৰু grassroot ৰ মানুহবিলাকে কৈ আছে যে, এই চৰকাৰৰ specific case in case of shortage supply, in case of pavers block ৰ ৰাস্তা, এইবিলাকৰ construction ৰ কামত যেতিয়া 100% নাই সেইবিলাকক public domain ত অহাৰ পিছত পুলিচ কেছ হোৱাৰ পিছতো কিয় সেইবিলাক মানুহৰ ওপৰত একস্যন নহয়, মই মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰি আছো আপুনি অতি সোনকালে kindly action লওঁক। অন্ততঃ চৰকাৰৰ screen বচাবৰ কাৰণে আৰু আমাৰ পি এন আৰ ডিত যদিও মোৰ constituency favourance ত গোটেই অসমৰ কথা কৈ আছো allocation fund টো কৰা হৈছে। Suppose মোৰ ব্লকত 39 crores. Sixteen lakh আপোনালোকে ফিস্ক কৰি দিছে। এইটো হ'লে আমাৰ 43 crores হয় expenditure., 2021, 2022 ত কৰিব লাগে। Accordingly আমাৰ scheme লোৱা হৈছে। তাত কোনো breakup দিয়া নাই যে মাহে কিমান আপোনালোকে পেমেণ্ট কৰিব। কাৰণ এইটো never ending project হৈ থাকে। 2016-17, 2017-18, 2018-19, 2019-20, 2020-21, five years ৰ স্কীম এতিয়াও incomplete position ত হৈ আছে। এতিয়াও ইনকমপ্লিট হৈ আছে আৰু এটা বস্তু মই একাডেমিকলৈ চালো যে এই বিভাগৰ আঁচনিত যিমান পুখুৰী খন্দা হৈছে তাত যিমান মানুহ আছে তাতকৈ বেছি পুখুৰী খন্দা হৈছে। এই বস্তুটো Fixed কৰিব লাগে যে Material Proportion আৰু Wages Proportion. Wages means পুখুৰী খন্দা আৰু MI বান্ধ নহয়। এটা নিৰ্দ্দিষ্ট গাইড লাইন যদিও দিয়া আছে, Asset creation ৰ কথা কৈ আছে but nature of scheme টো যদি লগতে final কৰি দিয়ে Asset creation with employment generation এটা ভাল আঁচনি। তাৰ লগতে ফেনচিং, প্লান্টেশ্যন এইখিনি সোমাই যদি এটা employment generation ৰ কাৰণে চেষ্টা কৰে তেতিয়াহ'লে পইচাখিনি কামত আহিব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো MGNREGA ৰ Wages ৰ কাৰণে আচঁনিসমূহ স্পষ্ট কৰি দিব লাগে আৰু monthly তাৰ এটা as per allocation breakup দিব লাগে আৰ ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিব দিব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য অজয় কুমাৰ ৰায় ডাঙৰীয়াই কওঁক।

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোক কথা ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো আৰু মই বিজনী সমষ্টিৰ তিনিটা বিভাগ লৈছো পৰ্য্যটন , ভূমি আৰু ৰাজহ আৰু বন বিভাগ। আমাৰ বিজনী সমষ্টিৰ বিশেষ এটা ইতিহাস আছে। যাৰ বিষয়ে হয়তো বহুতে নাজানে। ভূটান দেশৰ পাদদেশত পূৱ দিশত মানাহ, পশ্চিম দিশত সংকু নদী, উত্তৰ দিশত ভূটান আৰু দক্ষিণ দিশত গাৰো পাহাৰ আছে। এই বিস্তীৰ্ণ অঞ্চল জুৰি আমাৰ মহাৰাজা নৰনাৰায়ণ আৰু ভাতৃ চিলাৰায়ৰ বংশধৰ ৰজা বিজিত নাৰায়ণে ১৬৭১ চনত বিজনী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। এই বিজনী ৰাজ্যৰ ৰাজধানী বা ৰাজ হাউলী বৰ্তমান বিজনী ৰাজহৰ নিকটৱৰ্তী বিজনী গাওঁ পূৰাণ

বিজনীত অৱস্থিত। বিজনী ৰাজ্য প্ৰতিষ্ঠা কৰাৰ পিছৰে পৰা এই ৰাজ্যত ভূটান ৰজাই যি অন্যায়-অত্যাচাৰ আৰম্ভ কৰিছিল, সেই অন্যায়-অত্যাচাৰ প্ৰতিহিত কৰি ৰজা বিজিত নাৰায়ণে ইয়াৰ পৰাই শাসন চলাই গৈছিল। কিন্তু ভূটান ৰজাই বাৰে বাৰে আক্ৰমণ কৰাৰ ফলত সেই বিজিত নাৰায়ণ ৰজাৰ মৃত্যুৰ পিছত তেওঁৰ বংশধৰৰ পৰৱৰ্তী ৰজাসকলে তেওঁৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ১৮৬৪ চনলৈ শাসন কৰাৰ পিছত পৰৱৰ্তী কালত যোগীঘোপাৰ ডুমৰীয়াত পৰিৱৰ্তন হৈছিল। তাৰ পিছত বৰ্তমান অভয়াপুৰী চহৰত তেওঁৰ বংশধৰ সকলে থিতাপি লৈছিল। ১৯৫৬ চনত তেওঁৰ বংশধৰ সকলে শাসন কাৰ্য্য চলাইছিল। বিজনী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰ্তমান পূৰাণ বিজনীত দাগ নং-১৭ মৰ্ম্মে ৬ বিঘা মাটিত ৰাজভৱন নিৰ্মাণ কৰা হৈছিল। কিন্তু পৰিতাপৰ বিষয় যে উক্ত ঠাইখিনি বৰ্তমান বেদখল হৈ আছে। ইয়াৰ লগতে ৰজাৰ এটা পুখুৰী আছিল সেইটোও বৰ্তমান বেদখল হৈ আছে। সেই ঠাইখিনি বেদখল মুক্ত কৰাৰ কাৰণে ২০০৬ চনত তেতিয়াৰ বিজনীৰ বিধায়কে সেই কথাখিনি বিধান সভাত উত্থাপন কৰাৰ পিছত আমাৰ ২০০৭চনত বি টি চি চৰকাৰে সেই মাটিখিনি বেদখল মুক্ত কৰাৰ কাৰণে প্ৰচেষ্টা যদিও হাতত লৈছিল কিন্তু সেই অঞ্চলৰ কিছুমান ব্যক্তিৰ কাৰণে সেইখিনি কৰিব পৰা নগ'ল। তাত কোচ ৰাজবংশী ছাত্ৰ-সংগঠনৰ লগতে বিভিন্ন জনগোষ্ঠীয় ছাত্ৰ-সংগঠনে সেই মাটিখিনি বেদখল কৰাৰ কাৰণে বিভিন্ন সময়ত প্ৰস্তাৱ উত্থাপন কৰিছে। কিন্তু আজিলৈকে হৈ উঠা নাই। বিজিত নৰায়ণ ৰজাই এটা সময়ত তাত এটা বুঢ়ী ঠাকুৰণী মন্দিৰ স্থাপন কৰিছিল আৰু তাত বৰ্তমানলৈকে পূজা-অৰ্চ্চনা চলি আছে। আপোনালোকে এটা কথা হয়তো জানে যে আমাৰ বিজনী জিলাত বিজিত নাৰায়ণ ৰজাই লক্ষী পূজা আৰম্ভ কৰিছিল যাক অসমৰ ভিতৰত আটাইতকৈ ডাঙৰ লক্ষ্মী পূজা বুলি কোৱা হয়। তাত লাখ লাখ ভক্তৰ ভিৰ সমাগম হয়। কিন্তু এইখিনি থকাৰ পিছতো ৰজাৰ যিখিনি অৱশেষ আছিল, সেইখিনি আজিলৈকে উদ্ধাৰ কৰিব পৰা নগ'ল। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে অতি সোনকালে আমাৰ যি ইতিহাস তাক পুনৰ উদ্ধাৰ কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লয়। যিহেতু বিজিত নাৰায়ণৰ নামেৰে আমাৰ বিজনীখন নামাকৰণ হৈছে, সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে বিজিত নাৰায়ণৰ এটা প্ৰতিমূৰ্ত্তি স্থাপন কৰি বিজনী বাসী ৰাইজৰ যি সপোন তাক পূৰণ কৰে। লগতে আশা কৰিছো মন্ত্ৰী মহোদয়ে সেইখিনি ঠাই পৰ্য্যটনস্থলীলৈ পৰিৱৰ্তন কৰি এই বিজনী চহৰৰ উন্নতি সাধন কৰে। ইয়াৰ লগতে আমাৰ আৰু এটা সমস্যা ভূমি সংক্ৰান্ত সমস্যা আমাৰ বিজনী বাসী ৰাইজক জুৰুলা কৰিছে। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে এটা কথা জনাব বিচাৰিছো যে Land Mineral Rule মতে প্ৰতি ৩০ বছৰৰ মূৰে মূৰে মাটিৰ জৰীপ হ'ব লাগে। কিন্তু দুখৰ বিষয় যে বিজনী ৰাজহ চক্ৰত ১৯৬০-৬১ চনত যি জৰীপ হৈছিল তাৰ পিছৰে পৰা আজিলৈকে কোনো জৰীপ হোৱা নাই। পৰিতাপৰ বিষয় যে বিজনী বিধান সভা সমষ্টিৰ অন্তৰ্গত বিজনী ৰাজহ চক্ৰত নাগৰিক সকলৰ যি সমস্যা আছে, আজিলৈকে কোনো মন্ত্ৰীয়ে সমাধান কৰাৰ বাবে ব্যৱস্থা নল'লে। আজি যিসকল বিজনী সমষ্টিৰ নাগৰিক আছে, বিশেষকৈ যৌথ পট্টাৰ যিসকলৰ অংশীদাৰী আছে বা খাজনা আদায় দিয়াৰ যি ব্যৱস্থা আছে, সেই ব্যৱস্থাৰ কাৰণে ৰাইজসকল অতিকৈ অসুবিধাত ভুগিবলগীয়া হৈছে। কাৰণ ১৯৬০-৬১ চনত যি জৰীপ হৈছিল, সেই জৰীপ হিচাপে যদি আমি চাবলৈ যাওঁ আমাৰ যি মাটিৰ পট্টা আছে বা দাগ নম্বৰ আছে, সেই দাগ নম্বৰ বহুত ডাঙৰ বা বহু বিঘা মাটিৰ দাগ নম্বৰ হিচাপে খাজনা দিব লাগে। সেয়েহে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে আমাৰ বিজনীত জৰীপৰ কাম সম্পূৰ্ণ কৰি আমাৰ এই অঞ্চলৰ ৰাইজৰ বহু দিনীয়া অভাৱ দূৰ কৰে। ভাৰত স্বাধীন হোৱাৰ আগৰে পৰা তাত

লোকসকল বসবাস কৰি আছে যদিও সেই মাটিখিনি এতিয়াও খাচ লেণ্ড হৈ আছে। অসমৰ বিভিন্ন জিলাত বি টি চিকে ধৰি যি ভূমিৰ পট্টা প্ৰদান চৰকাৰে কৰিছিল, ঠিক তেনেদৰে এই অঞ্চলৰ লোকসকলক  যাতে স্থায়ী ভূমিৰ পট্টা প্ৰদান কৰে। আপোনাৰ যোগেদি মই জনাব বিচাৰিম যে আমাৰ বিজনী অঞ্চলৰ বিশেষভাৱে যি খাচ লেণ্ড আছিল সেই খাচ লেণ্ডযুক্ত মাটিখিনিৰ খাজনা দিয়া বন্ধ কৰা হৈছে। সেই কাৰণে সেই অঞ্চলৰ ৰাইজৰ অসুবিধা হৈছে। যদি  Income Tax Certificate,  চাকৰিৰ কাৰণে দৰকাৰী নথি-পত্ৰ বা পি আৰ চিৰ চাৰ্টিফিকেট উলিয়াব লাগে তেতিয়া খাজনাৰ ৰছিদ বিচাৰে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে অতি সোনকালে খাজনা লোৱাৰ ব্যৱস্থা কৰি বিজনী ৰাইজক উপকৃত কৰে। মই ইয়াৰ যোগেদি বন বিভাগৰ মন্ত্ৰী মহোদয়ক কিছু কথা জনাব বিচাৰিম যে ১৯৮৮ চনত বিজনী চহৰৰ মাজ মজিয়াত স্থাপিত হৈছিল বিজনী বন উদ্যান। তাত বিভিন্ন জীৱ-জন্তু, চৰাই-সৰীসৃপ পৰিপূৰ্ণ আছিল। কিন্তু আজি সেই বন উদ্যানখনৰ অৱস্থা অতি শোচনীয়। অসমৰ ভিতৰত দ্বিতীয় চিৰিয়াখানা হিচাপে বিজনীৰ বন উদ্যানখনে স্বীকৃতি লাভ কৰিছিল। বিজনী অঞ্চলত দৰ্শনাৰ্থীৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে এই বন উদ্যানখন  আছিল। গুৱাহাটী চিৰিয়াখানাৰ পিছত এই উদ্যানখনকে চিৰিয়াখানা হিচাপে গণ্য কৰা হৈছিল কিন্তু উপযুক্ত পৰিচৰ্য্যাৰ অভাৱত আজি এই উদ্যানখন মৃতপ্ৰায় অৱস্থাত আছে। কিছু ফুলগছ আৰু ২৭ টা হৰিণাৰ বাহিৰে বৰ্তমান এই উদ্যানখনত অন্য জীৱ-জন্তু নাই। উপযুক্ত আন্তঃগাঁথনি তথা  পুঁজি যোগানৰ অভাৱত বন উদ্যানখনৰ আজি এই অৱস্থা হৈছে। সেয়েহে, এই উদ্যানখনৰ গৌৰৱ পুনৰুদ্ধাৰ কৰিবলৈ হ'লে ইয়াৰ আন্তঃগাঁথনিৰ আমূল উন্নয়ন সাধিব লাগিব। বিভিন্ন প্ৰজাতিৰ সৰীসৃপ, চৰাই, প্ৰাণী ৰখাৰ উপযুক্ত ব্যৱস্থা কৰিলে এই উদ্যানখন আকৌ দৰ্শনাৰ্থীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠিব। এই উদ্যানত থকা জলাশয়ত  মাছ, কাছ ৰাখি ৰাজহ সংগ্ৰহৰ ব্যৱস্থা কৰিব পাৰিম আৰু তাৰ সহায়ত আমাৰ উদ্যানখন সুচলভাৱে চলি থকাৰ ব্যৱস্থা কৰিব পাৰিম। সেয়েহে, মাননীয় মন্ত্ৰী  মহোদয়ক মই অনুৰোধ কৰিম যে অতি কম সময়ৰ ভিতৰত বিজনীবাসীৰ সপোন তথা গৌৰৱৰ এই উদ্যানখনক পুনৰুজ্জীৱিত কৰাৰ বাবে  যাতে ব্যৱস্থা গ্ৰহণ কৰে। আজি সদনৰ যোগেৰে  মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে- বিজনী সমষ্টিত ভূমিৰ যি সমস্যা আছে, ৰজাদিনীয়া যি ইতিহাস আছে, সেই ইতিহাস পুনৰ উদ্ধাৰ কৰাৰ বাবে যাতে সু-ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে, কোঁচ-ৰাজবংশীৰ ৰজা বিজিত নাৰায়ণে যিদৰে সু-শাসন  কৰিছিল, সেই সু-শাসনৰ বাবেই বিজনী সমষ্টিৰ বিভিন্ন জাতি-জনগোষ্ঠী একতাৰ বান্ধোনেৰে বান্ধ খাই আছে। সেয়েহে, সেই ৰজাৰ ইতিহাস পুনৰুদ্ধাৰ কৰাৰ বাবে বিভাগীয় মন্ত্ৰীসকলক মই বিশেষকৈ অনুৰোধ জনাইছো। অতি কম সময়ত মোৰ বিজনী সমষ্টিৰ সমস্যা সমাধান কৰিব বুলি মই আশাবাদী। এই সমস্যা সমূহ সমাধান হ'লে  মই বিধায়ক হিচাপে অসম চৰকাৰ তথা মন্ত্ৰীসকলৰ ওচৰত কৃতজ্ঞ হৈ থাকিম। এইখিনিয়েই মোৰ ক'বলগীয়া আছিল। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, Point of Order.

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিছত Point of Order আহিব। এতিয়া বহক। দুগৰাকী মাননীয় সদস্য ক্ৰমে- কৰিম উদ্দিন বৰভূঞা আৰু ভাস্কৰজ্যোতি বৰুৱাই PWD ৰ ওপৰত তেওঁলোকৰ সমস্যাসমূহ উত্থাপন কৰিছে। মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াক PWD  মন্ত্ৰীৰ হৈ উত্তৰ দিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য কৰিম উদ্দিন বৰভূঞা ডাঙৰীয়াই Members' Hours ত তেওঁৰ সমষ্টিৰ বিষয়ে লোক নিৰ্মাণ

বিভাগৰ কেইটামান কথা উল্লেখ কৰিছে। আমি সকলোৱে জানো যে যোৱা ৫ বছৰত লোকনিৰ্মাণ বিভাগত যিদৰে কাম হৈছে, সেইদৰে আগতে কেতিয়াও হোৱা নাছিল। সকলোৱে স্বীকাৰ কৰো যে PWDত পুঁজিৰ সংখ্যা আগতকৈ যথেষ্ট বৃদ্ধি হৈছে আৰু এই মূহুৰ্তত অসমত ৰাস্তা পথৰ অৱস্থা খুব ভাল। আনকি, কেতিয়াবা বিৰোধী পক্ষৰ সদস্যসকলেও ধেমালি কৰি কয় যে আমি যদি পুনৰবাৰ চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছো, তেন্তে ইয়াৰ বাবে মুখ্য ভূমিকা পালন কৰিছিল আগৰ চৰকাৰে কৰা ৰাস্তাৰ কামে। যি কি নহওক, কৰিম উদ্দিন ডাঙৰীয়াই তেওঁৰ সমষ্টিৰ কেইবাটাও কামৰ কথা কৈছে। তাৰ ভিতৰত এটা খুব গুৰুত্বপূৰ্ণ ৰাস্তা চাৰিলেনযুক্ত কৰাৰ কথা কৈছে। আমি এই বিষয়ে গুৰুত্ব সহকাৰে চিন্তা-চৰ্চা কৰিম। ভূৱন শিৱ মন্দিৰলৈ যোৱা ৰাস্তাটো ঠেক হোৱাৰ বাবে শিৱৰাত্ৰিৰ দিনা যথেষ্ট যান-জঁটৰ সৃষ্টি হয়। গতিকে, এইখিনি কাম আমি নিশ্চয়কৈ কৰিবই লাগিব আৰু তেখেতক আমি প্ৰতিশ্ৰুতি দিছো। সন্মানীয় জ্যেষ্ঠ মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই কৈছে যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গৈ ভূৱন পাহাৰৰ ৰাস্তাটোৰ বাবে ৰাজহুৱা ভাৱে ঘোষণা কৰি আহিছে।গতিকে সেইটো হৈ যাব। সোনাই সমষ্টিৰ অন্তৰ্গত বিভিন্ন পথৰ অনুমোদন সাপেক্ষে বিভিন্ন সময়ত নৱ-নিৰ্মাণ/উন্নয়নৰ আঁচনি হাতত লোৱা হৈছে। মই কেইটামান পঢ়ি দিছো- ২০২১-২২ বিত্তীয় বৰ্ষত RIDF-XXVII of NABARD আঁচনিৰ অধীনত ৬.৭ কিঃমিঃ দৈৰ্ঘ্যৰ সোনাই-সোনাবাৰীঘাট পথটো intermediate lane ৰ পৰা double lane লৈ উন্নীতকৰণৰ বাবে ২ কোটি ৮০ লাখ টকা অনুমোদন দিয়া হৈছে। ইয়াৰ আৱন্টন প্ৰক্ৰিয়া চলি আছে। বিশ্ব বেংকৰ অনুদান প্ৰাপ্ত প্ৰকল্প Assam State Road Project (ASRP) ৰ অধীনত ৩০.৫০ কিঃমিঃ দৈৰ্ঘ্যৰ কাবুগঞ্জ (NH-54) ৰ পৰা পালোনঘাট, অমৰাঘাট মতিনগৰ হৈ আমজুৰলৈ পথটো সোনাই মতিনগৰ পথ single laneৰ পৰা intermediate lane লৈ উন্নীত কৰণ হৈছে। এই পথটিৰ বাসস্থান আৰু বজাৰ এলেকাত double lane বা তাতোকৈ অধিক বহলকৈ উন্নীতকৰণ কৰা হৈছে। উক্ত কামটো ২০১৮-১৯ বৰ্ষত সম্পূৰ্ণ হৈছিল। আমাৰ বিভাগৰ তথ্য অনুসৰি ৰাস্তাটো বৰ্তমান ভাল অৱস্থাত আছে। এই পথ দুটা চাৰিলেনযুক্ত কৰিবলগীয়া হ'লে মাটি অধিগ্ৰহণৰ সমস্যা আছে। গতিকে, এই বিষয়ে মাননীয় সদস্যগৰাকীয়ে এতিয়াৰ পৰা চিন্তা-চৰ্চা কৰিব লাগিব আৰু আমাৰ অভিভাৱক মন্ত্ৰী আছে, তেখেতৰ লগতো আলোচনা কৰিব। নতুনকৈ ৰাস্তা বনোৱাৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যা হ'ল- land acquisition। মাটি অধিগ্ৰহণৰ বাবে আমাৰ গোটেই project pending হৈ যায়। আমি ভৱিষ্যতে পুঁজি সাপেক্ষে ব্যৱস্থা নিশ্চয়কৈ ল'ম। মাটি অধিগ্ৰহণৰ বাবে আপুনি চিন্তা-চৰ্চা কৰিব। সোণাই দলঙৰ কাষতে বৰাক নদীৰ ও পৰত আন এখন দলং নিৰ্মাণৰ বাবে এতিয়ালৈকে বিভাগৰ পৰা প্ৰস্তাৱ দাখিল হোৱা নাই। কিন্তু, ভৱিষ্যতে এই বিষয়ে আমি নিশ্চয়কৈ চিন্তা-চৰ্চা কৰিম। Signature Project under SOPD-G ৰ অধীনত ২০১৯-২০ বিত্তীয় বৰ্ষত অনুমোদিত ৰাষ্ট্ৰীয় ঘাইপথ- ৫৪ ৰ পৰা হাতীখাল বজাৰ হৈ কাবুগঞ্জ যোৱা পথটো single lane ৰ পৰা double lane লৈকে উন্নীতকৰণ চলি আছে। সন্মানীয় সদস্য গৰাকীয়ে কোৱা অধিকতম ৰাস্তাৰ কাম চলি আছে। হাতীখোৱাত থকা single lane BUG দলং double lane উন্নীতকৰণৰ বাবে প্ৰস্তাৱ এতিয়ালৈকে দাখিল হোৱা নাই। এই বিষয়ে আমি নিশ্চয়কৈ চিন্তা-চৰ্চা কৰিম। National Highways and Infrastructure Development Corporation Ltd. ৰ পৰা পোৱা তথ্য অনুসৰি, বিবেচনাধীন পথটো অসম ৰাজ্যৰ অন্তৰ্বতী ৰাষ্ট্ৰীয় ঘাইপথ নং ৫৪ ৰ শিলচৰ ভাইৰেংটি খণ্ডৰ অধীনত পৰে। বৰ্তমান ই চাৰি লেনযুক্ত পকী পথ। এই পথছোৱাক বৰ্তমানে

চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ বাবে DPR প্ৰস্তুতি চলি আছে। প্ৰকল্পটো এতিয়াও অনুমোদিত হোৱা নাই। DPRৰ পৰামৰ্শক্ৰমে বৰাক নদীৰ ওপৰত এক প্ৰমুখ দলঙকে সকলো ব্যৱস্থাৰ প্ৰয়োজনীয়তা অধ্যয়ন কৰি আছে। ভৱিষ্যতৰ অনুমোদন সাপেক্ষে পথ পুনঃ নিৰ্মাণৰ আঁচনি হাতত ল'ব পৰা যাব। RIDF ৰ অধীনত আপোনাৰ সমষ্টিত ১০ কোটি টকাৰ অনুমোদন হৈছিলে আৰু tender প্ৰক্ৰিয়া চলি আছে। অতি শীঘ্ৰে ইয়াক award কৰা হ'ব। আমি মথাউৰিৰ ওপৰত যি পকীপথ নিৰ্মাণ কৰি আছো আপোনাৰ সমষ্টিত ৭ ৰ পৰা ৮ কিঃমিঃ হয়তো অনুমোদন হৈছে। সেইখিনিয়ো অতি সোনকালে NABARD ৰ পৰা অনুমোদন আহিলে tender হ'ব। আপোনাৰ সমষ্টিত এইখিনি কাম হৈ আছে। আপোনাৰ সমষ্টিটোক অসমৰ অন্য যি ১২৬ টা সমষ্টিক উন্নীত কৰিব লাগে তাৰ ভিতৰত আমি গুৰুত্ব সহকাৰে ৰাখো গতিকে আপোনাৰ সমষ্টিত এইখিনি কাম নিশ্চয়কৈ হ'ব। মই আপোনাক প্ৰতিশ্ৰুতি দিছো। আমাৰ অন্য এগৰাকী সদস্য তিতাবৰ সমষ্টিৰ ভাস্কৰজ্যোতি বৰুৱাই কেইটামান কথা কৈছে। তেখেতে যিটো মূল সমস্যাৰ কথা কৈছে যে তিতাবৰৰ বাইপাছটো ২০১৪-২০১৫ ত sanction হৈছিল। এই প্ৰস্তাৱিত বাইপাছটোৰ মূঠ দৈৰ্ঘ্য ১৫.৮০ কিঃমিঃ আৰু ইয়াৰ দুটা অংশত CRF ৰ পৰা অনুমোদন হৈছিলে। কিন্তু Land Aquisition ৰ সমস্যাৰ কাৰণে এই পথটো সম্পূৰ্ণ নহ'ল। এতিয়া Land Aquisition সম্পূৰ্ণ হৈছে। কিন্তু সেই তেতিয়াৰ estimate ত কৈ এতিয়াৰ estimate টো double হৈ গল। ৬-৭ বছৰত inflation high হয়। গতিকে বস্তুৰ দাম বাঢ়ি যায়। সেয়েহে আমি অতি সোনকালে ইয়াৰ ওপৰত কাম কৰিবলৈ চেষ্টা কৰিম। তেখেতৰ সমষ্টিত আমি RIDF ৰ অধীনত দুটা আৰু এখন দলঙৰ কাৰণে ১০ কোটি টকাৰ অনুমোদন দিছো আৰু ৫ কিঃ মিঃ মথাউৰি পকীকৰণৰ কাৰণে তেখেতৰ সমষ্টিতো অনুমোদন দিছো। RIDF ৰ কামটোৰ tender প্ৰক্ৰিয়া হৈ গৈছে আৰু এইটো এসপ্তাহৰ ভিতৰত award হ'ব আৰু embankment ৰ কামটো অহা এসপ্তাহৰ ভিতৰত tender লৈকে যাব। এই বিষয়ে যদিও আপুনি গম পায় মই কথাটো সদনত অৱগত কৰিলো। তেখেতৰ কেইটামান ৰাস্তাৰ কথা কৈছিলে ন-আলি ২.৪০ কিঃ মিঃ, ৰুপেশ্বৰ পাঠক পথ ৩ কিঃ মিঃ, চেৰেলীপথাৰ পথ ১.৩০ কিঃ মিঃ, বৰুৱাজানৰ পৰা চুনীলৈ ৪.৩০ কিঃ মিঃ, লহং কচাৰী পথ ১.৯০ কিঃ মিঃ, আঠখেলীয়া নামঘৰ পথ ৪.১০ কিঃ মিঃ, হাতীপাৰা ACP ৬.২৬ কিঃ মিঃ এই কেইটা এতিয়ালৈকে অনুমোদন হোৱা নাই। পুঁজিসাপেক্ষে আমি অনুমোদনৰ ব্যৱস্থা কৰিম। এখেতে আৰু এটা অসম মালাৰ কথা কৈছে। অসম মালাৰ যিটো ধোদৰ আলিৰ কাম related to তিতাবৰ সমষ্টি, তাৰ প্ৰাক্ কলন প্ৰস্তুত কৰি থকা হৈছে। সেই কামো অতি সোনকালে আৰম্ভ কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় কৃষি মন্ত্ৰী।

**শ্ৰী আমিনুল ইছলাম (মানকাচাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ Member's Hour ৰ answer টো বাকী আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি please বহক। আপুনি যি উত্তৰ পোৱা নাই মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতি ল'ব।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতৰ উত্তৰটো মোৰ লগত আছে। আমাৰ এই প্ৰক্ৰিয়াটো শেষ কৰাৰ পাছত মই আপোনাৰ লগত বহিম।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে। মাননীয় কৃষি মন্ত্ৰী।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ভাস্কৰ জ্যোতি বৰুৱাই

Member's Hour ত বহুকেইটা বিষয় উত্থাপন কৰিলে। তাৰে কেইটামান বিষয় মোৰ বিভাগৰ। তেখেতে নিজেও কৃষিৰ লগত জড়িত, এগৰাকী ভাল কৃষক। কৃষি ক্ষেত্ৰখনৰ বাবে কি কৰিব লাগিব, কি কৰিব নালাগিব, ব্যক্তিগতভাৱে লগ ধৰিহে তেখেতে দিহা পৰামৰ্শ দিয়ে। তেখেতে আজি এটা কথা কৈছে যে তিতাবৰত যি এটা Research Station আছে, সেইটো International Standard ত কৰা কথা কৈছে। সেই বিষয়টো আমি বিবেচনা কৰি আছো। ২০২৩ চনত ইয়াৰ ১০০ বছৰ সম্পূৰ্ণ হ'ব। ইয়াৰ আগতেও কৰিমগঞ্জত এটা Rice Research Station স্থাপিত হৈছিল। আমাৰ পাটোৱাৰী ডাঙৰীয়াই কৈছে যে গেৰুৱাটো তেনেকুৱা এটা Research Station আছে। এতিয়া আমি সকলোৱে দেখিছো যে বতৰৰ সাংঘাতিক পৰিৱৰ্তন হৈছে। যাৰকাৰণে নতুন নতুন বীজ উদ্ভাৱন হৈ আছে। যি খেতি কৰিলে খেতিয়কে অধিক দাম পাব পাৰে তেনেকুৱা ধৰণৰ খেতিৰ কথা চিন্তা কৰা হৈছে। এতিয়া ৰঞ্জিত চাব -১, বাহাদুৰ চাব-১ এইবিলাক হৈছে flood tolerant variety.তেনেকুৱা ধৰণৰ বীজ যোৰহাটৰ Rice Research Station ৰ পৰা উদ্ভাৱন হৈছে। কিছুদিন আগতে মইও Research Station ত উপস্থিত আছিলো আৰু বৰুৱা ডাঙৰীয়াও সেই অনুষ্ঠানত উপস্থিত আছিল। অনাগত দিনত যাতে ইয়াৰ Infrastructure আৰু বেছি শক্তিশালী কৰিব পৰা যায় তাৰবাবে চৰকাৰে ইতিমধ্যে চিন্তা-চৰ্চা কৰিছে।

তেখেতে আৰু এটা গুৰুত্বপূৰ্ণ সমস্যাৰ কথা কৈছে, সেইটো হৈছে আমাৰ যিমান ইউৰিয়াৰ আৱশ্যক সেই অনুপাতে আমি নাপাওঁ। আমাৰ requirement যিমান আছে, Tea Garden টো চায় Industry বিভাগে। কিন্তু ইয়াৰ requirement টো আমি ভাৰত চৰকাৰক দিব লাগে। আমাৰ ইউৰিয়াৰ requirement অণুপাতে আমি সেয়া নাপাওঁ। সেইটোৱে আমাৰ সমস্যা। ইয়াৰ উপৰিও কোম্পানীসমূহে তেওঁলোকৰ সুবিধা অনুযায়ী rack point বিলাক ঠিক কৰে। ইয়াৰ আগতে বহুত rack point আছিলে আৰু সেই সমূহ কাটি কাটি নিৰ্দিষ্ট কেইটামান rack point হে ঠিক কৰিছিলে। আজি এমাহ মানৰ আগতে এই বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ হোৱাত তেখেতে কোম্পানীৰ head সকলক মাতি আনি warning দিছিল যাতে খেতিয়কসকলে সময়মতে সাৰ পায় আৰু তাৰকাৰণে ব্যৱস্থা লয়। আপোনালোকে জানে যে নামৰূপ fertilizer ৰ কেইগৰাকীমান বিষয়াই অনিয়ম-অপকৰ্মত জড়িত থকাৰ কাৰণে আইনমতে তেওঁলোকৰ ওপৰত আমাৰ চৰকাৰে ব্যৱস্থা লৈছে।

ইয়াৰ উপৰিও এটা reform আনিবৰ কাৰণে আমি বিভাগত বহুখিনি চেষ্টা কৰিছিলো। মই ইতিমধ্যে উল্লেখ কৰি গৈছো যে আগতে তেনেকুৱা ৭ টা rack point operational আছিল আৰু এতিয়া ১৩ টা লৈ সেয়া বৃদ্ধি পাইছে আৰু আমি আমাৰ এই সমস্যাৰ কথা মাননীয় বিভাগীয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক দৃষ্টিগোচৰ কৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিষয়টো আলোচনা কৰিছে। আমি ভাৱো যে অনাগত দিনত এই সমস্যাটো আমি সমাধান কৰিব পাৰিম আৰু খেতিয়ক সকলৰ যি সমস্যা আছে সেই সমস্যা আমি দূৰ কৰিবলৈ সক্ষম হম।

ইয়াৰ উপৰিও তেখেতে এখন Sericulture College ৰ কথা কৈছে। ইতিমধ্যে আপোনালোকে গম পাইছে যে বাজেটত ২০ কোটি টকা ধাৰ্য্য কৰা হৈছে সেই কথাখিনি আমি আজি সদনত পুনৰ অৱগত কৰিলো।

এইবাৰ খেতিয়কসকলে এম এচ পি পোৱা নাই বা পূৰ্ব্বতে এফ চি আই য়ে যেনেধৰণে আমাৰ খেতিয়কসকলৰ পৰা ধান ক্ৰয় কৰিব লাগে কৰা নাছিল, কিন্তু অসম চৰকাৰে ২০০ কোটি টকা ধ্যৰ্য্য কৰি ফুড এণ্ড চিভিল চাপ্লাই কৰ্পোৰেশ্যনক দিছে । এফ চি আই আৰু

বিভিন্ন ইনষ্টিটিউশ্যনে ধান ক্রয় কৰিবৰ কাৰনে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এগ্ৰিকালচাৰ মাৰ্কেটিঙ বোৰ্ডও আছে, মই ভাবো যে এইবাৰ খেতিয়কসকলে সকাহ পাব, তেওঁলোকৰ সহায় হ'ব কিন্তু বৰ্ডাৰিঙ এৰিয়াত যাৰ লেণ্ড ডকুমেন্ট নাই - আজি ডিচপিউটেড এৰিয়াত বা যিসকলে ফৰেষ্ট লেণ্ডত বাস কৰিছে, তেওঁলোকৰ মাটিৰ পট্টা নাথাকে । সেই ক্ষেত্ৰত ৰিলেক্সেশ্যনৰ কথা আহিলে কিছু অসাধু চক্ৰই হয়তো সুবিধা ল'ব। সেই কথাটো মন্ত্ৰী ডাঙৰীয়াইও আমাক কৈছে। কিন্তু বিষয়টো তেখেতে আমাক দৃষ্টিগোচৰ কৰিছে, যেতিয়া সেই ক্ষেত্ৰত আলোচনা কৰি তেওঁলোকৰ বাবে কিবা বিকল্প ৰাস্তা উলিয়াব পৰা যায় নেকি আমি চিন্তা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ ও বাণিজ্য ইত্যাদি) ঃ** উপাধ্যক্ষ মেহাদয়, ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াই উদ্যোগ বিভাগৰ চাহ আৰু ৰাইচ মিল সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰিছে। ৰাইচ মিলৰ কথাটো যদিও ফুড এণ্ড চিভিল চাপ্লাই বিভাগৰ তথাপি মই সংক্ষেপে অলপ কৈ দিম। বৰুৱা ডাঙৰীয়া আপুনি কথাটো জানে আৰু কৈছেলে যে, এ পি ডি চি এলে চাহ বাগিচাৰ বাবে বিল এটা দিব লাগে। এতিয়া এ পি ডি চি এলৰ লগত ইতিমধ্যে আমি কথা পাতিছো। ' উদয় ফাণ্ড' ৰ জৰিয়তে টি গাৰ্ডেনৰ বাবে ২৫.৯৮ কোটি খৰচ কৰি ফিডাৰ লাইন এটা দিয়া হৈছে, যিটো ৫৪ খন চাহ বাগিছা সামৰি লৈছে। এচ ও পি ডিৰ পৰা ১৯.৪ কোটি দিয়া হৈছে। তাতে প্ৰায় ২৯ খন চাহ বাগিছা সামৰি লোৱা হৈছে। এ ডি বি ফাণ্ডৰ পৰা দিয়া হৈছে ১৬.৮ কোটি । টি গাৰ্ডেন বেনিফিটেড হৈছে টোটেল- ৫২ খন । টোটেল ফাণ্ড এক্সপাণ্ডেট ৬১.১০ কোটি এই আঁচনিৰ জৰিয়তে আৰু ১৪.০৫ কোটি নতুনকৈ দিছে য'ত ১১ খন চাহ বাগিছা সামৰি ল'ব। আৰু আৰ ডি এচ এচ ফাণ্ড এতিয়ালৈকে দিছে ৬৯.৫৫ কোটি, য'ত ৪০ খন চাহ বাগিছা সামৰি ল'ব। বৰুৱা ডাঙৰীয়াক জনাও, আমাৰ ইলেকট্ৰিচিটি জেনেৰেশ্যন যিমান হ'ব লাগে সিমান আমাৰ নহয়। ডোমেষ্টিক ইউটিলাইজেশ্যনৰ কাৰনে অসম চৰকাৰে বেলেগ বেলেগ চোৰ্চৰ পৰা ইলেকট্ৰিচিটি বৰ্ত্তমান পাৰচেছ কৰি আছে। যোৱা ৫ টা বছৰে আমি চেষ্টা কৰি এডাল গেছ পাইপ লাইন আনি আছো। গতিকে আমি আশা কৰিছো এই গেছ পাইপ লাইনডাল ২০২২ চনত হয়তো ইয়াত আহি পাব। গতিকে এই গেছ পাইপ লাইনডাল আহি পোৱাৰ লগে লগে অসমৰ উদ্যোগ জগতৰ চিনেৰিওটো চেঞ্জ হ'ব। এই গেছ পাইপ লাইনডাল বহু খিনি হৈ গৈছে । বিহাৰত অলপ মাটিৰ সমস্যা আছিল, সেইখিনি ঠিক কৰা হৈ গৈছে। বাৰাউনীত নেশ্যনেল গ্ৰীডৰ লগত কানেকশ্যন হৈ অসমত আহিব। গতিকে এই গেচ পাইপ ডাল অহাৰ লগে লগে আপুনি যিটো আশংকা প্ৰকাশ কৰিছে সেইখিনি নাইকীয়া হ'ব।

দ্বিতীয় কথাটো হৈছে যে, বৰুৱা ডাঙৰীয়া মই আপোনাক এটা অনুৰোধ কৰো যে আপুনি এজন ভাল চাহ খেতিয়ক । আপুনি চাহ উদ্যোগটোৰ ওপৰত যথেষ্টখিনি চিন্তা চৰ্চা কৰিছে। ভাল কোৱালিটিৰ চাহ আপুনি উৎপাদন কৰে। অকশ্যনত অসমৰ চাহ বাগিচাৰ পৰা ৩০ শতাংশ বিক্ৰী হ'ব লাগে। কিন্তু আমাৰ বিক্ৰী কমি গৈছে, বিক্ৰী এই কাৰণে কমি গৈছে কাৰণ অসমৰ চাহৰ মানদণ্ড কমি গৈছে। যিবিলাক বৃহৎ চাহ কোম্পানী আছে তেওঁলোকে চি পি চি ইয়াতে কৰে আৰু কলিকতা-মুম্বাইত বহি চাহ বাগিছাবিলাক চলাই আছে। মানদণ্ড কমি যোৱা বাবে আমাৰ অকশ্যন মাৰ্কেটত চাহৰ দাম কমি গ'ল। আন্তৰাষ্ট্ৰীয় বজাৰত আজি শ্ৰীলংকা, কেনিয়াৰ পৰা উন্নতমানৰ চাহ আহিছে। ফ্লাইটত ভ্ৰমণ কৰোতে আপোনালোকে চাব তাত যিটো গ্ৰীণ টি দিয়ে, তাত শ্ৰীলংকা বুলি লিখা থাকে। গতিকে যেতিয়ালৈকে আমি চাহৰ কোৱালিটি উন্নত নকৰো তেতিয়ালৈকে আমাৰ

চাহৰ বিক্ৰী নাবাঢ়ে। গতিকে আজি আমাৰ চাহ উদ্যোগটো যিমান লাভান্বিত হ'ব লাগিছিল সেইখিনি হোৱা নাই। আজি মই আপোনালোকৰ লগত এটা কথা শ্বেয়াৰ কৰো যে ডুবাইত চাহ গছেই নাই, কিন্তু ডুবাইত এখন টী-পাৰ্ক আছে । সেই টী-পাৰ্কখনত অসমকে ধৰি বিভিন্ন ঠাইৰ পৰা চাহবিলাক লৈ গৈ তেওঁলোকে তাত পেকেজিং কৰে আৰু গোটেই পৃথিৱীত কনট্ৰেক্টবিলাক ট্ৰেডিং কৰিছে। সেই টী-পাৰ্কখন মই ভিজিট কৰিছো। ক'ভিড নোহোৱা হ'লে কিছু টী-গাৰ্ডেনৰ মালিক আৰু বিভাগীয় বিষয়াসকলক লৈ এটা দল সেই টী-পাৰ্কখন আমাৰ ভিজিট কৰাৰ কথা আছিল। আমাৰ চাহ উদ্যোগটো ২০০ বছৰীয়া হ'ল, কিন্তু ইয়াত এটা টী-পাৰ্ক আজিলৈকে গঢ়ি নুঠিল। য'ত পেকেজিং হ'ব, কোৱালিটি মেইনটেইন হ'ব, য'ত ব্ৰেণ্ডেট হ'ব, কিন্তু নহ'ল। কিন্তু এইবাৰ অসম চৰকাৰে নিজাকৈ ছয়গাওঁত এখন টী-পাৰ্ক স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে এই বিষয়ে ডুবাইৰ টী-পাৰ্কৰ লগতো আমি আলোচনা কৰিছো। তেওলোকৰ লগত পাৰ্টনাৰশ্বিপ হ'লে আৰু সমগ্ৰ পৃথিৱীত অসমৰ চাহ বিক্ৰী হ'লে আসমৰ চাহ উদ্যোগটোৰ বাবে ভাল কথা হ'ব। মই এটা সৰু উদাহৰণ দিওঁ- সেইদিনাখন ' আইমাৰ' পৰা ভাইচ প্ৰেচিডেন্ট আহি মোক লগ কৰিলে। তেখেতে ডুবাইত মোক লগ কৰিবলৈ সুযোগ নোপোৱা বাবে আক্ষেপ প্ৰকাশ কৰিলে। তেখেতে নিজকে অসমীয়া মানুহ বুলি পৰিচয় দিছিল লগতে চাহৰ ব্যাৰসায় কৰা বুলি মোক জনালে। অসমৰ পৰা ভাল কোম্পানীৰ চাহ লৈ গৈ তেখেতে ডুবাইত টী -পাৰ্কৰ জৰিয়তে ব্যৱসায় কৰিছে। মই তেখেতৰ চাহৰ ব্ৰেণ্ড জানিব খোজাত ' আহমেদ ব্ৰেণ্ড ' বুলি কৈছিল। এনে ব্ৰেণ্ডৰ নাম আগেয়ে শুনা নাই বুলি তেখেতক কলো। তেখেতে মোক ক'লে কেনেকৈ শুনিব, এই ব্ৰেণ্ড অসমত নাহে। এই ব্ৰেণ্ডৰ চাহ আমেৰিকা আৰু ইউৰোপৰ বজাৰত যায় কাৰণ এইবিলাক চাহ মনোপলি। গতিকে আজিৰ দিনটোত আমি যদি চাহৰ কোৱালিটি ইনক্ৰিজ কৰিব নোৱাৰো, অকশ্যন বা আন আন মাৰ্কেটত ষ্টেণ্ড কৰিব নোৱাৰিব। আজিৰ দিনটোত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমস্যা হৈছে যে বৃহৎ চাহ উদ্যোগীসকলে নিজৰ ইচ্ছামতে তেওঁলোকৰ পৰা পাত কিনিব পাৰে বা নিকিনিবও পাৰে। চাহপাত যাতে পেলাই দিব লগীয়া নহয় তাৰ বাবে আমি ব্যৱস্থা কৰিছোঁ। তাৰোপৰি ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ চাহৰ মানদণ্ডটো উন্নত হোৱাৰ কাৰণে আমি প্ৰায় ২০ কোটি খৰচ কৰি Tea Research চেন্টাৰ কৰিছোঁ, কেৱল ক্ষুদ্ৰ চাহ খেতিয়ক সকলক ট্ৰেনিং দিয়াৰ কাৰণে। যাতে তেওঁলোকে উন্নত মানদণ্ডৰ চাহ তৈয়াৰ কৰিব পাৰে। যোৱা auction টোত আপোনালোকে জানে, ডিব্ৰুগড়ৰ Manohari Tea Estate য়ে ইমান ভাল চাহ তৈয়াৰ কৰিছে যে তেওঁলোকে এক কেজি চাহপাত auction ত বিক্ৰী হৈছে ৯৯৯৯৯.০০ টকাত। গতিকে এক কেজি চাহপাতত ১ লাখ টকা। তেওঁলোকে auction নগৰত দাম পাইছে। কাৰণ Quality Tea. গতিকে তেওঁলোকে World Market পাবলৈ সক্ষম হৈছে। গতিকে তেনেকুৱা ধৰণে মই বৰুৱা ডাঙৰীয়া আপোনালোককো অনুৰোধ কৰো কাৰণ আপুনিও এই চাহ পৰিয়ালৰ এজন খেতিয়ক। গতিকে আপোনালোকে কথাখিনি ভাৱক। মই আজি ৫ বছৰে কৈ আহিছোঁ। যিমান পৰা যায় চৰকাৰৰ তৰফৰ পৰা সিমান সহায় কৰা হৈছে। আমাৰ মুখ্যমন্ত্ৰীও এই ক্ষেত্ৰত concerned চাহ উদ্যোগটোৰ যাতে অৱস্থা বেয়া হৈ নাযায়। গতিকে আপোনাক মই অনুৰোধ কৰো যে আপোনালোকে Quality টো বঢ়োৱাৰ বাবে চেষ্টা কৰক। এই মোৰ অনুৰোধ। এটা কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাজতে সেইখিনি সহায় কৰিছে আমাক। অসমৰ চাহৰ লগত কেনিয়াৰ চাহ, তেওঁলোকৰ সকলো mechanized পৃথিৱীৰ ভিতৰত আমাৰে একমাত্ৰ চাহ এটি কলি দুটি পাত, আমি এনেকৈ হাতেৰে চাহপাত চিঙিছিলো। বাকী পৃথিৱীৰ যিমান ঠাইৰ চাহবাগিছা আছে সকলো mechanized

তাত ৬ টা, ৭ টা, ৮ টা পাতলৈকে আহে। সেই চাহপাত ১০০ কেজিৰ লগত অসমৰ ভাল উন্নতমানদণ্ডৰ ১০ কেজি চাহপাত মিহলাই দিয়ে আৰু উত্তম চাহ হিচাপে সেইটো বিক্ৰী কৰি আছে। এতিয়া আমি ভাৰত চৰকাৰক কৈছোঁ যে আমাক GI দিব লাগে অসমৰ চাহ যাতে তেনেকৈ কোনেও ব্যৱহাৰ কৰিব নোৱাৰে। এতিয়া জি আই হ'ব অসমৰ চাহত। গতিকে আমাৰ Quality টো বঢ়োৱাবলৈ আপোনালোকে চেষ্টা কৰক। এইটো মোৰ অনুৰোধ। গতিকে বাকী চৰকাৰে যি সুবিধা দিব লাগে সেইটো দি আছে। কৃষিৰ টেক্স আমি সম্পূৰ্ণ মাফ কৰি দিছোঁ। গতিকে আমাৰ তৰফৰ পৰা সকলো সহায় কৰি দিছোঁ। বৃহত্তৰ চাহবাগিছা সমূহত আমি NRHMৰ ফালৰ পৰা হস্পিটালৰ ব্যৱস্থা কৰি দিছোঁ। PMAY ৰ ঘৰ দিছোঁ তেওঁলোকক, আমি পানী চাপ্লাই কৰি দিছোঁ চাউল বিনামূলীয়াকৈ দিছোঁ। গতিকে চাহবাগিচাত সকলো চৰকাৰী Incentive দিয়া হৈছে। শিক্ষাৰ ব্যৱস্থা কৰা হৈছে যাতে বাগিছাৰ ওপৰত এটা অসুবিধা আহি নপৰে, তাৰ পিছতো যদি Quality টো নবঢ়াই তেতিয়াহ'লেটো অসম্ভৱ হ'ব কথাটো। গতিকে আপুনি চাহ খেতিয়ক হিচাপে মানুহখিনিক বুজাওক। কাৰণ মই যোৱা ৫ বছৰে বুজাই আহিছোঁ। যেতিয়ালৈকে আমি এই Quality টো বঢ়াব নোৱাৰো তেতিয়ালৈকে যিটো হিচাপে আপুনি কৈছে সেই হিচাপে চাহ আমাৰ auction marketত নাযাব। গতিকে সেইটো কথা মই আপোনাক অনুৰোধ কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। অলপ চমু কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** এক মিনিট। দ্বিতীয়, কথাটো হ'ল যিটো ৰাইচ মিলৰ কথা কৈছে, প্ৰথমবাৰৰ বাবে এফ চি আইয়ে অসমৰ চাউল কিনিব। এটা সময়ত ময়ো কৃষিমন্ত্ৰী আছিলোঁ ১৯৯৬ ৰ পৰা ২০০০ৰ ভিতৰত। এফ চি আই ক আমি বুজাই মিলি নোৱাৰিলোঁ। তেওঁলোকে চাউল নিকিনে অসমৰ। গতিকে এইবাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাত প্ৰথম বাৰৰ বাবে স্বাধীনতাৰ পিছত এফ চি আই য়ে অসমৰ চাউল কিনিবলৈ লৈছে। ইয়াৰ লগে লগে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মুখ্যমন্ত্ৰী গাঁও সমগ্ৰ যোজনাৰ জৰিয়তে মিলো দিছে। মিলবোৰৰ যি সকলে প্ৰতিঘন্টাত এক টনৰ Capacity ৰ মিল বনাব তেওঁলোকক plan machinery Capital subsidy ৰ ৫০ শতাংশ subsidy দিব আৰু maximum cap হ'ব ১০ লাখ। যিসকলে প্ৰতিঘন্টাত ২ টন চাউলৰ মিল কৰিব তেওঁলোকক Capital subsidy দিয়া হ'ব ৫০ শতাংশ আৰু maximum cap হ'ব ১৫ লাখ। কাৰোবাৰ যতি প্ৰতিঘন্টাত ১ টনৰ মিল আছে তেওঁ যদি ২ টনলৈ বঢ়াই তেতিয়াহ'লে তেওঁ ৫০ শতাংশ subsidy পাব plan machineryৰ আৰু maximum cap হ'ব ৫ লাখ। গতিকে সেই হিচাপে অসমত মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছোঁ যে মুখ্যমন্ত্ৰী সমগ্ৰ গাম্য যোজনাৰ জৰিয়তে এই আঁচনিবোৰ লোৱা হৈছে। গতিকে অসমত বৰ্তমান প্ৰতিঘন্টাত ১ টন ৰ ১০০ টা মিল চলি আছে, ৭০ টা প্ৰতিঘন্টাত ২ টনৰ চলি আছে আৰু ৫০ টা প্ৰতিঘন্টাত এক টনৰ পৰা প্ৰতিঘন্টাত ২ টনলৈ উন্নীতকৰণ কৰা হৈছে। গতিকে আপুনি উদ্যোগ বিভাগৰ ক্ষেত্ৰত যিখিনি কথা কৈছে মই সেইখিনি কথা আপোনাক ক'লো। কেৱল বিনম্ৰ অনুৰোধ যে চাহৰ মানদণ্ডটো আপোনালোকে বহি মিলি ঠিক কৰক। কাৰণ মই চাহ বাগিছাৰ মালিকো নহয়, কিন্তু উদ্যোগ মন্ত্ৰী হিচাপে I feel very bad. যে আজি অসমৰ চাহ সম্পৰ্কত auction market ত আমাৰ positionটো কি হৈছে সেইটো ভালকৈ জানো। গতিকে সেইকাৰণে আজিৰ দিনটো আগৰ দৰেটো নহয়। আজি yellow Tea আছে, Green Tea আছে, Violet Tea আছে, White Tea আছে, Jasmine green Tea আছে, গ্ৰীনটিৰ বহুত ভাগ আছে। গতিকে আমি অসমত যেনেকৈ Manohari Tea Estate ৰ ৯৯৯৯.০০ টকা প্ৰতি

কেজি যোৰা সপ্তাহত শেষ অকচনত পাইছে। গতিকে আমি উন্নমানৰ চাহ যদি কৰিব পাৰো তেতিয়া আমি নিশ্চয় অকচন মাৰ্কেটত আগবাঢ়ি যাব পাৰিম আৰু পৃথিৱীত অসমৰ চাহৰ যি সুনাম আছে সেই সুনামটো আমি ৰক্ষা কৰিব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ।

**শ্ৰী পোনাকন বৰুৱা (চাবুৱা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, point of order.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** উপাধ্যক্ষ মহোদয়, point of order.

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বহক। Please sit down কোনো point of order নাই, বহক। ৰুলটো পঢ়ি ল'ব পাৰে দেখো ইমান দিনে কৈ আছোঁ। You go through the Rule. মাননীয় সদস্য, ৰুলটো পঢ়িব দিছো পঢ়ি লওঁক। তাৰ পিছত কব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** যাওঁ।

**মাননীয় উপাধ্যক্ষ ঃ** যাওঁ বুলি কৈছে, গুচি যাওঁক, কোনে ৰাখি থৈছে আপোনাক ইয়াত। ৰাইজে ভোট দিছে আপোনালোকক ইয়াত বহিবলৈ। যাব লাগে বুলি কোৱাটো সদনৰ উচিত নহয়। টেক্সপেয়াৰ মানি লৈ সদন চলাই আছোঁ।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, আজি Members Hoursত সোনাই সমষ্টিৰ সন্মানীয় বিধায়ক কৰিম উদ্দিন বড়ভূঞা ডাঙৰীয়াই স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত কেইটামান কথা তেখেতে আগবঢ়াইছে। তেখেতে আগতে যিখন লিখিত ভাৱে দিছিল তাত কিছু কথা কৈছে আৰু তাৰ বাহিৰে বক্তব্যতো কিছু কথা কৈছে। মই দুয়োটা কথাই সামৰি ল'বলৈ বিচাৰিছোঁ। সোনাই বিধান সভা সমষ্টিটো হৈছে শিলচৰ চহৰৰ একেবাৰে গাতে লগা সমষ্টি। যদিও আমি কওঁ শিলচৰ মেডিকেল কলেজ। কিন্তু, শিলচৰ মেডিকেল কলেজখন সোনাই সমষ্টিৰ অন্তৰ্গত, মানে সোনাই সমষ্টিতে অৱস্থিত। এতিয়া সোনাই বিধান সভা সমষ্টিত তেখেতে কিছু অভাৱ অভিযোগৰ কথা কৈছে। কিন্তু আমি বেলেগ বেলেগ সমষ্টিৰ যিবিলাক অভাগ অভিযোগ পাইছো য'ত য'ত বিশেষকৈ মেডিকেল কলেজ আছে, যোৰহাটেই হওঁক, ডিব্ৰুগড়েই হওঁক, নতুনকৈ এতিয়া লক্ষিমপুৰেই হওঁক, শিলচৰ এই ঠাই বিলাকত যথেষ্ট খিনি সেই সমষ্টিৰ লোকেৰে আন সমষ্টিতকৈ বেছি সুবিধা ভোগ কৰি আছে। এতিয়া আজি সোনাই সমষ্টিত যদি চাওঁ তাত আমি আমাৰ কমিউনিটি হেল্থ চেন্টাৰ, যাক আমি ৩০ খন বিচনাযুক্ত হস্পিতাল বুলি কওঁ, তাতে এখন আছে, তাৰ পিছত পি এইচ চি ৪ খনে আছে, সকলো মিলাই, ৩৬ টা চাবচেন্টাৰ আছে, ঠিক তেনেকৈ মই গোটেইখিনি কথা চাইছোঁ। ডাক্তৰ-নাৰ্চনো কিমান আছে তাত? সেইবুলি চালে এতিয়ালৈকে আটাইকেইখন হস্পিতাল মিলি সোনাই সমষ্টিত ১৫ গৰাকী ডাক্তৰ আছে, তাৰপিছত ২২ গৰাকী ষ্টাফ নাৰ্চ আছে, ৮০ গৰাকী এ এন এম আছে, ফাৰ্মচিষ্ট আছে ৭ গৰাকী, লেব'ৰটাৰী টেক্নেচিয়ান আছে ৭ গৰাকী, এই গোটেইখিনি যি আমি চাইছো, তাৰোপৰিও মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয় এখন আছে তাত সেইখন আদৰ্শ চিকিৎসালয় যিমান ষ্টাফ অনুমোদন আছে তাতকৈ কিছু কম আছে । কিন্তু তাত যদি আমি ভাবি চাওঁ যে আজি মেডিকেল কলেজ ষ্টাফ আছে, এতিয়া তাত তেওঁৰ সমষ্টিৰ অন্তৰ্গত ২০০ ৰ ওপৰত ডাক্তৰ আছে, পঢ়ি থকাৰ বাদে চাকৰি কৰা । গতিকে সোনাই সমষ্টিটোত ২০০ ৰ ওপৰত ডাক্তৰ, ৫০০ নাৰ্চ আছে । গতিকে পৰ্য্যাপ্ত পৰিমাণে তাত আছে আৰু জিলা হস্পিতাল যি খন আমাৰ চিভিল হস্পিতাল, সেইখন তেওঁৰ সমষ্টিৰ পৰা ২ কিলোমিটাৰ। তেওঁৰ সমষ্টিৰ প্ৰায় সকলোৰে চিভিল হস্পিতালৰ সা-সুবিধা পায় । তাৰ পিছতো মেডিকেল কলেজৰো সা-সুবিধা সমূহ পায় ।এতিয়া থকা কথা খিনি কৰবাত অলপ অলপ ডেফিচিট আছে,

মই সেইটো নকওঁ। এতিয়া ধৰক আমি ইয়াত বহা সকলোৱে ১২৬ টা সমষ্টিৰ হয়তো Sanction post ত যদি ডাক্তৰ থাকিব লাগিছিল সেইটো ২০ জন কৰবাত ১৫ জন । এইটো গোটেই ৰাজ্যতে কম হৈ আছে । এইটো কতো মেকআপ কৰিব পৰা কথা নহয়। আজি দুটামান কথা তেখেতে কৈছে যে মেডিকেল কলেজৰ Lift, তেখেতৰ ভাষণত কৈছে যে মেডিকেল কলেজৰ Lift তাত কম আছে । তাত তিনি খন আছে । আৰু তেখেতে কৈছে আৰু দুখনমান লাগে। এখন লিফ্‌ট বহুৱাব পৰা তাত সুবিধা আছে, তাতকৈ বেছি আৰু সুবিধা নাই । এই খন লিফ্‌ট আমি সোনকালে বহুৱাই দিম । তেতিয়া ৪ খন হ'ব । তেখেতে আৰু এটা কথা কৈ আছে যে ফাইয়াৰ ফাইটিং কথা। তাত আমাৰ সাধাৰণ ভাবে ফাইয়াৰ ফাইটিং ৰ ব্যৱস্থা থাকিব লাগে সেইটো আছে। কিন্তু এতিয়া আমি হাইড্ৰ'লিক systemত কাম আৰম্ভ কৰিছো। চেপাৰেট টেংকি থাকিব, চিচটেম বেলেগ হ'ব আৰু এইটো আমি ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম । প্ৰায় ১০ দিনত কৰিবলৈ চেষ্টা কৰিম । ৰাজ্য চৰকাৰৰ অসম পুলিচক এটা কথা অনুৰোধ কৰিছো যে স্পেচিয়েল ডি জি ফায়াৰ, সকলো মেডিকেল কলেজ আৰু জিলা হস্পিতালত সমূহত অহা ২৯ তাৰিখে গোটেই খিনিক এটা প্ৰশিক্ষণ দিবলৈ কৈছো । এতিয়া কৰবাত দুই এটা ঘটনা হৈছে তাৰ কাৰণে আমি সমস্যাত পৰিছো। আমাৰ ভিতৰৰ যিখিনি মানুহ তেওঁলোকক কেতিয়াবা এনেকুৱা ঘটনাৰ উপসম হ'লে কেনেকৈ কি কৰিব লাগিব একেদিনাই অসমৰ সকলো মেডিকেল কলেজ আৰু জিলা হস্পিতালত সমূহত তেওঁলোকৰ মানুহ গৈ প্ৰশিক্ষণ দিব । আৰু পাৰিলে চেষ্টা কৰিম সেইদিনাই আপোনালোকৰ কামটো আৰম্ভ কৰিবলৈ দিম । গতিকে আশা কৰিছো যে এই যি কেইটা কথা আপুনি কৈছে সেইকেইটা অতি সোনকালে কৰি দিম। আজি শিলচৰ আৰু কাছাৰৰ বিষয়ে যথেষ্ট ক'বলগীয়া আছিল, ক'বলৈ সুবিধা পালে ক'লোহেতেন। যথেষ্ট খিনি ব্যৱস্থা লোৱা হৈছে। তেখেতে আৰু এটা কথা কৈছে ৫০০ বেডৰ এখন চিকিৎসালয় তাত হৈ আছে। তাত হয়তো চুপাৰ স্পেচিয়েলিটি হিচাপে সেইটো আমি আৰম্ভ কৰিব পাৰিম । এতিয়া তাত কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰীৰ লগত সেইখিনি পৰ্য্যালোচনা কৰিছিলো । কামো সেইধৰণে নিৰ্ধাৰণ কৰিছো আৰু অতি সোনকালে তেওঁ আশা কৰাৰ নিচিনা ৰিভিউ কৰি কামৰ গতি বঢ়াব লাগে, সেইখিনি আমি ব্যৱস্থা কৰিম। কেঞ্চাৰ হস্পিতালৰ কাম তীব্ৰ গতিত হৈছে আৰু ৫০০ বেডৰ হস্পিতালৰ কাম লাহে লাহে হোৱা বুলি কৈছে হৈছে। এতিয়া বৰাক ভেলিত যি কৰো সোনাই সমষ্টিতে হৈ আছে। মেডিকেল কলেজৰ ওচৰত যদি মডেল হস্পিতাল থাকে তাত এনেও মানুহ যাব নিবিচাৰিব গতিকে তাত কাম বৰ বিশেষ কাম কৰি লাভ নহ'ব। তাৰোপৰি জিলাৰ চিকিৎসালয় খনো মাত্ৰ ২ কিলোমিটাৰ আতৰতে, শিলচৰ টাউনত আছে। সেইখনো উন্নত কৰিম । গতিকে বৰাক, শিলচৰ, সোনাইত পৰ্য্যাপ্ত পৰিমাণৰ চিকিৎসালয় উপলব্ধ হ'ব । ধন্যবাদ উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মাননীয় মন্ত্ৰীয়ে বক্তব্য ৰাখিব ।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক কৰিম উদ্দিন বৰভূঞা ডাঙৰীয়াই সদনত আগবঢ়োৱা কথাখিনি কৈছে যে তেখেত সকলৰ পথ নিৰ্মাণ কাৰ্য্য কেৱল কাগজ কলমেহে হৈছে আৰু এম.জি.এনৰেগাৰ আঁচনিৰ কাম সমূহতো বহুত দুৰ্নীতি হোৱা বুলি অভিযোগ কৰিছে । কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, আমি অৰ্থাৎ আমাৰ বিভাগে ২০১৬-২০২১ চনলৈ প্ৰায় ১৬৭৯ টা এম.জি.এনৰেগাৰ কাম হাতত লৈছিলো তাৰে ভিতৰত ৮৬৮ টা কাম সম্পূৰ্ণ কৰা হৈছে আৰু এই কামবিলাক JIO Tagging এনেয়ে কৰিব নোৱাৰে। মাননীয়

বিধায়কজন নিজেই যিহেতু সেই ব্লকৰ Vigilence Committee ৰ Chairman সেয়েহে প্ৰথমে তেখেতে নিজে JIO Tagging সমূহ পৰীক্ষণ আৰু পৰ্য্যবেক্ষণ কৰে। কাৰণ JIO Tagging এ কেতিয়াও মিছা কথা ক'ব নোৱাৰে ।

দ্বিতীয়তে, তাত যি দুৰ্নীতিৰ অভিযোগ কৰিছে এই সংক্ৰান্তত আমি চি.ই.ও. ক ইতিমধ্যে নিৰ্দেশ দিছো । তেখেতে অনুসন্ধান কৰি আছে আৰু প্ৰতিবেদন পোৱাৰ লগে লগে আমি বিহিত ব্যৱস্থা গ্ৰহণ কৰিম। ইতিমধ্যে বিভাগে যোৱা ৭ টা মাহত সংশ্লিষ্ট বিভাগে অভূতপূৰ্ব ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বৰাক উপত্যকাতে BDO পৰ্য্যন্তই জেলৰ ভাত খাবলগীয়া আৰু বৰ্খাস্ত আদিৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছিল। এখেতে কোৱাৰ দৰে অভিযোগ থকা বহু বিধায়কক জনাব বিচাৰিছো যে বিয়াৰ তাৰিখ পৰ্য্যন্ত ঠিক হোৱা অভিযন্তা আদিক বৰ্খাস্ত কৰিছো কাৰণ গ্ৰামোন্নয়ণ বা এম. জি. এনৰেগা ৰ আঁচনিসমূহত দুৰ্নীতি হ'বলৈ নিদিওঁ যিহেতুকে জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল 'ভাৰতবৰ্ষৰ আত্মা গ্ৰামাঞ্চলত লুকাই আছে' । আমি যদি এনেকুৱা ভাৰতৰ আত্মা লুকাই থকা ঠাইত দুৰ্নীতি হ'বলৈ দিওঁ, তেতিয়াহ'লে আমি ভাৰতবৰ্ষক বিকশিত কৰিব নোৱাৰিম আৰু যিহেতু মহাত্মা গান্ধীৰ নামটো লগোৱা আছে আৰু যি গৰাকীয়ে কৈছে যে ভাৰতীয়ৰ আত্মা গাঁৱত লুকাই আছে। মই আজি আশ্বস্ত কৰিছো নিশ্চিত ৰূপত আমি স্পেচিফিক কম্পপ্লেইন পোৱাৰ লগে লগে গৰৈমাৰী, বৰক্ষেত্ৰী ব্লকতেই হওক কি কি এক্সন লৈছো বিধায়কসকলে জানে। গতিকে সোনাইতো যদি তেনেকুৱা হৈছে নিশ্চিত ভাৱে এক্সন হ'ব। আপুনি এই বিষয়টো অনাৰ কাৰণে আপোনাক পুনৰবাৰ ধন্যবাদ জনাইছো আৰু ভিজিলেঞ্চ কমিটিৰ চেয়াৰমেন হিচাপে আপুনি নিজেও যাতে তদাৰক কৰে তাৰ কাৰণে আহ্বান জনাইছো। দ্বিতীয় বিষয়টো ভেণ্ডৰৰ কথা যিটো আজি আনিছে যে হয়, ভেণ্ডৰ আগতে মন'পলি আছিলে যে পাৰটিকুলাৰ ভেণ্ডৰৰ পৰাহে সামগ্ৰী ক্ৰয় কৰিব পাৰিব। বাকী কোনো ভেণ্ডৰৰ পৰা তেওঁলোকে মেটেৰিয়েলচ্ নলয়। আজি দুদিনমান আগতে আপোনালোকে বাতৰি কাকতত বিজ্ঞাপন দেখিছে, কিছুদিন আগতে আমি গাইড লাইনো প্ৰকাশ কৰিছো আৰু সেই গাইড লাইনৰ আধাৰত ইতিমধ্যে আমি উপায়ুক্ত সকলক নিৰ্দ্দেশ দিছো যে যদি যিকোনো বিক্ৰেতাই অংশগ্ৰহণ কৰিব খোজে, তেওঁলোকক ভেণ্ডৰ হিচাপে নিযুক্তি দিব লাগে। মাত্ৰ কনডিশ্যন হৈছে যে জি এচ টি, ট্ৰেড লাইচেন্স থাকিব লাগে। গতিকে আমি আগৰ মন'পলিটো ৰিলেক্স কৰি দিছো যাতে যেতিয়াই তেওঁলোকে ৰেজিষ্ট্ৰেশ্যন কৰে কৰিব পাৰে। সমগ্ৰ অসমৰ বিধায়ক সকলে এই ক্ষেত্ৰত যাতে সহায়-সহযোগীতা আগবঢ়াই তাৰ প্ৰতি মই আহ্বান জনাইছো। আজি কিছুদিন আগতে আমি মেটেৰিয়েলচৰো পেমেণ্ট দিছিলো। কামৰ ক্ষেত্ৰত কোনেও গাফিলতি কৰিব নোৱাৰে কিয়নো মেটেৰিয়েলচ্ৰ পেমেণ্ট দিয়াৰ সময়ত আমি বি ডি অ' সকলক লিখি দিছিলো যে যিসমূহ পথৰ কামৰ বাবে মেটেৰিয়েলচ্ দিয়া হৈছে, সেই সমূহ এনচিউৰ কৰিব লাগিব যে বি ডি অ'ৰ দ্বাৰা কাউণ্টাৰ চাইন কৰি দিব লাগিব, চিগনেছাৰ কৰি দিব লাগিব যে কম্পপ্লিটেড কামৰ বাবে মেটেৰিয়েলচ্ৰ পেমেণ্ট কৰা হৈছে। অতি আচৰিত কথা যে মেটেৰিয়েলচ্ৰ পেমেণ্ট কৰাৰ পিছতো মেটেৰিয়েলচ্ৰ পেমেণ্ট দুশ কোটি টকা ঘূৰি আহিছে। অৰ্থাৎ দুশ কোটি টকা মেটেৰিয়েলচ্ৰ পেমেণ্টৰ ক্ষেত্ৰত বি ডি অ' সকলে কৈছে যে তেওঁলোকে ডিমাণ্ড দিয়া নাই আৰু একচেপ্ত কৰা নাই যিহেতু আমি লিখি দিছো যে যি সমূহ কাম সম্পূৰ্ণ কৰা হৈছে তেওঁলোকৰ ক্ষেত্ৰত হে দিব লাগিব অন্যথা বি ডি অ' ৰ বিৰুদ্ধে একশ্যন হ'ব। আগতে মেটেৰিয়েলচ্ ৰ পইচাৰ কাৰণে হাহাকাৰৰ সৃষ্টি হয় কিন্তু এতিয়াও আমাৰ হাতত দুশ কোটি টকা আছে। সেয়ে আমি দেখিছো যে দুৰ্নীতি ৰোধ কৰাৰ ক্ষেত্ৰত আমি সফল হৈছো। তৃতীয়তে, আপুনি

ইয়াত এটা ভুল কথা দিলে যে “বিগত পাঁচ বছৰত এম জি এন ৰেগা আঁচনিৰ অধীনত সোনাই বিধান সভা সমষ্টিত যিমান পুখুৰী নির্মাণ কৰা হৈছিল মুঠ জনবসতি থকা মাটি-কালিতকৈ বেছি বুলি কৈছে। আপুনি ইয়াত দিছে যে সমষ্টিত বিগত পাঁচ বছৰত বিভিন্ন আঁচনিৰ অধীনত যিমান পুখুৰী খণ্ডা হৈছিল, এইয়া চাগে হিচাপ কৰিলে মুঠ নিবাসীক এলেকাতকৈ বেছি ভূখণ্ড সামৰি লৈছে। আমি যোৱা পাঁচটা বছৰত আপোনাৰ সমষ্টিত আমি পুখুৰী নির্মাণ কৰিছো ১৮৭ টা। ১৮৭ টা পুখুৰী নির্মাণ কৰোতে প্ৰায় ১০. ৯২ হেক্টৰ মাটি আবৰি লৈছে। আমি দেখিছো যে সোনাই বিধান সভা সমষ্টিত মুঠ ভৌগোলিক মাটিকালি আছে ১৮,৯৩৩ হেক্টৰ আৰু আমি পুখুৰী কৰিছো মাত্ৰ দহ হেক্টৰ মাটিত আৰু ক’ত ক’ত পুখুৰী কৰিছো তাৰ তালিকাখনো আছে। এনেকুৱা নহয় যে অফিচাৰে নিজৰ খুচিমতে কাম কৰিব আৰু এনেকুৱা ধৰণৰ প্ৰশাসন পূর্বতেও চলা নাই আৰু বর্তমানেও নাই। গতিকে আপুনি এটা ভাল কথা লিখিছে যে এচেট সৃষ্টি কৰাৰ কাৰণে। আমি যিবোৰ কাম-কাজ কৰি আছো, হয়, স্বাভাৱিকতে সেইয়া হৈছে আৰু আমাৰ ফিফটিন ফাইনেন্সৰ কাৰণে নতুন এচ ও পি কৰা হৈছিল। এই নতুন এচ ও পি ৰ আধাৰত এই কাম-কাজবোৰ কৰি আছো। ইয়াৰ ভিতৰত ২৪ খন গাঁৱক সামৰি আমাৰ ফ’ৰটিন ফাইনেন্সত যোৱা পাঁচটা বছৰত আমি ২৪ খন গাঁৱক সামৰি ২,৩৪২ টা আঁচনি ৰূপায়ণ কৰিছো। যি ২,৩৪২ টা আঁচনি হৈছে এই লিষ্টখন আপুনি মোৰ তাত, কমিশ্যনাৰ বা প্ৰিঞ্চিপাল চেক্ৰেটাৰীৰ ওচৰত পাব। আপুনি তেতিয়া নিজেই তদাৰক কৰিব যে কাম বিলাক হৈছে নে নাই? কাৰণ বৰাক ভেলীত এনেকুৱা ধৰণৰ কেচ বহুতো আছে। সেয়ে আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শমতে ১৬ জন এ চি এচ, এ এল আৰ এচ আৰু বি ডি অ’ নিযুক্তি দিছো। আনকি পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ যিজন কমিশ্যনাৰ তেখেতো বৰাক ভেলীৰে হয়। গতিকে বৰাক ভেলীত আমি যি মিশ্যন আৰম্ভ কৰিছো, যিসকলে চি এচ, এ এল আৰ এচ ট্ৰেইনিং লৈ তালৈ গৈছে। সেয়ে বিষয়া সকলক মই আহ্বান জনাইছো এইক্ষেত্ৰত যাতে আপোনালোকে সহায়-সহযোগিতা আগবঢ়ায় আৰু যি সমূহ দুনীৰ্তিত জাতিৰ পিতা মহাত্মা গান্ধীৰ নাম জড়িত হৈ আছে সেইবোৰ আমি সহজ ভাৱে একচেপ্ত নকৰো। সেইবোৰৰ ৰিপোৰ্ট অহাৰ লগে লগে আমি একশ্যন ল’ম আৰু একশ্যনৰ প্ৰথম কপিটো মই আপোনালৈ পঠিয়াম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়া, পৰিবেশ আৰু বন ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (পৰিবেশ আৰু বন) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী অজয় কুমাৰ ৰায় ডাঙৰীয়াৰ আলোচনাৰ বিষয়ত তেতিয়া বিজনীত এখন মিনি জু আছিল আৰু সেই জু-খন যাতে পুনৰুজ্জীৱিত কৰিব পাৰো তাৰ কাৰণে তেওঁ কিছুমান কথা আৰু তথ্য দাঙি ধৰিলে। সেই কথাটো আমি এতিয়া একেবাৰে সংক্ষিপ্তভাৱে কৈ দিব পাৰো যে হয় আমি কৰিম। এই কথাটো এই কাৰণেই উত্থাপন কৰা হৈছে সম্ভৱতঃ জু ত আমি কি বস্তু দেখিবলৈ পাম। মিনি য়েই হওক বা ডাঙৰেই হওক জু-ত জীৱ-জন্তু বিলাক থাকে। আমি মানুহ বিলাক ভালদৰে জীয়াই থাকিবলৈ হ’লে জৈৱ-বৈচিত্ৰ্যটো আমি বজাই ৰাখিব লাগিব। জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি যাতে মানুহৰ মৰম-চেনেহ বাঢ়ে তাৰ কাৰণে ব্যৱস্থা কৰা হয়। কেতিয়াবা আমি দেখো যে আমাৰ শ্ৰদ্ধাৰ শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই দীপৰ বিলৰ হকে খুব বক্তব্য ৰাখে আৰু যোৱা কালিও বক্তব্য ৰাখিছে। আজি ৰাতিপুৱা মই দীপৰ বিলত আমাৰ বিভাগৰ জৰিয়তে শ্ৰমদানৰ বাবে গৈছিলো। এই শ্ৰমদান কাৰ্য্যসূচীটো আমাৰ স্বাধীনতাৰ যি অমৃত মহোৎসৱ চলি আছে তাৰ ভিতৰত এটা কাৰ্য্যক্ৰম হিচাবে লৈছো। আগতে দীপৰ বিলৰ পাৰত থিয় হ’ব পৰা নগৈছিল কাৰণ তাত গোটেই পৰিবেশটো পলিউটেড হৈ আছিল। কিন্তু আজি মোৰ গৈ বহুত ভাল লাগিল কাৰণ আমাৰ চৰকাৰৰ

সময়ত যোৰা দুই-তিনিবছৰত দীপৰ বিলখন মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া আৰু আমাৰ বিভাগে চেষ্টা কৰি কিছু পৰিমাণে হ'লেও আমি জঞ্জাল মুক্ত কৰিব পাৰিছো। সেইকাৰণে পক্ষীৰ জাক দেখিলে ভাল লাগে। আপুনি কালিও কৈছে যে তালৈ পৰিভ্ৰমী চৰাই আহে আৰু এই পৰিভ্ৰমী চৰাইৰ জাক মোৰ আজি দেখাৰ সৌভাগ্য হ'ল আৰু লগতে আমাৰ কটন কলেজৰ পৰা যিখিনি ছাত্ৰ-ছাত্ৰী গৈছে তেওঁলোকক এই পক্ষীৰ জাকটো দেখুওৱাৰ ব্যৱস্থা কৰা হৈছিল। মই এই কথাবিলাক এই কাৰণেই ক'লো যে হয়, জু ত আমি এনেকুৱা পশু-পক্ষী বিলাকক সন্নিবিষ্ট কৰো যাতে ৰাইজে এই ব্যৱস্থাৰ প্ৰতি, জৈৱ-বৈচিত্ৰৰ প্ৰতি আগ্ৰহী হয়। আমাৰ মাননীয় সদস্য শ্ৰী অজয় কুমাৰ ৰায় ডাঙৰীয়াই এই যি মিনি জু ৰ কথা মোৰ আগত প্ৰায়েই কৈ থাকে যে এই ব্যৱস্থাটো ভালদৰে কৰিব লাগে আৰু আজি আপুনি এই পবিত্ৰ বিধান সভাত এই প্ৰশ্নটো উত্থাপন কৰাৰ বাবে মই ধন্যবাদ জনাইছো । ১৯৮২-৮৩ চন মানত বিজনীত ৩.৭ হেক্টৰ মাটি লৈ সৰুকৈ এই জু ৰ কাম আৰম্ভ হৈছিল। কিন্তু ইয়াত এটা অসুবিধা হ'ল যে যেতিয়া এইখন আৰম্ভ হৈছিল তেতিয়া চেণ্ট্ৰেল জু অথ'ৰিটিৰ পাৰমিশ্যন লোৱা নাছিল। ডাঙৰ জু য়ে হওক বা সৰু জু য়ে হওক যদিও Central Zoo Authority ত অনুমতি লোৱা নাছিল। তেওঁলোকৰ Authority হয়, ডাঙৰ চিৰিয়াখানা হওঁক বা সৰু চিৰিয়াখানা হওঁক Central Zoo Authority ত অনুমতি দিয়ে তেনেহ'লে এইটো আমি continue কৰি যাব পাৰো। আমাৰ চৰকাৰ অহাৰ পিছতে আপুনি নিৰ্বাচিত হোৱাৰ পিছত আৰু আপুনি যিমানখিনি লাগি আছে, এই ক্ষেত্ৰত মই ক'ব পাৰো যে আমাৰ চৰকাৰে Central Zoo Authority ৰ পৰা অনুমতি লোৱাৰ কাৰণে আমাৰ পইচাৰ ধাৰ্য্য থাকে। আমি তেওঁলোকক পইচা জমা দিলো আৰু তেওঁলোকৰ পইচা জমা পোৱা যিটো acknowledgment ২৫-০৭-২০০১ চনত তেওঁলোকে লিখিত ভাবে জনালে। প্ৰতি বছৰে আমি renew কৰিব লাগে, এই ক্ষেত্ৰত মই ভাবো তেওঁলোকৰ স্বীকৃতি আমি পাম। আমাৰ BTR চৰকাৰৰ ফালৰ পৰা এইটো আপোনালোকে জানে যে সেই এলেকাটো BTR ৰ অন্তৰ্ভূক্ত হয়। তেওঁলোকৰ ফালৰ পৰাও আমাৰ বিভাগেও কথা পাতিছে, আমিও পাতিছো, তেওঁলোকে ৩০ লাখ টকা ইয়াৰ কাৰণে ধাৰ্য্য কৰিছে। এই ৩০ লাখ টকাৰ কাম এতিয়া আৰম্ভ হৈছে। মই ভাবো এই ৩০ লাখ টকাৰ কাম আৰু লগতে স্বীকৃতি পোৱাৰ পাছত বা renewal হোৱাৰ পাছতে যিটো আমাৰ কৰিবলগীয়া কাম বিভাগে নিসন্ধে কৰিব। mini zoo ক লৈ concept টো আৰম্ভ হৈছিল। এইক্ষেত্ৰত মই ভাবো যে mini zoo টো আমি কিমানখিনি ৰাখিব পাৰো বা কি কি জীৱ আমি ৰাখিব পাৰো তাৰো এটা limitation আছে। এতিয়া তাত ২৭ টা হৰিণা আছে আৰু বাকী কেনেকুৱা আমি wild animals ৰাখিব পাৰো zoo ভিতৰত এই বিলাক আমাৰ Central Zoo Authority য়ে তেওঁলোকে নিৰ্ধাৰিত কৰি দিব। মই ভবো Central Zoo Authority ৰ ফালৰ পৰা যেতিয়া আমি renewal বা permission পাম। আমি ভাল কৰাৰ ক্ষেত্ৰত আমি নিশ্চয় এখোজ আগবাঢ়িম, আমাৰ BTR বন্ধু সকলৰ জৰিয়তে লগতে আমাৰ বিভাগৰ ফালৰ পৰা যিমানখিনি কৰিবলগীয়া আছে কৰিম। mini zoo খন আমি ভৱিষ্যতৰ ধুনীয়া mini zoo হিচাবে প্ৰকাশ কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ।

**শ্ৰী যোগেন মহন (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ২৩/২ ৰুল অনুযায়ী আমাৰ সন্মানীয় বিধায়ক শ্ৰী অজয় কুমাৰ ৰায় ডাঙৰীয়াই প্ৰশ্ন উত্থাপন কৰিছে আৰু জানিব বিচাৰিছে revenue সংক্ৰান্তত। তেওঁৰ প্ৰশ্নটো আছিল Re-

settlement কৰিবলৈ যোৱাৰ আগতে Resurvey হোৱাৰ পিছতে হে Resettlement হয়। Resettlement টো ১৯৭১ ৰ পৰা অসমত হোৱা নাই ২০০৮-০৯ ত অকল কামৰূপত হৈছিল। এতিয়া এইটো এটা পুৰণি Technology. এইটোৰ জৰিয়তে সম্ভৱ নহয়। আমি এইবাৰ Mission Vasundhara আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ এক অভিলাষী আঁচনি। এক যুগান্তকাৰী আঁচনি। ইয়াত তিনিটা Component ত আমাৰ এটা আছিল Purification and land records আমি ইয়াত ৯ টা পইন্ট দিছিলো। তাৰ পৰা আছিলে polygon survey যিখিনি MC based ৬৭২ খন আজিলৈ চাৰ্ভে হোৱা নাছিলে। সেইখিনি আমাৰ survey কৰিবৰ বাবে। তাৰ পিছত আছে Resurvey আমি জানো যে, অসমত revenue village ১৮,৭৭৯ খন আছে। এই তিনিটা Component লৈ Mission Vasundhara ৰ কাম চলি আছে। ২ অক্টোবৰ গান্ধী জয়ন্তীৰ দিনাখন মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই এই আঁচনিখন উদ্বোধন কৰিলে। আমি ভাবিছিলো ৩ লাখ মান মানুহৰ সমস্যা আছে বুলি কিন্তু ইয়াত যদি পৰ্টেলটো চায় তেতিয়া হ'লে গম পাব যে, ৯ লাখ মানুহে ইয়াতে আবেদন জনাইছে। online ৰ যোগেদি প্ৰায় ৭ লাখ ৯১ হাজাৰ আৰু বাকী Off line ৰ যোগেদি। মই আমাৰ মাননীয় বিধায়কসকলক চিঠিও দিছো ব্যক্তিগতভাৱে। এই Mission Vasundhara ৰ জৰিয়তে আপোনালোকৰ সমষ্টিত যিখিনি ভূমি সংক্ৰান্তীয় সমস্যা আছে আপোনালোকে নিজৰ চাৰ্কোলত গৈ ৰাজহ আদালৰ জৰিয়তে ৰাইজক awareness দিয়ক। দীৰ্ঘদীন ধৰি ভুগি থকা সমস্যাসমূহ Mission Vasundhara ৰ জৰিয়তে সমাধান কৰি চৰকাৰে এটা পদক্ষেপ ল'ব। আমাৰ চৰকাৰখন ১০ মে' ত ১ বছৰ হ'ব। ১০ মে' ৰ ভিতৰত এই ৯ লাখ সমস্যা সমাধান কৰিবৰ বাবে আমি এটা টাৰ্গেট লৈছে। তাৰ কাৰণে চাৰ্কোল অফিচত দিনে-ৰাতিয়ে কামখিনি কৰি আছে। Resurvey টোৰ কাৰণে আমি ইতিমধ্যে ২৫ টা টিম অসমৰ বিভিন্ন জিলাত তেওঁলোকে কাম কৰি আছে আৰু আমি Resurvey ৰ কামটো সমাপ্ত কৰিম ৩১ ডিচেম্বৰ ২০২২ ত। গতিকে আমি এই কামখিনি কৰিলে যিখিনি সমস্যা দীৰ্ঘদীন ধৰি আছিল, সেইখিনি সমাধান হ'ব। Resurvey হোৱাৰ পিছত আমি Resettlement ৰ কাম আৰম্ভ কৰিম। অসমৰ মাটিত ৫০ বছৰ Resurvey হোৱা নাই। এই কামখিনি Mission Vasundhara ৰ জৰিয়তে সমাধান হ'ব। কিমান মানুহৰ উত্তৰাধিকাৰী সূত্ৰে নাম বাকী আছে, কিমান মানুহৰ হোৱা নাই, এই গোটেই কথাখিনি আপোনালোকে নিজৰ সমষ্টিলৈ গ'লে চাৰ্কোল অফিচাৰ সকলৰ লগত কথা পাতিব। area correction আৰু name correction এই দুটা ডাঙৰ সমস্যা আছিলে, কাৰোবাৰ মাটি শুদ্ধ নহয়, কাৰোবাৰ নাম জবানবন্দী কপিত এটা কৰোৱাৰ নাম ভোটাৰ তালিকাত এটা আছে আৰু update mobile number. এই ৯ টা পইন্ট আছিল আমাৰ Mission Vasundhara ত। এতিয়া এই কামখিনি অসমত দ্ৰুতগতিত চলি আছে। প্ৰায় ২৪ শতাংশ কাম সম্পূৰ্ণ হৈছে। আমাৰ অজয় কুমাৰ ৰায় ডাঙৰীয়াই কৈছে এই settlement ৰ কামটো আমি ২০২৩ চনৰ পৰা আৰম্ভ কৰিম। অজয় কুমাৰ ৰায় ডাঙৰীয়া আপুনি যিখিনি কথা কলে সেইখিনি BTR এলেকা আৰু BTR ত এই revenue subject টো তেওঁলোকৰ ভিতৰৰ Subject, আমি তাত হাত দিব নোৱাৰো। মাননীয় বিধায়ক জনে BTR চৰকাৰৰ লগত কথা পাতি এই কামখিনি আগবাঢ়িলে আপোনালোকৰ তাত Resettlement ৰ কাম আৰম্ভ কৰিব পাৰিব। নিশ্চয় তেখেতে বুজি পাইছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধ্যনবাদ। এতিয়াও মাননীয় মন্ত্ৰী পৰ্য্যটন বিভাগ।

**শ্ৰী বিলম বৰা (মন্ত্ৰী, সাংস্কৃতিক ইত্যাদি) ঃ** বৰ্তমানৰ চিৰাং জিলাৰ অন্তৰ্ভুক্ত এই বিজনী ঐতিহাসিক

ঠাই। মহাৰাজ নৰনাৰয়ণৰ ভাতৃ চিলাৰাইৰ বংশধৰ ৰজা বিজিৎ নাৰায়ণে এই বিজনী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। ৰজা বিশ্বসিংহৰ বিশাল কোচ সামৰাজ্যৰ বিজনী আছিল এটা অংশ। বিজিৎ নাৰায়ণে বিজনীত যেতিয়া ৰাজধানী প্ৰতিষ্ঠা কৰিছিল, সেই ৰাজধানী প্ৰতিষ্ঠানৰ বাবে তেখেত ৰাজহাউলিকে ধৰি ঘোঁৰা ৰখা ঠাই, হাতী ৰখা ঠাই, পানী ব্যৱহাৰ কৰিবৰ কাৰণে পুখুৰী ইত্যাদি সমূহ খণ্ডোৱাইছিল আৰু সেই সমূহৰ ভগ্নাংশ আজিও দেখা যায়। তেওঁৰ দিনতে উক্ত স্থানত লক্ষীপূজা আয়োজন কৰা হৈছিল। সেই লক্ষীপূজা আজিৰ তাৰিখত এনেকুৱা এটা পৰ্য্যায় পাইছে গৈ যে সমগ্ৰ উত্তৰ-পূৱ ভাৰততে বিখ্যাত মেলালৈ পৰিগণিত হৈছে। বিজনীৰ ওচৰৰ ভেটা গাঁৱত থকা বুঢ়ি ঠাকুৰণি এখন থান ৰজা বিজিৎ নাৰায়ণে প্ৰতিষ্ঠা কৰিছিল। সেই ৰজা বিজিৎ নাৰায়ণে প্ৰতিষ্ঠা কৰা বুঢ়ি ঠাকুৰণি থানখনো সেই অঞ্চলৰ জনসাধাৰণৰ কাৰণে আধ্যাত্মিকভাৱে এক শক্তিশালী থান বুলি মানি আহিছে। কিন্তু ৰজা বিজিৎ নাৰায়ণৰ মৃত্যুৰ পিছতে কাষৰীয়া দেশ ভূটান, ভূটান ৰজাই সেনাপতি জাওৰিয়া ভোমৰ দ্বাৰা এই ৰাজ্য আক্ৰমণ কৰিছিল। তেওঁৰ একাধিক বাৰ আক্ৰমণত পিছলৈ তিষ্ঠিব নোৱাৰি যোগিঘোপাৰ ওচৰত দুমৰীয়াত বিজিৎ নাৰায়ণৰ ৰাজধানী পাতে আৰু দুমৰীয়াত **১৮৯৭** খৃষ্টাব্দ **১২** জুনৰ আবেলি **৫** বজাত এক প্ৰবল ভূমিকম্পত নৱনিৰ্মীত দুমৰীয়া ৰাজধানীৰ যথেষ্ট ক্ষয় ক্ষতি হয়। তাৰ পিছত পুনৰ ৰাজধানী স্থানন্তৰ কৰি অভয়াপুৰীত সেই সময়ৰ দেওঁ হাতী ফৰেষ্ট এৰিয়াৰ পূৱত থকা বাৰনগৰ বনৰ অতব্য হাবিৰ মাজত পুনৰ সেই ৰাজ্যৰ ৰাজধানী স্থাপন কৰে। এই অতব্য হাবিৰ মাজৰ পৰাই বিজিৎ নাৰায়ণৰ বংশধৰ কুমুদ নাৰায়ণে বিজনী ৰাজ্য শাসন কৰিছিল। সেই বিজনী ৰাজ্যৰ ৰাজধানী বৰ্তমান বিজনী চহৰৰ গাতে লাগি থকা পুৰণ বিজনী নামৰ সেই ঠাইডোখৰত আছিল। ভগ্নাংশবেশ পুনৰ উদ্ধাৰ কৰাৰ সংক্ৰান্তত মাননীয় সদস্য ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে যে আমি পৰ্য্যটনস্থলীলৈকে সেই ঠাই ডোখৰক ৰূপান্তৰ কৰিব পৰা যায় নেকি? সেই ক্ষেত্ৰত তাৰ যি ইতিহাস আছে, সেই ইতিহাস জানিবৰ কাৰণে আমাৰ পুৰাতত্ব বিভাগৰ পত্নতত্ব সঞ্চালকয় আছে, সেই পত্নতত্ব সঞ্চালকয়ৰ ফালৰ পৰা **২০১৬** চনত বিজনী লক্ষীমন্দিৰ আৰু ৰাজাপুখুৰীত ক্ষেত্ৰ অধ্যায়ণ কৰা হৈছিল। আৰু লক্ষীমন্দিৰ প্ৰাঙ্গণত বৰ্তমান আধুনিক মন্দিৰ নিৰ্মাণ হৈছে ৰাইজৰ সহযোগত। মন্দিৰ প্ৰাঙ্গণত প্ৰাচীন শিৱ মন্দিৰৰ সেই সময়ৰ ক্ষেত্ৰ অধ্যায়ণৰ সমচোৱাত কিছু ভগ্নাংবেশ পোৱা গৈছে। সেই ভগ্নাংবেশবোৰ মন্দিৰ প্ৰাঙ্গণত সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰো। মাননীয় সদস্য ডাঙৰীয়াই সেই ঠাইডোখৰ বহু লোকে বে-দখল কৰি আছে বুলি তেখেতৰ বক্তব্যত উত্থাপন কৰিছে। হয়, যে তাত বহু মাটি বে-দখল হৈ আছে, ঐতিহাসিক ৰাজা পুখুৰীকে ধৰি সেই অঞ্চলসমূহক বে-দখল মুক্ত কৰি সংৰক্ষিত স্মাৰক হিচাপে ঘোষণা কৰিবৰ কাৰণে প্ৰত্নতত্ব সঞ্চালয়ক ইতিমধ্যে দায়িত্ব অৰ্পণ কৰা হৈছে আৰু অসম প্ৰত্নতত্ব সঞ্চালয়ক বি টি চি কতৃপক্ষৰ লগত যোগাযোগ কৰি আছে, কাৰণ সেই অঞ্চলটো বি টি চিৰ কতৃপক্ষৰ অধীনত। সেই কাৰণে অসম চৰকাৰৰ এই বিভাগে বি টি চিৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ চলাই আছে। তাৰ লগে লগে বিজনী থকা ৰাজা বিজিৎ নাৰায়াণৰ অন্যান্য যি সমূহ প্ৰত্নতত্ব কৃতীচিহ্ন আছে, সঞ্চালয়কৰ তৰফৰ পৰা সেই সমূহ জৰীপ কৰি অনুসন্ধান কৰি সংৰক্ষণৰ কাৰণে ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয় ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে বুলি তেখেত সকলে জনাইছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ঐতিহাসিক এই ঠাইডোখৰ বে-দখলমুক্ত সংক্ৰান্তত বি টি চিৰ পৰা পোৱা তথ্য অনুসৰি বিজনী গাঁৱৰ দাগ নং **৯৫** মুঠ মাটিকালি **৩** বিঘা, **৩** কঠা, **১৮** লেছা ৰাজবাৰী হিচাপে আৰু দাগ নং **১০২**, **২** বিঘা, **৫** লেছা মাটি পুখুৰী হিচাপে নথিভুক্ত হৈ আছে। ইয়াৰে মুঠ ৪ বিঘা, ৪ কঠা, **৩** লেছা মাটিত কেইবাটাও পৰিয়ালে ঘৰ-বাৰী বনাই, পুখুৰী খান্দি, গছ

গছনি ৰুই ইতিমধ্যে দখল কৰি আছে। গতিকে উক্ত প্ৰতিবেদনৰ পৰা দেখা যায় যে উক্ত মাটি আৰু পুখুৰী পূৰ্বতে ৰাজবাৰীৰ অধীনত আছিল। এই বিষয়ে বি টি চিৰ কৰ্তৃপক্ষক আমি বিভাগৰ তৰফৰ পৰা আহ্বান জনাম যে, সেই বে-দখল ঠাইসমূহ যাতে মুক্ত কৰে আৰু ভৱিষ্যতৰ দিনত এই অঞ্চলটোক এক ঐতিহাসিক স্থান হিচাপে পৰ্যটক দৃষ্টিভঙ্গীৰে নিশ্চিতভাৱে চৰকাৰৰ তৰফৰ পৰা পৰ্য্যালোচনা কৰি উদ্যোগ গ্ৰহণ কৰা হ'ব। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, point of order. বিশেষকৈ paperless ৰ কাৰণে, online system কৰা হৈছে answer & question কাৰণে। কিন্তু মহোদয়, মোৰটো গোটেই কেইটাই less হৈ গৈছে। কিছুমান বিধায়কৰ membership ৰ against ত দুটাকৈ দিয়া আছে। যেনেকৈ বি জে পি বিধায়কৰ against ত কংগ্ৰেছৰ membership দিয়া হৈছে। মোৰ against বি জে পি member হিচাপে দিয়া হৈছে। এই খেলিমেলিটো অতি সোনকালে ঠিক কৰিব লাগে। নহলে ভুল message যাব।

**মাননীয় উপাধ্যক্ষ** ঃ এইটো correct কৰা হ'ব।

**শ্ৰী আমিনুল ইছলাম (মানকাছাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমটো Member’s hour ত তিনিটা বিষয়ৰ ওচৰত মোৰ বক্তব্য আছিল। প্ৰথম দুটা বিষয়ৰ ওপৰত answer দুজন মন্ত্ৰী মহোদয়ে দিছিলে, কিন্তু তৃতীয় বিষয়টো road communication আছিলে, তাৰ উত্তৰটো সেই সময়ত সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে আশ্বাস দিছিলে যে আপোনাৰ এই উত্তৰতো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে দিব। মই notice দিছিলো, উত্তৰটো কেতিয়া পাম।

**মাননীয় উপাধ্যক্ষ** ঃ অহা **২৩** তাৰিখে এই বিধান সভাতে পাব আপোনাৰ উত্তৰ।

**শ্ৰী আমিনুল ইছলাম (মানকাছাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Thank you.

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ- point of order, এতিয়া যিটো কায্যসূচী আছে, list ত মই পাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ- আপুনি বহক। এইটো অহাই নাই আপুনি কেনেকৈ ক'ব?

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ-কথাখিনি শুনিলে বুজি পাব মই কি ক'ব বিচাৰিছো, ইয়াত কি ভুল আছে নুশুনিলে কেনেকৈ গম পাব।

**মাননীয় উপাধ্যক্ষ** ঃ- please sit down আপোনাৰ শুনিম, আপোনাক ক'বলৈ সময় দিম। please sit down.

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ- Rule and Procedure ৰ নিয়মত মই কৈ আছো।

**মাননীয় উপাধ্যক্ষ** ঃ- You can not force. please sit down .

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ- You can walk out.

(শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই সদন ত্যাগ কৰে)

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া আমাৰ বিধান সভাৰ আজিৰ কাৰ্য্যসূচী নং ৪। বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী স্থগিত সংকল্প প্ৰস্তাৱ এটা মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ আৰু শ্ৰী জাকিৰ হুছেইন সিকদাৰৰ নামত আছে। যোৱা ইংৰাজী ১৩-০৭-২০২১ তাৰিখে প্ৰস্তাৱক শ্বেৰমান আলি আহমেদ আৰু মাননীয় সদস্য শ্ৰী চিৰাজ উদ্দিন আজমল ডাঙৰীয়াই বিষয়টোৰ ওপৰত বক্তব্য আগবঢ়াইছিল। প্ৰস্তাৱক শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই বক্তব্য আগবঢ়াবলৈ লওঁতেই

সদনৰ কাৰ্য্যসূচীৰ অন্ত পৰে। আজি প্ৰস্তাৱটো পুনৰ আলোচনাৰ বাবে লোৱা হৈছে। এতিয়া মাননীয় সদস্য হুছেইন সিকদাৰ ডাঙৰীয়াক ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনোৱা হৈছে। এতিয়া হয়তো জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া নাই, গতিকে মোৰ হাতত আৰু তিনি গৰাকী ব্যক্তি আমাৰ আমিনুল ইছলাম (জ্যেষ্ঠ), হাফিজ ৰফিকুল ইছলাম ডাঙৰীয়া আৰু আশ্ৰাফুল হুছেইন এই তিনিগৰাকীৰ নাম পাইছো। যিহেতু জ্যেষ্ঠ আমিনুল ইছলাম ডাঙৰীয়াই Walk out কৰিছে, গতিকে মই ৰফিকুল ইছলাম ডাঙৰীয়াক অনুৰোধ কৰিছো বক্তব্য ৰাখিবলৈ আৰু যদি কোনোবাই ক'ব বিচাৰে ইয়াৰ ওপৰত তেতিয়া নামটো দিব পাৰে।

**ড০ ৰফিকুল ইছলাম (জনীয়া)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ যিটো ৰিজ'লেশ্যন আছিল wakf সম্পত্তিৰ ওপৰত। ইয়াৰ আগতেও আলোচনা হৈছে আমাৰ মাননীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়াই বহুত গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আনিছিল। বিধান সভাত যথেষ্ট আলোচনা হৈছে আৰু ১৫০০০ wakf সম্পত্তি, যি বেদখল হৈ আছে। এই সম্পত্তিখিনি বেদখল মুক্ত কৰি, প্ৰপাৰ যদি ইয়াক ব্যৱহাৰ কৰিব পৰা যায় আৰু ইয়াৰ utilization যদি শুদ্ধভাৱে হয়, মাননীয় উপাধ্যক্ষ মহোদয়, হাজাৰ হাজাৰ কোটি টকা আমি ইয়াৰ পৰা ৰেভিনিউ পাম। কিন্তু দুৰ্ভাগ্য যে বহুবাৰ আলোচনা কৰাৰ পাছতো বছৰ বছৰ হৈ গ'ল, এই সম্পত্তিবিলাক দখল কৰাৰ কাৰণে বা proper use কৰাৰ কাৰণে সঠিক সিদ্ধান্ত লোৱা নহ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, Wakf দুই ধৰণৰ। ইতিমধ্যে আলোচনা হৈছিল Wakf মানে to donate আৰবী শব্দ Wakf mean to donate something to somebody. একোজনৰ ৪৫০০ বিঘা সম্পত্তি আছে শিলচৰৰ। আমাৰ মাননীয় সদস্য লস্কৰ ডাঙৰীয়াও আছে, তেখেতৰ forefathers য়ে donate কৰা ৪,৫০০ বিঘা মাটি, শিলচৰ টাউন আৰু ইয়াৰ আশে- পাশে এই অঞ্চলবিলাকত donate কৰি গৈছিল। মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটীৰ ফাঁচীবজাৰৰ নিচিনা ঠাইত ১৪ বিঘা ২ কঠা মাটি donate কৰা আছে।

(মাননীয় অধ্যক্ষৰ আসনত সভাপতি শ্ৰী প্ৰদীপ হাজৰিকাদেৱে আসন গ্ৰহণ কৰে)

এই Wakf property fancy বজাৰত আছে। উলুবাৰী পানবজাৰ মিলি কমেও ৩০ বিঘা মাটি, পাণবজাৰৰ নিচিনা ঠাইত, গুৱাহাটীৰ মাজমজিয়াত আছে। ভঙাগড়ত ১৪ বিঘা মাটি আছে ৰিহাবাৰীত ৪ বিঘা মাটি আছে, গোৱালপাৰাত ডাঙৰ ডাঙৰ দুটা property আছে। ধুবুৰী টাউনতে ১০০ বিঘা মাটি আছে আৰু হামিদাবাদ যি এৰিয়া সেই অঞ্চলত হাজাৰ হাজাৰ বিঘা মাটি আছে। শিলচৰ টাউনতে কেৱল ৫০০ বিঘা হ'ব আৰু আশে পাশে ৪,৫০০ বিঘা, এনেকুৱা আৰু আছে গোটেই অসমত, মই গোটেইখিনিৰ হিচাপ দিব বিচৰা নাই। ১৫,০০০ wakf property আছে ১৫,০০০ বিঘা নহয়। ১৫,০০০ property একোটা property ত ৪৫০০ বিঘালৈকে মাটি আছে। এক কঠাৰ পৰা আৰম্ভ কৰি এই wakf ৰ দানবীৰসকলে donate কৰিছিল দুটা, দুইধৰণৰ। wakf means to donate. wakf is চাবিইল্লাহ। to donate for the sake of almighty Allah. যি দানবীৰ সকলে দান কৰি গৈছিল, for the sake of almighty Allah.তেখেতসকলে তাতে নিজৰ ল'ৰা-ছোৱালীৰ কাৰণেও একো ৰাখি যোৱা নাই। এই গোটেইখিনি চৰকাৰৰ, বা গোটেইখিনি wakf Board ক তেখেতসকলে সম্পত্তিখিনি চমজাই দিছে, আৰু এটা property হ'ল ৱাকফিল্ড আউলাত। এই ৱাকফিল্ড আউলাত এইটো সম্পত্তি তেখেতসকলৰ ল'ৰা-ছোৱালীৰ Succeeding generation ৰ এটা চেয়াৰ থাকিব, কিন্তু এই সম্পত্তি বিক্ৰী কৰিব নোৱাৰিব। wakf Board য়ে তাৰ পৰা এটা percentage পাব। গোটেইখিনি

চোৰাচিতা wakf Board য়ে চৰকাৰীভাৱে কৰিব। অৱশেষত দুইধৰণৰ যি wakf চাবিইল্লাহ অৰ্থাৎ for the sake of almighty Allah যিটো donate কৰিছে সেই সম্পত্তি খিনি আৰু ৱাকফিল্ড আউলাত যিটো ল'ৰা-ছোৱালীৰ চেয়াৰ আছে, সেই গোটেইখিনি Board ৰ নিয়ন্ত্ৰনত লৈ এই সম্পত্তিখিনি খালী কৰি যদি proper use কৰিব পৰা যায়, তেতিয়াহলে আজি minority student তেখেতসকলে scholarship ২০০০ টকাৰ কাৰণে ৰাস্তাই ৰাস্তাই ঘূৰি আছে, পোৱা নাই, দুখীয়া নিচলা মানুহৰ ল'ৰা-ছোৱালী। ৪,০০০ কাৰণে apply কৰি তেখেতসকলে ঘূৰি আছে। গুৱাহাটীৰ ফাঁচীবজাৰ, ভঙাগড়, পাণবজাৰ, শিলচৰ, গোৱালপাৰা, ধুবুৰী এইকেইটা property যদি খালী কৰি আমি develop কৰিব পাৰো। অসম চৰকাৰে পইচা দিব নালাগে, আমি পইচা অসম চৰকাৰৰ পৰা বিছৰা নাই। wakf ৰ এই property. Central wakf Board ৰ লগত যদি আলোচনা কৰা যায়, তেখেতসকলে interest free Loan দিব, Interest free Loan দিলে, thousand crore তেওঁলোকৰ পৰা Loan পোৱা যাব। আমাৰ এই property বিলাক যদি আমি খালী কৰিব পাৰো আজি গুৱাহাটীতে তিনিটা film Hall চলি আছে, wakf ৰ property ত। মই ভাবো যি সকলে দান কৰিছিল, যে এই property ৰ সঠিক ব্যৱহাৰ হ'ব, ইয়াৰ পৰা যিটো income হ'ব, ইয়াৰ আমাৰ অসমৰ যিসকল দুখীয়া নিচলাৰ কাৰণে যদি খৰচ কৰিব পৰা যায় সেই কামবিলাকত যদি এই property খৰচ কৰিব পৰা যায় তেতিয়া হ'লে minority student development ৰ কাৰণে, শিক্ষা দীক্ষা, স্বাস্থ্য বিভিন্ন ক্ষেত্ৰত এইবিলাক খৰছ কৰিব পৰা যায়।

**ডঃ ৰফিকুল ইছলাম (জনীয়া) ঃ..ক্ৰমশ..**100 something bigha মাটি সেইখিনিও মুক্ত হ'ব লাগে আমি বিচাৰো। সত্ৰ, মছজিদ, মন্দিৰৰ এক কঠা এক লেচা মাটিও কোনেও বে-দখল কৰিব নালাগে। যদি কোনোবাই কৰিছে, চৰকাৰৰ prime duty দায়িত্ব সেইবিলাক মুক্ত কৰা। কিন্তু আমি লক্ষ্য কৰিছো সত্ৰৰ মাত্ৰ তিনি চাৰিটা সত্ৰৰে হিচাপ দিয়ে যে এইখিনি বে-দখল হৈছে। সত্ৰৰ এক ইঞ্চি মাটি বে-দখল হ'লে এইখিনি মুক্ত যিমান সোনকালে পাৰি, খুব কম সময়ৰ ভিতৰত চৰকাৰে কৰিব লাগে। কিন্তু এই কেচেটটো থৈ গ'লে লাভ নাই। ঠিক তেনেকুৱা ধৰণৰ আজি Wakf ৰ property যিসকলে দান কৰি থৈ গৈছে, সেইসকলৰ আত্মাই কষ্ট পাই আছে। এই property বিলাক এনেকুৱা মাননীয় সভাপতি মহোদয়, আমাৰ বিধান সভাৰ পৰা enquiry committee কমিটী গৈছিল। enquiry committee য়ে নিজে গৈ চাইছিল ফেঞ্চি বজাৰত এনেকুৱা যে সাতশ পঞ্চাছ টকা সেয়া তেখেতসকলে Wakf Board ক ভাড়া দি আছে আৰু নিজে এক লাখতকৈ অধিক টকা collection তেখেতসকলে উঠাই আছে এই property ৰ পৰা। এই কামবিলাক কেনেকৈ কৰিব পাৰিছে। সাতশ টকা ভাড়া দি সেই property তেখেতসকলে more than one lakh তাৰ পৰা ভাড়া collection কৰি আছে। মই এটা উদাহৰণহে দিছো। বিধান সভাৰ সদস্য সকলে গৈ enquiry কৰি এই ৰিপোৰ্টবিলাক চাবমিট কৰিছে। কিন্তু তাৰ পিছতো কোনো ধৰণৰ পদক্ষেপ লোৱা নহ'ল। মই অনুৰোধ কৰিম আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যাতে এই কথা বতৰা বিলাকত যাতে গুৰুত্ব দিয়ে যে, Wakf ৰ এই property গুৱাহাটীৰ কেইটামান property, শিলচৰ, গোৱালপাৰা, ধুবুৰীৰ property খিনি খালী কৰি যদি উন্নত কৰিব পৰা যায়, অসমৰ কামত আহিব। আজি minority majority ৰ ল'ৰা-ছোৱালীখিনিও যদি দিয়ে আমাৰ কি অসুবিধা আছে। Majority minority ৰ যি ঠাইৰে নহওঁক কিয় অসম সন্তান যিসকল needy. আজি উচ্চ শিক্ষাৰ কাৰণে তেখেতসকলে

হাহাকাৰ কৰি আছে, পইচা নাই তেখেতসকলৰ ওচৰত। এই property খিনি develop কৰি তাৰ পৰা যি revenue collection হ'ব ইয়াৰ দ্বাৰা যদি আমাৰ অসমৰ needy student বা দুখীয়া ৰোগী সেই সকলক যদি সহায় কৰিব পৰা যায় কিমান ডাঙৰ পুণ্যৰ কাম হ'ব। যিসকলে এই উদ্দেশ্য লৈ donate কৰিছিল, তেখেতসকলৰ আত্মাই শান্তি পাব। মাননীয় সভাপতি মহোদয়, এই কথাটো বাৰে বাৰে যাতে উত্থাপন হ'ব লগা নহয়, দহ বছৰৰ পৰা ময়ে কেইবাবাৰো participate কৰিলো যিমান সোনকালে পৰা যায়, Wakf Board constitute কৰক আজি বোৰ্ড নাই, বোৰ্ড নোহোৱাকে চলি আছে। মই এইটো কৈছো যে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লওঁক। তেখেতে উচ্ছেদ কৰাত ঠিক আছে ভাল কথা, আজি উচ্ছেদ কৰিছে, চৰকাৰী মাটি বে-দখল মুক্ত কৰিব, কিন্তু এই দেশৰ মানুহ যিসকলৰ মুৰৰ ওপৰত চালি নাই, পেটত ভাত নাই, সেই সকলৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। কিন্তু আমি লক্ষ্য কৰিছো কিছুমান জাগাত উচ্ছেদ কৰি মানুহ বিলাক এতিয়া মুকলি আকাশৰ তলত আছে এইবিলাক কৰিছে। মাননীয় মুখ্যমন্ত্ৰীৰ ওপৰত আমাৰ আশা আছে যে, তেখেতে Wakf ৰ property খালী কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে দায়িত্ব লওঁক, তেখেতে এই বিভাগটো তেখেতৰ অধীনত লওঁক আৰু তেখেতে দায়িত্ব লৈ Wakf ৰ property খিনি খালী কৰি শুদ্ধ ইয়াৰ ব্যৱহাৰৰ কাৰণে কৰিব লাগে আৰু Mutawalli মাননীয় সভাপতি মহোদয়, যিটো আয়োজন Mutawalli ত থাকে, Mutawalli মানে যিজনে দেখা-শুনা কৰে এই property ৰ কাৰণে তাৰ কাৰণে আই এচ অফিচাৰ নিযুক্ত কৰক। আমিতো কোৱা নাই যে ৰফিকুল ইছলামক দিব লাগে, শ্বেৰমান আলীক দিব লাগে। আমি বিচৰা নাই। আই এচ অফিচাৰক নিযুক্তি দি Mutawalli ৰ Wakf Property খিনি assess কৰি যিসকলে এক লাখ টকা ভাড়া দিব লাগে, সাতশ টকা বা তিনিশ টকা, দুশ টকা, পঞ্চাছ টকা ভাড়া দি আছে। আজি যদি শিলচৰত আপুনি যায় আৰু যি purpose ত Wakf কৰা হৈছিল, সেই purpose ত ব্যৱহাৰ নহৈ অন্য উদ্দেশ্যত ব্যৱহাৰ হৈ আছে। গতিকে এই বস্তুখিনি চালি-জাৰি চাই বাৰে বাৰে উত্থাপন কৰিব নালাগে। মাননীয় সভাপতি মহোদয়ক অনুৰোধ কৰিছো আপোনাৰ যোগেদি চৰকাৰে এইখিনি seriously লৈ অতি কম দিনৰ ভিতৰত Wakf Board গঠন কৰি আই এচ অফিচাৰ নিযুক্তি কৰি এই বে-দখল কৰা property খিনি মুক্ত কৰি তাতে আঁচনি লৈ Central Wakf Board ৰ লগত যোগাযোগ কৰি তেখেত সকলে interest free loan দিব সেই টকা আনি সেইখিনি develop কৰি ইয়াৰ পইচা দহ হাজাৰ কোটি টকা বছৰি income. হ'ব। অসমৰ গাইড-লাইন আছে, সেই অনুপাতে যিসকল Needy, প্ৰায় জিলাত আছে। মই কেইটামানহে নাম কৈছো। যদি এই Wakf property খিনি, মুছলমান সম্প্ৰদায়ৰ দানবীৰ সকলে দান কৰিছিল গতিকে মন বহল। যদি আপোনালোকে মিলি-জুলি কয় এইখিনি develop কৰক। ১০ হাজাৰ কোটি টকা যদি collection হয়, ৫ হাজাৰ কোটি টকা অন্য জনগোষ্ঠীয়ে পালে আমি ভালহে পাওঁ। যদি Constitution আছে, amend কৰি তেনেকুৱাও কৰিব পাৰে এতিয়া এক টকা পোৱা নাই, বছৰি দহ লাখ টকা collection হোৱা নাই য'ত বছৰি দহ হাজাৰ কোটি টকা collection হ'ব। তাতে যদি অন্য জনগোষ্ঠীৰ ল'ৰা-ছোৱালীও এই Wakf property ৰ পৰা তেখেতসকল উপকৃত হয় তেখেতসকলৰ ৰোগীসকলৰ চিকিৎসা হয়, ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা-দীক্ষাৰ কাৰণে খৰছ কৰিব পৰা যায় আমাৰ কি আপত্তি থাকিব পাৰে। আমাৰ মনটো বহল। আমি অসমীয়া। অসমৰ প্ৰত্যেক জাতি-জনগোষ্ঠী সমানভাৱে আগুৱাই যাব লাগিব। তাৰ কাৰণে আমাৰ মনত জাগা আছে। কিন্তু আমি লক্ষ্য কৰিছো, আজি ভাগ ভাগ

কৰাৰ চেষ্টা চলি আছে। বৰ দুখেৰে এই কথাবিলাক ক'ব লাগে। আজি সভাপতি মহোদয়, যিটো অসমত চলিছে ইমান তললৈ আমি গৈছো, আমাৰ অসমখন কিন্তু তেনেকুৱা নাছিল। অসমৰ ছবিখন আজি বেলেগ ৰাজ্যত দিল্লীৰ level ত গৈ অসমখনক যেনেকৈ দাঙি ধৰিব বিচৰা হৈছে, অসমখন তেনেকুৱা নহয়।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় সভাপতি মহোদয়, তেখেতসকলে যে কৈছে এদিন সত্ৰৰ কাৰণেও তেখেত সকলে মাতক। আমি ভাল পাম। কেৱল Wakf Board ৰ কথায়েই কৈ থাকে।

**ডঃ ৰফিকুল ইছলাম (জনীয়া) ঃ** সত্ৰৰ কাৰণেও মাতিম। আজি যিহেতু Resolution Wakf property ৰ ওপৰত আছে। মই এতিয়া সত্ৰৰ কথা বেছিকৈ মাতিলে মাননীয় সভাপতি মহোদয়ে Ruling দিব যে, আপুনি ক'ব নোৱাৰে। সত্ৰৰ কথা কৈছে মোৰ বৰপেটাৰ সত্ৰ নগৰী। আমি লক্ষ্য কৰিছো বৰপেটাত discrimination কৰা হৈছে। আজি শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ তেখেতসকলৰ কৰ্মভূমি, তেখেতসকলে তাতে আশীৰ্বাদ দিছে, তাতে ইমান,সত্ৰ আছে কিন্তু আপুনি বৰপেটা যাওঁক, কি অৱস্থা তাৰ আন্তঃগাঁথনি উন্নত হোৱা নাই। তাতে যেনেকৈ পইচা-পাতি দিব লাগিছিল বৰপেটাত কিন্তু তেনেকুৱা দিয়া নাই। সুন্দৰদিয়া সত্ৰৰ পৰা আৰম্ভ কৰি বৰপেটা সত্ৰ, বজীয়া সত্ৰ বৰপেটা টাউনত গোটেই চাৰিওফালৰ পৰা সত্ৰ। গতিকে সত্ৰ নগৰী হিচাপে declare কৰি আপুনি এক হাজাৰ কোটি টকা declare কৰক। এইটো অন্তৰৰ পৰা আমি বিচাৰি আছো। কিন্তু তাহানিৰ পৰা বৰপেটাক deprive কৰা হৈ আছে। বৰপেটা সত্ৰৰ যিমান মূল্যবান মাটি আছে এইবিলাকো যদি আপোনালোকে উন্নত কৰিব পাৰে শুদ্ধ ৰূপত ব্যৱহাৰ কৰিব পাৰে। তাৰ পৰা বহুত ল'ৰা-ছোৱালীক আপোনালোকে সহায় কৰিব পাৰিব। সেইটো আপোনালোকে কৰা নাই। যি নহওঁক আজি যিহেতু এইটো topic নহয়, তথাপিও মই demand দিলো আপুনি কোৱাৰ কাৰণে আপোনাক ধন্যবাদ। মই মোৰ আলোচনা চমুৱাইছো। Wakf ৰ এই property যিমান বে-দখল হৈছে মাননীয় সভাপতি মহোদয়, এইখিনি বে-দখল মুক্ত কৰি ইয়াৰ শুদ্ধ ব্যৱহাৰ কৰি ইয়াৰ যি income হ'ব সেইখিনিৰ দ্বাৰা অসমৰো বহুত development কাম হ'ব এই কামখিনি অতি সোনকালে কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**সভাপতি ঃ** ইয়াৰ পাছত আছে, শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় সভাপতি মহোদয়, এই resolution ৰ বিষয়ত দু-যাৰ মইও সংযোজন কৰিব বিচাৰিছো। আপুনি সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। মহোদয়, যিখিনি Wakf property এইখিনি ইছলাম ধৰ্মাৱলম্বী লোকসকলে ধাৰ্মিক অথবা সামাজিক কামৰ বাবে তেখেতসকলে দান দিয়া সম্পত্তিৰ পৰা যাতে সমাজৰ উন্নয়ন কৰিবৰ বাবে সেইটোৱেই মূল উদ্দেশ্য। ভাৰত চৰকাৰেও ইয়াত গুৰুত্ব দিছে। গতিকে Central আইন ইয়াৰ বিষয়ত আনিছে আৰু এই ধৰ্মৰ অন্যান্য ৰাষ্ট্ৰতো আছে গতিকে সেইসমূহ ৰাষ্ট্ৰতো এনেকুৱা Wakf property থাকে আৰু সেই বিলাকতো আমাৰ ইয়াত উল্লেখ হোৱাৰ নিচিনা দুনীৰ্তিৰ অভিযোগ থাকে। যিটো আকবৰৰ ৰাজসভাত বীৰবলে কৈছিল চাকিৰ তলত অন্ধকাৰ থাকে। ঠিক তেনেকৈ এনেকুৱা ভাল কামৰ তলতো কিছু দুৰ্নীতি হোৱা দেখা যায় আৰু ইয়াৰ প্ৰমাণ আমাৰ অসমৰ ক্ষেত্ৰতো হৈছে। Central Government ৰ Joint Parliamentary Committee য়ে সেই Waqf property ৰ ওপৰত Minority Affairs ক ৰিপোৰ্ট দিবলৈ দিয়ে আৰু তাৰে এটা ৰিপোৰ্টত কোৱা হৈছে যে, গোটেই ভাৰতবৰ্ষত চাৰি লাখ Registered Property আছে

আৰু ছয়লাখ একৰ মাটি আছে আৰু আটাইতকৈ বেছি মাটি আছে ভাৰতবৰ্ষৰ ৰেলৰে বিভাগৰ হাতত, দ্বিতীয়তে আছে Defence বিভাগৰ হাতত আৰু ঠিক তেনেকৈ তৃতীয়তে এনেকুৰা ভূ সম্পত্তিৰ গৰাকী হ'ল বিভিন্ন Waqf ৰ সম্পত্তিসমূহ। গতিকে এইক্ষেত্ৰত যদি ভালধৰণে পৰিচালনা কৰা হয়, তেতিয়াহ'লে নিশ্চিত ভাৱে ইয়াৰ যোগেদি সামাজিক উন্নয়নৰ কাম আৰু অনান্য ভাল কাম কৰিব পৰা যাব যাৰ যোগেদি বিভিন্ন অন্ধবিশ্বাস বা ভূল বুজাবুজিও আতৰাব পৰা যাব। দিল্লীৰ ৭৭ শতাংশ ভূমি Waqf Board ৰ বুলি প্ৰতিবেদনতে আছে তাৰ ভিতৰত আমাৰ দিল্লী হাইকোৰ্ট বা ৰাষ্ট্ৰপতি ভৱনৰ কিয়দাংশ অংশও ইয়াত পৰে। কিন্তু এই গোটেই বিলাকৰ ভাল মেনেজমেণ্ট হোৱা নাই আৰু যি Minority Affairs ৰ প্ৰতিবেদনৰ বাবে যি Justice Sachar Committee য়ে দিছিল সেই কমিটিয়ে কৈছিল যে, গোটেই Wakf Board বিলাক ভালধৰণে Overhauled ভাৱে কৰিব লাগে যাতে সুস্থভাৱে এইবিলাক পৰিচালনা কৰিব পৰা যায় আৰু যিবিলাক কাৰ্য্যবাহী বিষয়া তেখেত সকলকো দিব পাৰি। উদাহৰণ স্বৰূপে উত্তৰ প্ৰদেশৰ বিষয়া আছিল যে, উত্তৰ প্ৰদেশৰ উনানী চিকিৎসা পদ্ধতিৰে এজন লোকক তাৰ Chief Excutive কৰি থোৱা হৈছে আৰু মেঘালয়ত এজন নৱম শ্ৰেণী পাছ কৰা এজন ব্যক্তিক Chief Excutive কৰি থোৱা হৈছে। এই গোটেই কথাবিলাকৰ উপৰিও অসমৰ ক্ষেত্ৰত যিখিনি কথা আহিছে, অসমৰ ক্ষেত্ৰত কোৱা হৈছে যে, পোন্ধৰ হাজাৰ বিঘাতকৈ অধিক মাটি Wakf Board ৰ অধীনত আছে আৰু ইয়াৰ বিভিন্ন খেলিমেলি থকাৰ বাবে আমাৰ অসম বিধান সভায়ো এখন হাউচ কমিটি গঠন কৰি দিছিল। এই গোটেই কথাবিলাকৰ উপৰিও অসমৰ ক্ষেত্ৰত যিখিনি কথা আহিছে, অসমৰ ক্ষেত্ৰত কোৱা হৈছে যে ১৫ হাজাৰ বিঘাতকৈ অধিক মাটি Waqf Board ৰ অধীনত আছে আৰু ইয়াৰ বিভিন্ন খেলিমেলি থকাৰ বাবে আমাৰ অসম বিধান সভাই এখন হাউচ কমিটি গঠন কৰি দিছিল। সেই সময়ৰ বিধায়ক আব্দুল মুহিব মজুমদাৰৰ নেতৃত্বত এই কমিটিৰ প্ৰতিবেদন উল্লেখ হৈছিল যে কিছু দুৰ্নীতি হৈছে আৰু ইয়াত বহুত অবৈধ বেদখল হৈছিল। ইয়াক সংস্কাৰ কৰিবলৈ ও তেতিয়াৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই তদন্তৰ কথা ঘোষণা কৰিছিল। কিন্তু সেইখিনিও আজি হোৱা দেখা নগ'ল আৰু যি চাৰ্ভে সেই চাৰ্ভে প্ৰকৃততে ১৯৫৭ চনতহে হৈছিল। গতিকে সেই চাৰ্ভেৰ ভিত্তিত যিহেতু একো কৰিব নোৱাৰে । আনকি এই গোটেই সম্পত্তি সমূহৰ জি অ' টেগিং কৰিব লাগে বুলিও সংসদীয় পেনেল এটাই পৰামৰ্শ আগবঢ়াইছিল। কিন্তু ক'ভিড হৈ থকা বাবে ২০২২ চনত হ'ব বুলি চৰকাৰৰ ফালৰ পৰা জনোৱা হৈছে। ২০০২ চনত হোৱা চেণ্ট্ৰেল কমিটিয়েও কৈছিল যে-বিধান সভা বা লোক সভাতে হওক কিছুমান Legislative measures দিব লাগে। যিবোৰ Waqf ৰ সম্পত্তি। সেইসমূহ চিনাক্তকৰণ কৰিব লাগে আৰু যি সমূহ বেদখল হৈ আছে, সেইসমূহৰ তথ্য ল'ব লাগে। যিমান সম্পত্তি আছে, তাৰ এটা এচেচ্‌মেণ্ট কৰি উলিয়াব লাগে। অসমৰ ক্ষেত্ৰত দুখন চাহবাগান এই Waqf Board ৰ অধীনত আছে বুলি জানিব পৰা গৈছে আৰু ইয়াৰ পৰা ৰাজহ কম হৈছে আৰু দুৰ্নীতি হৈছে বুলি গম পোৱা গৈছে। মুম্বাইত আম্বানিয়ে যিটো ঘৰ একৈশ কোটি টকাত কিনিছে, সেই ঘৰটোৰ মূল্য ২০০৩ চনত পাঁচশ কোটিতকৈও অধিক হ'ব বুলি কোৱা হৈছে। গতিকে দুৰ্নীতি যে কেৱল অসমতে হৈছে তেনেকুৱা নহয়, বিভিন্ন স্থানত চলি আছে। আমাৰ হাউচ কমিটীৰ যিখন প্ৰতিবেদন সেই প্ৰতিবেদনখনৰ কথাও বিবেচনা কৰিব পৰা যায় যাতে হাউচ কমিটীৰ পৰামৰ্শ অনুসৰি চৰকাৰে সেইখিনি শুদ্ধ কৰিব পাৰে। তেওঁলোকৰ উপাৰ্জন অতি কম হোৱা বাবে ২০০৬ চনত ফেঞ্চি বজাৰৰ এটা সম্পত্তিৰ পৰা মাত্ৰ ৭৪,০০০ টকা উপাৰ্জন কৰিছিল। যাৰ পৰা বৰ্তমান তেওঁলোকে ৩৪ লাখ টকা পাইছে।

ঠিক তেনেকৈ জলপানি হিচাবে দুখীয়া ছাত্ৰ-ছাত্ৰী সকলক ২০১৪ চনত ১.৪ লাখ টকা দিব পাৰিছিল। যিটো এতিয়া কিছু বৃদ্ধি হৈছে। অসমৰ ক্ষেত্ৰত যিটো দুৰ্নীতিৰ কথা কোৱা হৈছে বা সংস্কাৰ লাগে বুলি কৈছে, সেইক্ষেত্ৰত আমি সহমত। বৰ্তমান অসমৰ ক্ষেত্ৰত নায়ব মোটাৱালী এজন আছে, তেওঁ অৰ্হতা সম্পন্ন নহয়, তেওঁ কোনো সম্পত্তি দান দিয়া নাই। যিহেতু চৰ্তাৱলী আছে যে তেওঁলোকে দান দিলেহে সেই পদবীত থাকিব পাৰে। গতিকে অসমত যদি এইখিনি ভালদৰে কৰিব পাৰে, Sunni Waqf Board এ যেনেকৈ লক্ষ্ণৌত বাব্ৰি মছজিদৰ পৰিৱৰ্তে যিখিনি মাটি পাইছিল তাত হস্পিতাল, লাইব্ৰেৰী, কালচাৰেল চেণ্টাৰ আদি বনাইছে। অসমতো তেনেকুৱা কাম কৰিব পাৰিব আৰু হস্পিতালখন জাতি-ধৰ্ম নিৰ্ব্বিশেষে সকলো লোকৰ বাবে হ'ব। অসমৰ ক্ষেত্ৰত যিখিনি প্ৰস্তাৱ লোৱা হৈছে, সেইখিনি যাতে নিশ্চিতভাৱে গৃহীত হয়, তাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আমি এই বিষয়টো আজি শেষ কৰিব বিচাৰিছো নহ'লে সময় নহ'ব। এতিয়া আশ্ৰাফুল হুছেইন ডাঙৰীয়াই কওক।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৱাকফ'ক কেন্দ্ৰ কৰি যিবোৰ আলোচনা চলি আছে আৰু লগতে আমি দেখা পাইছো যে বিগত দহটা বছৰে বিধান সভাত বিভিন্ন যুক্তিযুক্তভাৱে আৰু তথ্যগতভাৱে বিচাৰ আৰু বিশ্লেষণ হৈছে। কিন্তু এই সমস্যাটো সমাধান হোৱা নাই। আজি এই ক্ষেত্ৰত আমি কেইটামান কথা সংযোজন কৰিবলৈ বিচাৰিছো। ভাৰতবৰ্ষত ৱাক'ফ দুই ধৰণে চলে। এটা ৱাক'ফ আল্লাল আউলাদ আৰু ৱাক'ফ ফি ইল্লাহ। ৱাক'ফ ফি ইল্লাহত কোনো মানুহৰ হক নাথাকে। সেই হক কেৱল দুখীয়া, মজলুম আৰু প্ৰয়োজনীয় মানুহৰ বাবেহে থাকে। ৱাক'ফ সম্পৰ্কে বহুতো আইন ভাৰতত হৈছে আৰু ইতিমধ্যে ৰাজ্যসমূহতো আহিছে। সেই আইন সমূহৰ ভিতৰত Muslim Waqf Validity Act, 1913 যিটো পৰৱৰ্তী সময়ত ১৯৩০ চনত সংশোধনী কৰা হ'ল আৰু সেই আইনত খুব স্পষ্টকৈ কোৱা হৈছে যে যিসকল মোটালিমে, কেয়াৰ টেকাৰে সেই মাটিৰ আয়ৰ হিচাব নিদিয়ে তেওঁলোকক শাস্তি আৰু জৰিমনা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৱাক'ফ আইন খন ১৯৫৪ চনত আকৌ এবাৰ লোৱা হয়, The Waqf Act. পৰৱৰ্তী সময়ত ১৯৯৫ আৰু ১৯৯৬ চনত আকৌ এবাৰ আইন অনা হয় আৰু শেষত গৈ The Waqf Ammendment Act 2013 খন বৰ্তমান চলি আছে। 2013 খনৰ ক্ষেত্ৰত বহুতৰ বহু মত থাকিলেও চৰকাৰে ইয়াৰ ওপৰত বহুখিনি কণ্ট্ৰোল আনিছে আৰু আমি আশা কৰো যে ধাৰা আৰু দফাসমূহৰ ব্যৱহাৰ কৰি সেই ৱাক'ফ সম্পত্তি সমূহ বেদখল মুক্ত কৰাত চৰকাৰৰ বৰ বেছি অসুবিধা নহ'ব। আজি যদি এই ৱাক'ফ সম্পত্তি সমূহ বেদখল মুক্ত কৰিব পাৰে কেইবা হাজাৰ কোটি টকা পোৱা যাব। বৰ্তমান সংখ্যালঘু কল্যাণ বিভাগত আমি দেখা পাইছো যে বিত্তীয় কেইবাটাও বৰ্ষত কম কমকৈ পুঁজিৰ আৱণ্টন দিয়া হৈছে। এই সংখ্যালঘু সকলৰ কাৰণে যি সময়ত তেওঁলোকৰ পূৰ্বপুৰুষ সকলে বহু সম্পত্তি তেওঁলোকৰ কাৰণে ৱাক'ফ কৰিছে আৰু তাৰ জৰিয়তে যি আয় হ'ব তাৰ দ্বাৰা ধৰ্মীয় লক্ষ্যৰ বাহিৰেও বহু কল্যাণমূলক কাম-কাজ কৰিব পাৰিব। কল্যাণমূলক কাম, শিক্ষা ক্ষেত্ৰত বিনিয়োগ যেনে স্কুল-কলেজ আৰু টেক্নিকেল শিক্ষাৰ, লাইব্ৰেৰীৰ কথা কোৱা হৈছে। কিন্তু এইবোৰ হৈ উঠা নাই। মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ লাইব্ৰেৰীৰ পৰা এই পুথিখন পুণ্যভূমিৰ অসম আৰু ৱাক'ফ, ইয়াত অসমৰ প্ৰায় পোন্ধৰ হাজাৰ ৱাক'ফ সম্পত্তিৰ তালিকা আছে। ঠিক একেদৰে অসম বিধান সভাৰ বিভিন্ন প্ৰশ্নৰ উত্তৰত আমি যিখিনি তথ্য পাইছো যে এই সম্পত্তিসমূহৰ কিছু অংশত ভূমি বেদখলৰ কথা তেওঁলোকে উল্লেখ কৰিছে। বিশেষকৈ

ধুবুৰী জিলাত ৭৪ বিঘা মাটি বেদখল হৈ আছে আৰু ৭৪ বিঘা মাটিৰ বেছিভাগেই ধুবুৰীৰ চহৰ। যোৱা বিধান সভাত এই ধুবুৰী চহৰৰ মাটিৰ তালিকা যেতিয়া আমাৰ সন্মানীয় বিধায়ক এজনে বিচাৰিছিল, তেতিয়া ধুবুৰী জিলা উপায়ুক্তই সেই তথ্যখিনি দিয়াত বিফল হৈছিল আৰু এতিয়ালৈকেও দিব পৰা নাই। গুৱাহাটীৰ ক্ষেত্ৰতো বিভিন্ন সময়ত অভিযোগ অহা দেখা যায়। নেমকেয়াৰ হস্পিতালৰ কাষতে লাগি থকা মটিখিনি ৱাকফৰ মাটি, ফেঞ্চি বজাৰতো ৱাক'ফৰ মাটি আছে। ৱাক'ফৰ মাটিত যদি এডভাঞ্চ লৈ বা লোন লৈ দোকান আদি বনাবৰ বাবে কেইটামান ভাল বহু মহলীয়া বিল্ডিং বনাব পৰা যায় তেতিয়া বহু কোটি টকা অতি সোনকালে আহিব আৰু মই ভাবোঁ যে এই ক্ষেত্ৰত সংখ্যালঘু উন্নয়ন দপ্তৰৰ মাননীয় মন্ত্ৰী মহোদয়ে ইনিচিয়েটিভ ল'লে এইখিনি সম্ভৱ হৈ উঠিব। ৱাক'ফ সম্পৰ্কে ১৯৯৯ চনত অসম চৰকাৰৰ ফালৰ পৰা নিৰ্দ্দেশনা জাৰি কৰা হৈছিল যেতিয়া আইনখন পাচ হৈছিল তাৰ কিছুদিন পিছতেই আৰু তাত স্পষ্টকৈ কোৱা হৈছে যে এই মাটিখিনিৰ ওপৰত চাৰ্ভে হ'ব লাগে। কিন্তু ১৯৯৯ চনত ৰাজ্যপালে জাৰি কৰা নিৰ্দ্দেশনাখন মই দেখাত পালন কৰা হোৱা নাই। ঠিক একেদৰে মোৰ যদি ভুল হোৱা নাই ত্ৰয়োদশ বিধান সভাত আমাৰ ইয়াৰ পৰা হাউচ কমিটি গঠন কৰা হৈছিল বুলি আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই কৈছে। কিন্তু এই কমিটিৰ ৰিকোমেণ্ডেশ্যন খিনিও এতিয়ালৈকে হৈ উঠা নাই। গতিকে আমি এতিয়া একশ্যনত আহিব লাগে। আজিৰ সদনত কি উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে দাঙি ধৰিব? মন্ত্ৰী মহোদয়ৰ এই মাটিখিনি বেদখল মুক্ত কৰাৰ ক্ষেত্ৰত আৰু অনাগত দিনত তেওঁ কি কৰিব বিচাৰে? সেই কথাখিনি যদি মন্ত্ৰী মহোদয়ে স্পষ্টভাৱে দাঙি ধৰে, আমি নথৈ আনন্দিত হ'ম। কিছুমানে কৈছে যে এই সম্পত্তিখিনি কেৱল মুছলিম মানুহৰ কাৰণে কিন্তু সেইটো নহয়। স্কুল-কলেজ, হস্পিতাল সকলো লোকৰ বাবে। আজি MSDP আঁচনিৰ জৰিয়তে যি সমূহ হস্পিতাল, বিদ্যালয়, কলেজ, চাব-চেণ্টাৰ বনোৱা হৈছে সেইখিনি কেৱল সংখ্যালঘু মানুহেই নাযায়। ঠিক একেদৰে চৰকাৰে ৱাক'ফ বোৰ্ডক যদি খুব সুন্দৰভাৱে আধুনিক বিভাগ হিচাবে আৰু ৱাক'ফ সম্পত্তি সমূহক ডিজিটেলাইজ কৰি ঠিক তেনেদৰে নিবিদাসমূহ আৰু যিসমূহ সম্পত্তি লিজত দিয়া হ'ব সেইবোৰ যদি ডিজিটেলাইজ কৰা হয় তেতিয়া মই ভাবোঁ ৰেভিনিউ সংগ্ৰহৰ ক্ষেত্ৰত সহায় হ'ব। আমাৰ এই চৰকাৰ খনে ৰেভিনিউ সংগ্ৰহৰ ক্ষেত্ৰত খুব আগ্ৰহেৰে কাম কৰিছে। মই ভাবোঁ যে ৱাক'ফৰ সম্পত্তিৰ পৰাও ৰেভিনিউ জেনেৰেশ্যন আৰু সংগ্ৰহৰ ক্ষেত্ৰত এই চৰকাৰ আৰু সংখ্যালঘু বিভাগে ভালদৰে কাম কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই কওক।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শ্বেৰমান আলী ডাঙৰীয়া আৰু জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যি মোশ্যন আনিছে, তাৰ ওপৰত ইতিমধ্যে কেইবাজনো বিধায়কে বক্তব্য ৰাখিছে। তাৰ ওপৰত মই দুই এটা সংযোজন কৰিম বুলি ভাবিছো। আমাৰ ৱাক'ফ সম্পত্তিৰ কাৰণে এখন বোৰ্ড আছে। কিন্তু দুৰ্ভাগ্যৰ কথা যে এই বোৰ্ড ২০১৭ চনৰ পৰা আৰু গঠন হোৱা নাই। ২০১৬ চনত আমাৰ বি জে পি চৰকাৰ অহাৰ পিছৰ পৰাই এইটো অলপ গুৰুত্বহীন বুলি আমি অনুভৱ কৰিছো। যিহেতু এইটো ৱাক'ফ সম্পত্তি। ৱাক'ফ বোৰ্ডে এইবোৰ মেনেজমেণ্ট কৰে। যিহেতু বোৰ্ডেই নাই। অসমৰ ৯০ শতাংশ সম্পত্তি বেদখল হৈ আছে। আজি ফাঁচীবজাৰৰ নিচিনা গুৰুত্বপূৰ্ণ এলেকাৰ যথেষ্টখিনি মাটি এতিয়া বেদখল হৈছে। বেদখলমুক্ত কৰাৰ বাবে চৰকাৰৰ তৰফৰ পৰা আগতেও চেষ্টা চলাইছিল কিন্তু সেইবোৰৰ বিৰুদ্ধে ইতিমধ্যে sub-judice হৈ কেচ চলি আছে। এই কেচবোৰ Tribunal ত refer কৰা হৈছে যদিও

Tribunal ৰ সংখ্যা যথেষ্ট কম হোৱা বাবে কেচবোৰ নিষ্পত্তি হোৱা নাই। সেয়েহে, আমি চৰকাৰক অনুৰোধ জনাইছো যে- Wakf property ৰ ওপৰত যিখিনি কেচ চলি আছে, সেইখিনি যাতে অতি সোনকালে নিষ্পত্তি কৰে, তেতিয়াহে সম্পত্তিখিনি আনিব পাৰিম। বিভিন্ন ৰিপ'ৰ্টত পোৱা অনুসৰি অসমত ১৫ হাজাৰ বিঘা মাটি আছে। ধুবুৰীতো যথেষ্টখিনি মাটি আছে। কিন্তু partition ৰ পিছত সিসকল ব্যক্তি ইয়াৰ পৰা গুছি গৈছিল তেওঁলোকে এই সম্পত্তিৰ অধিকাংশ চৰকাৰক হস্তান্তৰ কৰি গুছি গৈছিল। আজিৰ দিনতো ধুবুৰী চহৰত যিখিনি মাটি আছে, সেইবোৰত বেদখল কৰি দোকান-পাহাৰ আৰু অন্যান্য ব্যৱসায় চলাই আছে আৰু তেওঁলোকে চৰকাৰক মাহে ২০০ টকা ভাড়া দিয়ে। গতিকে, মই অনুৰোধ কৰিছো- অতি সোনকালে Wakf Board গঠন কৰিব লাগে। এই সম্পত্তিবোৰ ৰক্ষণাবেক্ষণৰ বাবে কোনো জিলাতে কৰ্মচাৰীৰ ব্যৱস্থা নাই। কিন্তু, কিছুমান Mutawalli আছে। বেদখল হোৱাৰ ক্ষেত্ৰত এই Mutawalli বোৰৰ হাত আছে। তেওঁলোকে মিলি-জুলি এই Wakf property বোৰ বেদখল কৰি ৰাখি আছে। ইতিমধ্যে আমাৰ দুই-তিনিগৰাকী সন্মানীয় বিধায়কে এই সম্পত্তিখিনি কিদৰে ব্যৱহাৰ কৰিলে অসমৰ উন্নতি হ'ব সেই বিষয়ে কৈছে। আগতে, MSDP নাছিল। Sachar Committee ৰ প্ৰতিবেদনৰ পিছতেই MSDP ৰ জৰিয়তে হাজাৰ হাজাৰ কোটি টকা ভাৰতবৰ্ষৰ লগতে আমি অসমেও পাইছো। ইয়াৰ দ্বাৰা কেৱল এটা বিশেষ সম্প্ৰদায় উপকৃত হোৱা নাই। অসমৰ সকলো জাতি-জনগোষ্ঠীয়েই উপকৃত হৈছে। তাত Minority concentrated area ৰ কথা উল্লেখ আছিল। অৰ্থাৎ minority থাকিব লাগিব। কিন্তু, অকল minority খিনিক উপকৃত কৰাৰ বাবে নহয়, সেই এলেকাত minority, majority যি সকল আছে সকলোৰে উপকৃত হ'ব পাৰিব। গতিকে, আমাৰ যি কোটি টকীয়া সম্পত্তি, সেইখিনিৰ আমি সদ্ ব্যৱহাৰ কৰিব লাগে। অধ্যক্ষ মহোদয়, Right to Education Act পাছ কৰাৰ পিছতো দেখিবলৈ পোৱা গ'ল যে মোৰ সমষ্টিৰ চৰ অঞ্চলত এতিয়াও হাইস্কুল নাই। দুই-এখন ভেঞ্চাৰ হাইস্কুলৰ কোনোমতে কেইটামান পদ প্ৰাদেশিকীকৰণ হৈছে, কিন্তু, স্কুলখন প্ৰাদেশিকীকৰণ হোৱা নাই। কিন্তু, চৰাঞ্চলত এতিয়াও হাইস্কুলৰ ব্যৱস্থা নাই। গতিকে, এই সম্পত্তিখিনিৰ জৰিয়তে আমি যাতে স্কুল প্ৰতিষ্ঠা কৰিব পাৰো। MSDP ৰ জৰিয়তে কিছুমান Residential School স্থাপন কৰা হৈছে। তাৰ দ্বাৰা যথেষ্ট লাভৱানো হৈছে, পৰিৱেশো ভাল হৈছে। গতিকে, আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে যদি ইচ্ছা কৰে তেন্তে এই সম্পত্তিখিনি বেদখলমুক্ত কৰিব পাৰিব আৰু বেদখলমুক্ত কৰিলে ইয়াক সদ্ ব্যৱহাৰ কৰাৰ বাবে সুযোগ পাব। পোনপ্ৰথমে, আমাৰ Wakf Board খন গঠন কৰি দিব লাগে, যিকোনো এজনক chairman পাতি দিয়ক, কাৰণ ই মালিকবিহীন হৈ গৈছে। মই Minority Affairs Minister হিচাপে কেইদিন মানৰ কাৰণে এই Board ৰ যেতিয়া সভাপতি হৈ আছিলো তেতিয়া আমি চেষ্টা কৰিছিলো, কিন্তু গোটেইখিনি sub-judice হৈ থকা দেখিবলৈ পোৱা গৈছিল। গতিকে, অধ্যক্ষ মহোদয়, Tribunal ৰ সংখ্যা বঢ়াই দি sub-judice বিষয়বোৰ সোনকালে নিষ্পত্তি কৰি Wakf property খিনি যাতে বেদখলমুক্ত কৰিব পাৰে তাৰ বাবে আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্য ইমানতে সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী আব্দুল বাতিন খন্দকাৰ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই প্ৰস্তাৱত মোক দু-আষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন জনাইছো। লগতে, অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ কৰিছো কিয়নো তেখেতে বেদখলমুক্ত কৰাত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

সেয়েহে, আমাৰ যি Wakf property বেদখল হৈ আছে, সেইখিনিও যাতে মুক্ত কৰে তাৰ বাবে আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, আপুনি জ্ঞাত যে অসমৰ চৰাঞ্চলত শিক্ষিতৰ হাৰ মাত্ৰ কুৰি শতাংশহে আৰু মুছলমান সংখ্যালঘুৰ শিক্ষিতৰ হাৰ মাত্ৰ ৫০% ৰ ওচৰা-ওচৰি। কিন্তু, State Average প্ৰায় ৭৫% । এই মুছলমান মানুহখিনিক যদি আমি শিক্ষিত কৰিব পাৰো তেন্তে ৰাজ্যখনৰ শিক্ষিতৰ হাৰ প্ৰায় ৯০% হ'ব। সেই মানুহখিনি অশিক্ষিত কাৰণে ৰাজ্যখনত শিক্ষিতৰ হাৰ কমি আছে। শিক্ষিতৰ হাৰ বঢ়োৱাৰ বাবে চৰকাৰৰ তৰফৰ পৰা এক টকাও বিনিয়োগ কৰিব নালাগে। চৰকাৰে মাত্ৰ co-ordinate কৰিব লাগিব। এই Wakf property খিনি উদ্ধাৰ কৰি বাণিজ্যিক ব্যৱহাৰৰ কাৰণে উপযুক্ত কৰিব লাগে আৰু তাৰ বাবেও চৰকাৰে এক টকাও বিনিয়োগ কৰিব নালাগে। Wakf property বোৰ উন্নীত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ যি Wakf Council আছে, তাৰ পৰা সুতবিহীন ঋণ দিয়া হয়। গতিকে, যদি উন্নীত কৰা হয়, তেন্তে হাজাৰ হাজাৰ কোটি টকাৰ ৰাজহ পাই থাকিম আৰু এই ৰাজহৰ পৰাই minority ৰ শিক্ষাৰ ক্ষেত্ৰত এক অভুতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰিবলৈ সক্ষম হ'ম। অধ্যক্ষ মহোদয়, Wakf Act, 2013 ত দুটা বিষয় আছিল- এটা Wakf Board গঠন কৰা আৰু Wakf Tribunal গঠন কৰা। Wakf Tribunal ক যিকোনো dispute সমাধান কৰাৰ ক্ষেত্ৰত Civil Court ক supersede কৰাৰ বাবে ক্ষমতা দিয়া হৈছে। Wakf Tribunal ত ছমাহৰ ভিতৰত যিবোৰ dispute আহিব, সেই dispute বোৰ সমাধান কৰাৰ ক্ষমতা দিয়া হৈছে। কিন্তু, আমাৰ ৰাজ্যত ই properly implement হোৱা নাই। গতিকে, State Tribunal যদি গঠন কৰা হয়, তেন্তে বেদখলমুক্ত কৰাত sub-judice ৰ কোনো কথা আহি নপৰিব। Civil Court ত যিবোৰ case pending হৈ আছে, সেইবোৰ Tribunal লৈ স্থানান্তৰ কৰি দিলে ছমাহৰ ভিতৰত সেইবোৰ dispose কৰাৰ ব্যৱস্থা আইনত আছে। গতিকে, চৰকাৰে এই ব্যৱস্থাখিনি ল'ব লাগে যিহেতু বেদখলৰ ওপৰত আমাৰ এইখন চৰকাৰে যথেষ্ট গুৰুত্ব দিছে আৰু এনে পদক্ষেপক আমি স্বাগতম জনাওঁ। Wakf property বেদখলৰ ক্ষেত্ৰতো যাতে আইনৰ সঠিক ৰূপায়ণ কৰা হয়। Wakf (Amendement) Act, 2013 মতে Wakf State Board -এ Wakf property বেদখল মুক্ত কৰাৰ বাবে উপায়ুক্তক লিখিব পাৰে আৰু সেইমতে কাম কৰাৰ বাবে উপায়ুক্ত বাধ্য। গতিকে, মই চৰকাৰ তথা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে Wakf (Amendement) Act, 2013 ঠিক ভাৱে বলবৎ কৰাৰ বাবে যথোপযুক্ত নিয়ম যাতে গঠন কৰা হয়। তেতিয়া হ'লে আমাৰ যথেষ্টখিনি ৰাজহ আহিব যাৰ দ্বাৰা চৰ অঞ্চলৰ পৰা আৰম্ভ কৰি বিভিন্ন অঞ্চলত যি সংখ্যালঘু মানুহ আছে তেওঁলোকৰ ঠাইত residential school, higher educational institute গঠন কৰিব পৰা যাব। অধ্যক্ষ মহোদয়, এই কথাখিনি অতি গুৰুত্বসহকাৰে ল'ব বুলি মই মন্ত্ৰী মহোদয়ৰ ওচৰত আবেদন জনাইছো। এইক্ষেত্ৰত, মই দুটা উদাহৰণ দিব বিচাৰিছো। এনে Wakf property বেদখলমুক্ত কৰাৰ বাবে বিজেপি শাসিত কৰ্ণাটক চৰকাৰে task force গঠন কৰি দিছে। অসমত এটা সমস্যা আছে যে ৪০-৫০ বছৰৰ আগত যিসকল মানুহে মাটি ভাড়াত লৈ আছিল, তেওঁলোকে এতিয়াও সেই আগৰ মূল্যতে ভাড়া দি চলি আছে। কিন্তু, মহাৰাষ্ট্ৰ চৰকাৰে Wakf property ৰ বাবে tenant policy এটা আনিছে যাৰ মতে tenant rate টো প্ৰতি বছৰে market value ৰ ২.৫ % নিৰ্ধাৰণ কৰিছে। তাৰ পৰিপ্ৰেক্ষিতত এটা সম্পত্তিত আগতে যদি ২৫০০ টকা fixed আছিল, তেনেহ'লে এতিয়া ২.৫ লাখ টকা পায়। গতিকে, অধ্যক্ষ মহোদয়, এনেকুৱা tenant

policy বা কর্ণাটক চৰকাৰৰ নিচিনা যদি task force গঠন কৰা হয় তেনেহ'লে এই সমস্যাটো অতি কম সময়ৰ ভিতৰত, এক ডেৰ বছৰৰ ভিতৰত সমাধান কৰা সম্ভৱ হ'ব। মাননীয় মন্ত্ৰী মহোদয়ক মই ব্যক্তিগতভাৱে লগ ধৰি যদি আৰু কিবা input দিব লাগে, দিম। মই আশা কৰো যে, Wakf(Amendment) Act, 2013 যাতে fullest spirit implement কৰা হয় আৰু ৰাজ্যখনৰ মঙ্গলৰ কাৰণে ইয়াৰ পৰা আহিবলগীয়া ৰাজহখিনি ব্যৱহাৰ কৰা হয়।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** অসমৰ যিমানবোৰ Wakf আছে, মই যিটো মোতাৱলীত আছো, সেইটো অসমৰ আটাইতকৈ ডাঙৰ, ২৫০০ বিঘাতকৈও বেছি মাটি আছে। মই Wakf টো গোটেই কাছাৰত লৈ গৈছো। যেনেদৰে আমাৰ পৰিমল শুক্লবৈদ্য মহোদয়ৰ সমষ্টিত যি CHC আছে, সেয়া আমাৰ মাটিতে কৰা হৈছে। Originally আমাৰ পূৰ্বপুৰুষে তাত এটা Health Centre কৰিছিল। সেইটো আমাৰ great grant father আব্দুল মজিদ লস্কৰৰ নামত আছিল। কিন্তু পাছত চৰকাৰে তাত CHC বনাই ললে। চৰকাৰৰ যি ৰাজহ সেয়া আমি দি আছো, কিন্তু সেই মাটিৰ আমি compensation পোৱা নাই। সেইটো মই আপোনাৰ দৃষ্টিগোচৰ কৰিলো, যাতে আপুনি ইয়াৰ ওপৰত এটা ব্যৱস্থা লয়। দ্বিতীয়তে, আমাৰ Central Wakf Council য়ে কৰিছে যে, for agricultural land, প্ৰতিবিঘাত ২ হাজাৰ টকাকৈ দিব লাগে আৰু non agricultural land ৰ কাৰণে ২৫০০ টকাকৈ দিব লাগে, যিটো অসমত এতিয়ালৈ implement হোৱা নাই। যিহেতু ইয়াত কোনো board নাই, কোনে চাব? Board য়ে মাত্ৰ পইচা খোজে যে ৭.৫ শতাংশ দিব লাগে বুলি। আমাৰ যিহেতু income নাই, আমি এই টকাটো কৰ পৰা দিম? সেইকাৰণে এখন effective board হ'ব লাগে আৰু board টো appointed নহয়, elected হ'ব লাগে। মোৰ শিলচৰ টাউনৰ ওচৰতো তাৰাপুৰ পাৰ্ট -৬ আছে, তাত ১০০ বিঘা মাটি আছে। মই District Administration ক proposal দিছিলো যে, যদি DC Office shift কৰে তেনেহ'লে আমাৰ এই মাটিখিনিত কৰিব পাৰিব। এইখিনিকে কৈ মই আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক তিনি মিনিট সময় দিয়া হ'ল।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Wakf Board ৰ যিটো resolution দিছে, সেইটোৰ ওপৰত ভিত্তি কৰি অলপ ক'ব বিচাৰিছো। অসমৰ যিবিলাক চহৰ নগৰ আছে, সেইবিলাকৰ কিছুমানত Wakf Board ৰ property আছে। গ্ৰাম্যঞ্চলতো আছে। যিটো আমাৰ বিধায়ক সকলে ইতিমধ্যে কৈছে। গুৱাহাটীৰ ফাঁচীবজাৰতো Wakf Board ৰ যথেষ্ঠ সম্পত্তি আছে আৰু আমি যদি ভালদৰে চাওঁ এই সম্পত্তি সমূহে যিধৰণে ৰাজহ দিব লাগিছিলে, তেনেধৰণে দিয়া নাই। কিছুমান মতোৱালীয়ে এইবিলাক দখল কৰি থকা পৰিলক্ষিত হৈছে। ২০১১-১২ ৰ পৰা ২০১৫-১৬ লৈকে যদি আমি ৰাজহ সংগ্ৰহটো চাওঁ, তেতিয়া সেইটো বেয়া পাব নালাগে, কংগ্ৰেছৰ কিন্তু Board আছিলে আৰু সেই Board খন থকাৰ পৰিপ্ৰেক্ষিতত ৰাজহ সংগ্ৰহ হৈছিল, মাথো ৩ লাখতকৈ ওপৰত। বিৰোধী দলৰ বিধায়ক ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই কৈছে যে আমাৰ বোৰ্ড গঠন হোৱা নাই, বোৰ্ড গঠন হ'ব লাগে। নিয়ম অনুযায়ী বোৰ্ড গঠন হ'ব লাগে সেইটো ঠিকেই আছে। কিন্তু আমি আজি চাওঁ ২০১৬-১৭ চনৰ পৰা ২০২০-২১ চনলৈকে ৰাজহ সংগ্ৰহ হৈছিল প্ৰায় ৪০ লাখ টকা। গতিকে যথেষ্ঠখিনি ৰাজহ সংগ্ৰহ হৈছে। আমি যদি ভালদৰে পৰিচালনা কৰো, Wakf Board ৰ সম্পত্তি সমূহ চৰকাৰৰ ফালৰ পৰা ভালদৰে

চাৰ্ভে কৰি চাবৰ বাবে মই অনুৰোধ জনাইছো। এই সম্পত্তি সমূহ কোনে কি basis ত লৈছে আৰু কিমানখিনি সম্পত্তি subjudice হৈ আছে। যিখিনি সম্পত্তি আজি বহুদিনৰ পৰা subjudice হৈ আছে, আমাৰ কোনোবা এজন উকীলক দি ততাতৈয়াকৈ যদি এই case সমূহ dispose কৰিব পৰা যায়, তেতিয়াহ'লে আমি আৰু বেছি ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হম। কেনেদৰে এই মতোৱালীবিলাকে মাটিবোৰ লৈছে বা তেওঁলোকৰ কি agreement,সেয়া আমি নাজানো। গতিকে এই দিশটোও আমাৰ চৰকাৰখনে চাব লাগে। এই গোটেই ব্যৱস্থাটো সংস্কাৰ কৰাৰ প্ৰয়োজন হৈছে। মই ভাৱো, আমাৰ অধ্যক্ষ মহোদয় জৰিয়তে ৰাজ্য চৰকাৰে এইসমূহ সংস্কাৰ কৰি এই সম্পত্তিবিলাকৰ পৰা যাতে যিবোৰ ৰাজহ সংগ্ৰহ কৰিব লাগে, সেইটো আমি বিভিন্ন উন্নয়নমূলক কামত যাতে খৰছ কৰিব পাৰো, চৰকাৰে যাতে তেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমি সময়টো বঢ়াই লৈছো। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়া আৰু জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই এই বিষয়টো আগতে আনিছিল। আজি কেইবাজনো সদস্যই এই বিষয়ত অংশগ্ৰহণ কৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ Wakf Board ৰ বহুখিনি সম্পত্তি আছে আৰু আমি এইসমূহ যদি সঠিকভাৱে মূল্যায়ণ কৰি তাৰ পৰা উচিতভাৱে পইচা পোৱা যায়, তেতিয়াহ'লে তাৰ যোগেদি সমাজখনৰ কল্যাণ হ'ব আৰু দুখীয়া লৰা-ছোৱালীবিলাকৰো সুবিধা হ'ব। সমাজৰো বিভিন্ন ক্ষেত্ৰত যেনে-স্বাস্থ্য, শিক্ষা আদিত কল্যাণ হ'ব। অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে যিসকল বিধায়কে অসম বিধান সভাত প্ৰতিনিধিত্ব কৰি আছে, যিসকল তেনেকুৱা মোতাৱলী আছে, তেখেতসকলক যিখিনি দিবলগীয়া আছে, সেয়া তেওঁলোকক আদায় দিয়া উচিত। মই কাৰো নাম নকওঁ, কাৰণ নাম কোৱাটো উচিত নহ'ব। কিন্তু যিসকল আছে তেওঁলোকে জানে। যিসকল মোতাৱলীৰ মাননীয় বিধায়ক আছে বা প্ৰাক্তন বিধায়ক আছে, তেওঁলোকৰ এই সম্পত্তিৰ ওপৰত ক'ৰবাত দোকান আছে, কৰবাত বিল্ডিং আছে, কৰবাত মাৰ্কেট আছে, সেইবিলাকৰ পৰা পইচা পাতি নিদিয়ে। গতিকে মই এতিয়া গোটেই কথাখিনি বিশ্লেষণ কৰি চাইছো আৰু সেইমতে মই ব্যৱস্থা লৈছো। মই আপোনাক sharing খিনি কৈ দিম। Wakf আইন ১৯৫৪ মতে ১৯৫৭ ত বোৰ্ড গঠন হয়। ২০১৩ চনত amendment হৈ সেইখন Act মতে বৰ্তমান চলি আছে। বৰ্তমান পঞ্জীভূত Wakf সম্পত্তি আছে ১৫৫৫ খন। ইয়াৰ ভিতৰত ১৩৭২ খন মাদ্ৰাছাও এই মাটিৰ ভিতৰতে আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** 'ৱাকফ আইন'খন ১৯৫৭ চনত বোৰ্ড গঠন কৰা হয়। ২০১৩ চনত এমেণ্ডমেন্ট হয়। বৰ্ত্তমানে এই এক্টখন চলি আছে। বৰ্ত্তমান ১৫৫৫ টা পঞ্জীয়নভুক্ত ৱাক্ফ সম্পত্তি আছে। ইয়াৰ ভিতৰত ১৩৭২ খন মাদ্ৰাছা এই মাটিৰ ওপৰত আছে। অসমত থকা ৱাক্ফ সম্পত্তিৰ মাটিৰ পৰিমাণ হ'ল ২২,৪৩০ বিঘা। ব্ৰহ্মপুত্ৰ উপত্যকাত আছে ৮৫৯০ বিঘা । বৰাক উপত্যকাত আছে ১৩,৭৪০ বিঘা। গতিকে ৱাক্ফ বোৰ্ডৰ বৰ্ত্তমান যিসকল 'মতোৱালী' আছে তেওঁলোকে দাখিল কৰা তথ্যমতে বেদখলকাৰীৰ সংখ্যা হ'ল- ৬৩৩৮ জন । বেদখলকাৰী যিসকল আছে তেওঁলোকে আমাৰ সহকৰ্মীৰ লগত জড়িত আছে। মই কাৰো নাম লোৱা নাই। উক্ত বেদখলকাৰীক বোৰ্ডৰ পৰা জাননীয় দিয়াৰ পিচতো তেওঁলোক নুঠে । গতিকে তেনেক্ষেত্ৰত মতোৱালীসকলে তেওঁলোকৰ পৰা পইচাও আদায় লোৱা নাই। আমাকো দিয়া নাই। বৰ্ত্তমান বেদখলকাৰীৰ মাটিৰ পৰিমান হ'ল ১৫০ বিঘা। এই বেদখল আমি উচ্ছেদ কৰিব লাগিব। ইয়াত কোনো পলিটিকেল ইনটেশ্যন আছে বুলি ধৰিব নালাগিব। আমি এতিয়া এইটোৰ ওপৰত অলপ

গুৰুত্ব দিছো। ৱাক্ফৰ জৰিয়তে যিসকলে মাটি সম্পত্তি আল্লাৰ নামত, মানুহৰ নামত দান কৰি গ'ল তেওঁলোকৰ মাটিবিলাক যদি বেদখল কৰে তেন্তে দান কৰাৰ কোনো অৰ্থই নাথাকিব। এই সম্পত্তিবিলাকত ব্যৱসায়- প্ৰতিষ্ঠান কৰি তাৰ পৰা আয় কৰা কোনো টকা-পইচা যদি বোৰ্ডক নিদিয়ে তেন্তে কোনো উদ্দেশ্যই সফল নহ'ব। যিটো লেণ্ড ভেল্যু আছে তাৰ ওপৰত ২.৫ শতাংশ যিটো চৰকাৰে নিৰ্দ্ধাৰণ কৰিছে সেইটো 'মতোৱালী'সকলে বোৰ্ডক জমা দিব লাগে। যদি ভাড়া পাঁচ হাজাৰতকৈ বেছি হয় তেনেহ'লে ধাৰা ৭২ অনুসৰি ৭ শতাংশ তেওলোকে ৰাজহ জমা দিব লাগে। ৱাকফৰ মুঠ ২১৯৭ বিঘা মাটিত ১৭২ খন মাদ্ৰাছা চলি আছে। এইটো দখল নহয় । বাকীখিনি মতোৱালীৰ হাতত আছে। আৰু প্ৰায় ৩০০ বিঘা বেদখলত আছে। এতিয়া ওয়াজেদ আলী ডাঙৰীয়াৰ লগতে কেইবাগৰাকী বিধায়কে কৈছে যে বোৰ্ডখন গঠন কৰিব লাগে। মুখ্যমন্ত্ৰী মন্ত্ৰী ডাঙৰীয়াই দায়িত্ব দিয়াৰ সময়তে চিৰিয়াচলী কৈছিল যে আমি অসমৰ মাইনোৰিটিসকলৰ সৰ্ব্বক্ষেত্ৰত কেনেকৈ উন্নতি কৰিব পৰা যায় এইটো চাব লাগে। সেই কাৰণে খানাপাৰাৰ এডমিনিষ্ট্ৰেটিভ কলেজত মাইনোৰিটি সকলক লৈ আমি মিটিং পাতিছিলো। চৰ-চাপৰিৰ মাইনোৰিটিসকলক লৈ আৰু এখন মিটিং হোৱাৰ কথা আছিল কিন্তু বিভিন্ন কাৰণ মিটিঙখন হোৱা নাই। মই আপোনালোকক জনাও- ২০১৩ চনত হোৱা আইনমতে যিখন বোৰ্ড আছিল সেই বোৰ্ডখন থকা অৱস্থাত ২০১২-১৩ চনত টোটেল কৰ সংগ্ৰহ হ'ল -১,৭৭,১৬৭ টকা, ২০১৩-১৪ চনত হ'ল- ২,৪৩,৮৬৪ টকা, ২০১৪-১৫ চনত হ'ল- ৩,৭৩১৮৮ টকা, ২০১৫-১৬ চনত হ'ল- ২,১১,৭৮৯ টকা । কিন্তু বোৰ্ডখন যেতিয়া ভাঙি গ'ল, আমাৰ চৰকাৰ আহিল তেতিয়া প্ৰথম বছৰটোত চৰকাৰে কালেক্ট কৰিছে ৫,৪৮,৮৫৩ টকা, ২০১৭-১৮ চনত পালে ৯,১৩,৩৫৯ টকা, ২০১৮-১৯ চনত পালে- ১২,১৯,৮৭৮ টকা আৰু ২০১৯-২০ চনত পালে- ৬,৭৫,০৮১ টকা। তাৰ উপৰিও ২০২১-২২ চনৰ ডিচেম্বৰ মাহলৈকে প্ৰায় ৫ লাখ টকা আদায় পাইছে। কিন্তু এতিয়াও আমাৰ মাৰ্চলৈ সময় আছে। গতিকে দেখা যায় যে বোৰ্ড থকাৰ সময়তকৈ বোৰ্ড নথকা অৱস্থাত টকাৰ পৰিমান বহু পৰিমানে বৃদ্ধি হৈছে। গতিকে দেখা যায় যে, ২০১৬ -১৭ চনত ৬,৪১,২৫৩ টকা, ২০১৭-১৮ চনত- ১৫,৩১,৫৫৩ টকা, ২০১৮-১৯ চনত ২৬,২১,৬৮৯ টকা , ২০১৯-২০ চনত ৩৮,৮৯,৯৩৭ টকা ,২০২০-২১ ৰ ডিচেম্বৰ মাহলৈকে ৩৯,৯৩,২১০ টকা, কিন্তু বোৰ্ড থকা অৱস্থাত অধিকতম সংগ্ৰহ হৈছিল ৩,৩৭,১৮৮ টকা । আজি বোৰ্ড নথকা অৱস্থাত ৪০ লাখলৈ কালেকশ্যন টো বাঢ়িছে। কিন্তু সেইবুলি মই বোৰ্ড গঠন হ'ব নালাগে বুলি নকওঁ । বোৰ্ড থকা অৱস্থাত এই কৰ সংগ্ৰহ বেছিহে হ'ব লাগিছিল। মাননীয় অধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে যিটো ৱাহিদুৰ ৰহমান ৱাক্ফ সম্পত্তি আছিল, সেইটো আজি ১০ বছৰে সংগ্ৰহ কৰা পৰিমানটো এনেকুৱা আছিল প্ৰথম বছৰত ২০১২-১৩ চনত ১,২৬,৭০০ টকা, ২০১৩-১৪ চনত ৮৪,৪০০ টকা, ২০১৪-১৫ চনত মাত্ৰ ৭৫,০০০, ২০১৫-১৬ চনত ৭১,০০ টকা কিন্তু আমাৰ চৰকাৰ অহাৰ পিচত প্ৰথম বছৰত প্ৰায় ৯২,০০০ টকা তাৰ পিচত ৬,১৭,০০০ টকা , ২০১৮-১৯ চনত ১৪,৬১,৯০০ টকা, ২০১৯-২০ চনত ২৮,১৪,৮৫৬ টকা। ২০২০-২১ চনত ৩৪,৫১,৫২৩ টকা । তাৰোপৰি অধ্যক্ষ ডাঙৰীয়া, যিবিলাক দোকান- পোহাৰ আছে বা কিবা অন্য এষ্টাব্লিচমেন্ট আছে সেইবিলাকৰ পৰা বোৰ্ড থকা সত্বেও ২০১৩ চনৰ পৰা ২০১৬ চনলৈকে কোনোধৰণৰ চিকিউৰিটি মানী লোৱা নাই। আমাৰ চৰকাৰ অহাৰ পিচতে আমি প্ৰথমতে চিকিউৰিটি মানী ৪,৩৩,০৫৪ টকা। ২০১৮-১৯ চনত আমি পালো ৮,৩৪,০৬৯ টকা। তাৰ পিছত ২০১৯-২০ চিকিউৰিটি মানী ল'লো ১৩,২৬২১১ টকা। এই ডিচেম্বৰ মাহলৈ আমাৰ চিকিউৰিটি মানীটো ১০,২২,৮৭৬ টকা।

. মই আমাৰ মাননীয় সদস্য সকলক অনুৰোধ কৰিম বিধান সভাত, যে যি সকলে ইয়াত গোচৰ দিব গৈছে, তেওঁলোকে আমাৰ নটিছ নামানি কোৰ্টলৈকে গৈছে, তেওঁলোকে অন্তত ৰাইজৰ স্বাৰ্থত এইখিনি সামান্য ত্যাগ কৰক তেওঁলোকে গোচৰ বিলাক উঠাই লওঁক। কাৰণ এই যিটো সম্পত্তি এজন কোনোৰা মানুহে donate কৰি গৈছে, তেওঁ donate কৰি গৈছে for the welfare of the society in future generation. গতিকে এইটো এটা সমূহীয়া দায়িত্ব। এতিয়া ইয়াৰ পিছত মই আমাৰ Minority Board ত কথা পাতি আছো যে ইয়াৰ পিছত আমি কিন্তু এফ আই আৰ দিম। তেতিয়া কিন্তু আপোনালোকে ৰাজনৈতিক হোৱা বুলি নকব। এইটো কথা কিন্তু ঠিক আছে। গতিকে এইটোত কিন্তু আৰু অসুবিধা, কাৰণ মই কালি আমাৰ অতিৰিক্ত মুখ্যসচিবক কৈছোঁ যে এতিয়া এবাৰ ফাইনেল নটিছ দিয়ক যদি কোনোবাই Respond কৰে ভাল, If not responded file FIR put them. এনেকৈ মই কথাটো কৈছো, কথাখিনি মই ইয়াত জনাই থৈ দিলোঁ। ২০২০-২১ বৰ্ষত সমাজ কল্যাণ বিভাগৰ আঁচনি বহুত লৈছো, যেনে- দুখীয়া ল'ৰা-ছোৱালীক আমি ১০০০ টকাকৈ জলপানি দিছোঁ, যেনেকৈ কভিড-১৯ ৰ সময়ত দুখীয়া মানুহক সহায় কৰিছোঁ, পানীৰ ক্ষেত্ৰত আমি সহায় কৰিছোঁ, বিভিন্ন Sanitizer ৰ ক্ষেত্ৰত সহায় কৰিছোঁ, এনেকুৱা বহুত কাম Wakf Boardৰ পইচাৰে কৰা হৈছে। আনকি কভিডৰ সময়ত, যিটো আমাৰ কভিড মহামাৰী আৰোগ্য নিধি নিগম ১.৫০ লাখ ইয়াৰ পৰা আহে, আমাক দিছিল। কাৰণ সেই সময়ত পইচাৰ প্ৰয়োজন আছিল ৰাজ্যখনত ক'ভিডৰ প্ৰথম পৰ্য্যায়ৰ সময়ত। গতিকে তেতিয়া তেওঁলোকে ডোনেট কৰিছিল সেইটো পইচা। এতিয়া মই এটা কথাই কওঁ, গুৱাহাটী ফাঁচী বজাৰত, আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে, গুৱাহাটী ফাঁচী বজাৰত ওহেদুৰ ৰহমান Wakf estate যিখন আছে তাত মাটি আছে এক কঠা আৰু তাতে চাৰিমহলীয়া অট্টালিকা বনাই প্ৰথম শ্ৰেণীৰ ৰূপায়ন চিনেমা হলটো কনভাৰ্ট কৰি তাতে ৫ লাখ, ৬ লাখ টকাকৈ ভাড়া লৈ আছে। এতিয়া নামটো যদি কওঁ আপোনালোকে কোনোবাই বেজাৰ পাব । কব যে পাৰ্টীৰ লাইনত গ'ল। নাম নকওঁ। জানে আমাৰ ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াই, তেখেত সদস্যও আছিল মাইনৰিটিৰ, গতিকে এতিয়া প্ৰশ্নটো হৈছে ২০ বছৰ, ৩০ বছৰ পইচা দিয়া নাই। আমি অহাৰ পিছত ক'লো যে এইটো নহ'ব। গতিকে এতিয়া তেওঁক প্ৰেচাৰ দিয়াৰ ফলত প্ৰতিমাহে ৩ লাখ টকাকৈ দিছে, আমি পাবলৈ সক্ষম হৈছোঁ। আজি Wakf estate silchar, এইটোত ১১ বিঘা মাটি শিলচৰত আছে। গতিকে আমাৰে প্ৰাক্তন সতীৰ্থ ইয়াৰ mutawalli হৈ আছিল। গতিকে mutawalli হৈ থাকিলে ইয়াতে কি হ'ল, ইয়াতে ডাঙৰ অট্টালিকা বান্ধি তেওঁ কাকো ভাড়াও দিয়া নাই, নিজে ঘৰৰ মালিক হৈ বহি আছে। না তেওঁ ভাড়া দিয়ে, না কাৰোবাক পইচা দিয়ে, এই অৱস্থা। গতিকে এইটো হ'ল এটা কথা। এক কঠা দুই লেচা মাটি। গতিকে তেখেত বৰ্তমানৰে হওঁক, প্ৰাক্তনে হওঁক আমাৰে সতীৰ্থ। গতিকে তেওঁ সেইটোত আকৌ দোকান আদি দিয়া নাই। নিজে দুই মহলীয়া অট্টালিকা এটা বান্ধি গাৰ্ডেন আদি কৰি আৰামত বহি আছে। এইটো এটা কথা। তাৰ পিছত Wakf ৰ সম্পত্তি Abdul Mozid Wakf estate silchar, তাত মাটি আছে ৪১৫৪ বিঘা। গতিকে আমাৰে কোনোবা এজন সতীৰ্থ বিধায়ক মোটৰ আলী। যি জন মানুহ ঢুকাই, তেওঁ যেতিয়া মাটিটো দোনেট কৰি দিব আল্লাৰ নামত বা সমাজৰ নামত, তাতে তেওঁলোকৰ পৰিয়ালৰ কোনোবা এজন মানুহক ইন্‌চাৰ্জ কৰি দিয়ে, The incharge is call Matowa. সম্পত্তিৰ ইন্‌চাৰ্জ। গতিকে ইয়াতে মাটি আছে ৪১৫৪ বিঘা। ইয়াৰে mutawalli আমাৰে সতীৰ্থ বিধায়ক এজন। এই সতীৰ্থ বিধায়ক যিজন আছে আমাৰ mutawalli, তেখেতে ৩২ বছৰ ধৰি এই সম্পত্তি পৰিচালনা কৰি

আছে আৰু ১২ বছৰ ধৰি তেওঁৰ পৰা বোৰ্ডে ৰাজহ সংগ্ৰহ কৰিব নোৱাৰিলে। নেৰা-নেপেৰা চেষ্টা কৰিও নোৱাৰিলে। নোৱাৰাৰ ফলত এই Abdul Mozid Wakf estate silchar, যিখন আছে আব্দুল মজিদৰ পৰিয়ালৰ পৰা সেই mutawalli জনৰ বিৰুদ্ধে অভিযোগ দিছে আমাৰ ওচৰত দুইবাৰ। যে তেওঁ নিজে উপভোগ কৰি আছে, গতিকে Wakf Board লৈকে আহিব লাগে। এতিয়ালৈকে তাত ইটাৰ ভাতা, পেট্ৰ'ল পাম্প, খেতি আদি সকলো নিজৰ নামত কৰি লৈছে। তাৰ পৰা এক পইচাও বোৰ্ডলৈ নিদিয়ে। গতিকে মই কেৱল কথাটো কলোঁ। তাৰে এই সম্পত্তিটোৰ পৰিয়াল সকলে এইটো অভিযোগ দিছে। গতিকে সেইটো কথা মই জনাই থৈ দিলোঁ।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** মই এটা কথা ক'ম। আপুনি যে ইটাৰ ভাটা, পেট্ৰ'ল পাম্পৰ কথা কলে, এইটো আমাৰ যি সকল দিয়া হৈছে এই সম্পত্তি খেতি কৰাৰ কাৰণে তেওঁলোকে দি দিছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** কোনে কাক দিছে সেইটো কথা নহয়। আজি Minority Affairs Departmentৰ মই মন্ত্ৰী। এটা কাম যদি সঞ্চালকে ক'ৰবাত কৰে, সঞ্চালকক মানুহে নধৰে নহয়, মন্ত্ৰীকহে ধৰিব কথাটো। গতিকে mutawalli তেওঁহে দায়িত্বশীল। ইটা ভাটা খোলা, তাত পেট্ৰ'ল পাম্প খোলাতো খোলক, আপত্তি নাই খোলাত। কিন্তু তাৰ পৰা পইচা এটা Wakf Boardক দিব লাগে। Wakf Boardত যিখিনি দিব লগীয়া দিব লাগে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** আমাকো নিদিয়ে, তেওঁলোকে আমাকো নিদিয়ে, আমি একো কৰিব নোৱাৰো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** শুনক, শুনক আপোনালোকক নিদিয়ে কাকো নিদিয়ে যদি বেলেগ কথা, গতিকে আমি তেতিয়া এক্সন ল'ব লাগিব।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** এক্সন লওঁক।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মন্ত্ৰী মহোদয়, mutawalli সলনি কৰি আই এ এচ বিষয়া দি দিয়ক যি সকলে পইচা নিদিয়ে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰথম বিষয়টো সমাপ্ত কৰিব দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** তাৰ পিছত আমাৰ অন্য এটা Wakf সম্পত্তি হ'ল মৌলা বছ Wakf estate Nagaon. নগাওঁত এক কঠা মাটি আছে। নগাওঁ চহৰৰ ঢাকাইপণ্ডিত এই মাটিখিনি আছে। আমাৰে বৰ্তমানৰ সতীৰ্থ বিধায়ক এজন ইয়াৰে mutawalli । আজি ২০ ৰ পৰা ২৫ বছৰ ধৰি তেওঁ সভাপতি হৈ আছে, কামো চলি এক হাজাৰকৈ ভাড়াও লৈ আছে তাৰ পৰা, ১২ বছৰ ধৰি এক পইচাও ৰাজহ দিয়া নাই। এইখিনি জনাই থলো। আমি চাই নটিছ দিয়াৰ কাৰণে এইখিনি ৪০ লাখলৈ আহিছে, আগতে ২ লাখহে আছিল। তাৰোপৰি অন্য এটা আছে যে মন্দন শইকীয়া Wakf estate. এম ডি ৰোড নগাওঁত। এক বিঘা মাটি, এক বিঘা মাটিত আমাৰে সতীৰ্থ বিধায়ক এজন mutawalli । এই mutawalli যি জন হৈছে তেখেতে আমাৰ কি হৈছে নগাওঁ চহৰৰ মাজ-মজিয়াত, আমাৰ ৰূপক শৰ্মা আছে তেখেতে জানিব এই বিষয়ে, এতিয়া নগাওঁ চহৰৰ মাজ মজিয়াত ৫০ খন দোকান দিছে ভাড়াত। গতিকে ৫০ খন দোকান দি আজি ইমান বছৰ পইচা দিয়া নাই। এইবাৰ মই মন্ত্ৰী হোৱাৰ পিছত খুব তাগিদা দিয়াৰ পিছত ২৩৯৯৬০ টকা দিছে। কিন্তু দোকান আজি ২০ বছৰ, ২৫ বছৰ আগৰ পৰা তাত ৫০ খন দোকান চলি আছে, এক পইচাও দিয়া নাই। গতিকে এইটো হৈছে আমাৰ কথা। এতিয়া মই শেহতীয়াভাৱে সকলোকে অনুৰোধ কৰিম যে Wakf Board যিটো সেই বোৰ্ডটো কিছুমান মানুহে নিজৰ মাটি-সম্পত্তি

নিজৰ ল'ৰা-ছোৱালীক নিদি নিজৰ পৰিয়ালক নিদি তেওঁলোকে সমাজ খনৰ কল্যাণৰ কাৰণে donate কৰি থৈ গৈছে। সেইটো বহুত ডাঙৰ কথা। সেইটো সকলোৱেটো কৰিব নোৱাৰে। ইমান ডাঙৰ Sacrifice তেওঁলোকে কৰি থৈ গৈছে। সকলোৱে এই Sacrifice কৰিব নোৱাৰে। তাতে যদি কোনোৱা mutawalli থাকে সেই mutawalli সকলে তাৰ পৰা যিখিনি লাভ হয় সেইখিনি Wakf Boardক দিলে সেই Wakf Boardৰ পইচা আদি যেনে কভিডৰ সময়ত সহায় হৈছে, বিভিন্ন সময়ত সহায় হৈছে, তেনেকৈ সহায় হ'ব দুখীয়া ৰাইজৰ। দুখীয়া ছাত্ৰ-ছাত্ৰী সকলে যেনেকৈ এক হাজাৰ টকাকৈ পেঞ্চন পাইছে, তেনেকৈ সুবিধা হ'ব। কৰবাত স্মাৰ্ট ক্লাছৰুম লাগে তাত স্মাৰ্ট ক্লাছৰুম হ'ব। এনেকৈ বিভিন্ন ধৰণৰ উন্নয়ন কৰিব লাগে। এই কথাটোত মই গুৰুত্ব দিয়া কাৰণে ৪০ লাখলৈ আহিছে, আগতে মাত্ৰ ৩ লাখহে আছিল বোৰ্ড থকা অৱস্থাত। সেইকাৰণে মই লাষ্ট ন'টিচ এখন দিম। ইয়াৰ পিচতো যদি নিদিয়ে তেতিয়াহ'লে আপোনালোকে আৰু প'লিটিকেলি হোৱা বুলি নধৰিব। এইখিনি কথা মই ক'লো।

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** চাৰ, পইন্ট অব অৰ্ডাৰ, এক মিনিটত মই ক'ম চাৰ। চেয়াৰমেন গৰাকী চিফ চেক্ৰেটাৰী বা এডিচনেল চিফ চেক্ৰেটাৰী ৰেঙ্কৰ মানুহ দিব লাগে আৰু মেম্বাৰবিলাক পাব্লিক ৰিপ্ৰেজেনটেটিভৰ পৰা দিব পাৰে, তেতিয়াহ'লে বোৰ্ডৰ এডমিনিচট্ৰেশ্যনত কোনো ধৰণৰ খেলি-মেলি থাকিলে সেইটো শেষ হৈ যাব। দ্বিতীয়তে, চিভিল কোৰ্টত যিবিলাক কেচ চলি আছে, সেইবিলাক কেচ Tribunal লৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগে যাতে কেচবোৰ অতি শীঘ্ৰে নিষ্পত্তি কৰিব পৰা যায়। তৃতীয়তে, চাৰ, যিবিলাক Mutawalli ৰ বিৰুদ্ধে কমপ্লেইন আছে,তাতে কনচাৰ্ন ডেপুটি কমিছনাৰক Mutawalli ৰ চাৰ্জ দিয়া হওক, তেতিয়াহ'লে এফেক্টিভ হ'ব।

**ড০ ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে ৰেভিনিউ এক-ডেৰ লাখ আছিল তাৰ পৰা ২০,৩০ লাখলৈকে আনিছে ঠিকেই আছে। এইখিনিৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ দিবই লাগিব। এতিয়া আপুনি যিহেতু ৪০ লাখলৈকে আনিছে, ৪০০ কোটিলৈকেও লৈ যাব পাৰিব যিখিনি কথা আমি কৈছো। ৪০ লাখৰ পৰা ৪০০কোটি, ৪০০০ কোটি কেনেকৈ কৰিব পাৰি ঙ এইখিনি বেদখলমুক্ত কৰি, Assessed কৰি মিনিষ্ট্ৰিৰ দখলত যদি আনে সেই কথাখিনি আপুনি কোৱা নাই। লাখত আমি খেলিব বিচৰা নাই, কোটিতো নহয়। শ কোটি, হাজাৰ কোটি এই প্ৰ'পাৰটিবোৰ আমি পাম। এনেকুৱা এটা পদক্ষেপ আপুনি ল'ব বুলি আপোনাক অনুৰোধ কৰিছো আৰু এইখিনি কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি যিখিনি ৰিপ্লাই দিলে, এতিয়া আপুনি যি সন্মানীয় সদস্য ডাঙৰীয়াই প্ৰস্তাৱটো আনিছে আপুনি উঠাই ল'ব নেকি নে তেওঁৰ মতে আপুনি কৰিব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক যিখিনি কথা কৈছো সেইখিনি মই ইয়াত ক্লিয়াৰলি আনিছো। মই এইখিনি কথাওঁ কৈছো যে ইয়াৰ ওপৰত একশ্যন লোৱা হ'ব। আমাৰ চৰকাৰ অহাৰ পিচত যেনেকৈ নহওঁক আমি ৪০ লাখলৈকে আনিছো। এখেতে যিটো কৈছে আমি ৪ কোটিলৈকে আনিব পাৰো তাতকৈও হয়তো বেছিকৈ আনিব পাৰিম যদি আমি ভালকৈ কৰিব পাৰো। গতিকে এইটো আমি আগন্তুক দিনত কৰিম। মই ভাৱো যে আটাইকেইটা পইন্ট মই ক'ভাৰ কৰিব পাৰিছো। গতিকে আপুনি সেই ভিত্তিত প্ৰস্তাৱটো উঠাই লবৰ বাবে মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ আৰু শ্ৰী জাকিৰ হুছেইন সিকদাৰ

ডাঙৰীয়া, আপোনালোকে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰত্যাহাৰ কৰাৰ আগতে দুটামান কথা উনুকিয়াই দিব খুজিছো। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে গোটেই অসমত মাত্ৰ ১০০০ something Wakf property আছে। এই কথাটো শুদ্ধ নহয়, 2nd survey of Waks order in 1999 আৰু Gazette notification, RSS- 460996 dtd. 07-10-99 মতেGazette notification,13th june, 2013. এইমতে অসমত তেতিয়াই 2nd survey ৰ মতে ১৪,৭০৯ টা Wakf property আছে। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, যিটো ৪০ লাখ ৪০০০ কোটি, this is very small amount . মই প্ৰথম বক্তব্য ৰাখোতে কৈছিলো ১৫০০০ Wakf property, at a time উদ্ধাৰ কৰাতো সম্ভৱ নহয়। বহুত আয় বাঢ়ি আছে, কিন্তু যদি মাত্ৰ ১৫টা Commercially viable Wakf property উদ্ধাৰ কৰা হয়, যেনে ফাচী বজাৰত এটা, ভঙাগড়ত আছে এটা ১২ বিঘা, পানবজাৰ আৰু উলোবাৰী 'মহামায়া হোটেল' এইটো Wakf property, তাত আছে ৩০ বিঘা, তাৰ পিচত ৰিহাবাৰীত আছে ৪ বিঘা, গুৱাহাটীত ৪ টা ,আৰু নগাঁৱত ২ টা, তেজপুৰত ২ টা, গোৱালপাৰাত ২টা, ধুবুৰীত ২টা আৰু শিলচৰত প্ৰায় ১৫ টা আছে। তাৰপৰা ৫টা, ১৫ টা Commercially viable, এখন Tea estate ও আছে। ১৫ টা Commercially viable, Wakf property, যদি উদ্ধাৰ কৰিCommercially Develop কৰা হয়, Commercially Develop কৰোতে say ৫০০০ হাজাৰ কোটি লাগিব, ২০০০ কোটি Central Wakf Board য়ে interest free লোন দিব। এক পইচাও interest নলয়। তেতিয়া হ'লে চাৰ, কেৰল ১৫ টা Wakf property পৰা ১০ হাজাৰ কোটি টকা আহিব। মই study group ৰ Chairman আছিলো ২০১৩ ত, আমি এটা study কৰিছিলো প্ৰায় ১০ জন মেম্বাৰে গঠিত study group. তাত ১০ হাজাৰ কোটি টকা annual income হয় আৰু আমি এটা হিচাপ কৰি তেতিয়াৰ মাননীয় মুখ্য মন্ত্ৰীক জনাইছিলো আপুনি minority অঞ্চলত প্ৰায় ১০০০ খন মডেল স্কুল কৰিব পাৰে, ৫০ খন মেডিকেল কলেজ কৰিব পাৰে, ৫০ খন pharmaceutical institute কৰিব পাৰে, ৫০ খন university কৰিব পাৰে, ৫০ টা nursing institute কৰিব পাৰে এই ৱাকাফ সম্পত্তিৰে । মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিবোৰ অসুবিধাৰ কথা কৈছে 'মতুৱালী' । If any motowali is found in board in corruption simply by any enquiry by the Wakf Board, the motowali can be removed and the wakf property can be taken over by the wakf board. মতুৱালীৰ কোনো কথা নাই। Just এইটো enquiry কৰক Corruption আপুনি প্ৰমাণ কৰক আৰু Wakf Board য়ে management লৈ ল'ব পাৰে। যেনে আমাৰ এজন সদস্যই কৈছে, ৰাহিদুৰ ৰহমান, Wakf State ফাচী বজাৰৰ ১৪ বিঘা ২ কথা, এইটোৰ per katha ২০০ কোটি টকা কোনোবাই বিচাৰে দি দিব। ইমান মূল্যবান সম্পত্তি ।তাৰ মতুৱালী এজন IAS Officer দিয়া হওক। Late it be taken over by the Government আৰু 2nd, any lease mortgage or exchange of land বহুতু মতুৱালী দুষ্ট মতুৱালী, তেওঁলোকে অলপ অলপ টকা লৈ বিক্ৰী কৰি দিছে। শিলচৰ টাউনত আমি দেখিছো বিক্ৰী কৰি দিছে, ফাঁচী বজাৰত বিক্ৰী কৰি দিছে সেই any exchange, any gift or sale of wakf is void abinitio as per Amended Act,2013. কোনোবাই যদি বিক্ৰি কৰিছে void এইটো abinitio void. গতিকে সেইটো কৰিব লাগে,

প্ৰথম কথা দুষ্ট মতুৱালী বোৰক খেদিব লাগে। 3rd কথাটো হ'ল, যে অকল Wakf Board য়ে যি খিনি টকা পাইছে That is not primary concern. মুতুৱালী সকলে শুদ্ধভাৱে তেওঁলোকৰ টকা খৰচ কৰিছেনে নাই? They should submit a statement of receipt and expenditure to the wakf board এইটো আছে। তেওঁলোকে শুদ্ধ ভাৱে খৰচ কৰিব লাগিব। মুতুৱালিয়ে টকা পালে ৫ লাখ নিজে খাই থলে, এনেকৈ নহ'ব আৰু আমাৰ State Government য়ে as per wakf Act, every year State Government should submit a report to the Assembly about the functioning of the Wakf Board. চাৰ, আমাৰ এটা suggestion আছিল যিহেতু ইমান মূল্যবান সম্পত্তি, আমাৰ এজন দুজন সদস্যই কৈছে যে এই সম্পত্তিখিনি পাব নে নাপায়, কিয় নেপাব? মডেল স্কুল হ'লে তাত সকলোৱে পঢ়িব পাৰিব, ফাৰ্মাচীটিকেল কলেজ হ'লে সকলোৱে পঢ়িব পাৰিব, মেডিকেল কলেজ হ'লে সকলোৱে পঢ়িব পাৰিব, তাত নাৰ্চিং কলেজ হ'লে সকলোৱে পঢ়িব পাৰিব আৰু মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা পৰামৰ্শ আছিল যে এটা হাউচ কমিটী গঠন কৰা হওক on wakf property. এইটো এটা constant observation ত থাকিব, বহুখিনি improvement হ'ব। মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো যে আপুনি আমাৰ মন্ত্ৰী মহোদয়, মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি এটা Standing House Committee as in other subject গঠন কৰা হওক। দ্বিতীয়তে, আটাইতকৈ ডাঙৰ সমস্যা হৈছে litigation, multiple litigation. এই litigation বোৰ শ শ বছৰ ৰিভিউ কৰে। ইয়াৰ কাৰণে কঠোৰ হ'ব লাগিব যে কোনো চিভিল কোৰ্টত Wakf Actৰ বিচাৰ নহ'ব, ট্ৰিবুনেলত যাবলাগিব। আমাৰ এটা ৰিক'মেণ্ডেশ্যন আছিলে যে যিবোৰত বেছি বেছি wakf property আছে, কামৰূপ মেট্ৰো, কামৰূপ ৰুৰেল, গোৱালপাৰা, ধুবুৰী, বৰপেটা, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ, নগাঁও এইবোৰৰ প্ৰত্যেকতে এটাকৈ আৰু নামনি অসম জ'নত এটা, উজনি অসম জ'নত এটা , নৰ্ডাৰ্ণ আসাম জ'ন ত এটা আৰু বৰাক ভেলী জ'নত এটা চেপাৰেট Wakf tribunal অতি সোনকালে গঠন কৰিব লাগিব আৰু সেইWakf tribunal ৰ সদস্য সকল ভাল মানুহ হ'ব লাগিব যাতে কেচবোৰ সোনকালে মীমাংসা কৰে। Wakf tribunal ৰ পৰা হাইকোৰ্টত যাব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আপুনি বহক, আমি বুজি পাইছো । Wakf ৰ property পুনৰ উদ্ধাৰ কৰি পেলাই বাণিজ্যিক দিশত লৈ গৈ ইয়াৰ যি উপাৰ্জন সেইটো শিক্ষাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব লাগে। ঠিক আছে, এতিয়া সন্মানীয় মন্ত্ৰী।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা পৰামৰ্শ আছিল যে এটা হাউচ কমিটী গঠন কৰা হওঁক on Wakf property তেতিয়া এটা constent observation ত থাকিব আৰু বহুখিনি উন্নত হ'ব। মই মাননীয় অধ্যক্ষ মহোদয় এটা অনুৰোধ কৰিছো যে আমাৰ মন্ত্ৰী মহোদয় আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি এটা Standing House Committee as in other subject গঠন কৰা হওঁক। আটাইতকৈ ডাঙৰ সমস্যা হৈছে multiple litigation, ইয়াৰ কাৰণে Civil Court ত Wakf act ৰ বিচাৰ নহ'ব Tribunal ত যাব লাগিব ।গতিকে প্ৰতিখন জিলাতে বিশেষকৈ আমাৰ এটা recommendation আছিলে যে যিবোৰত বেছি বেছি Wakf property আছিলে কামৰূপ মেট্ৰ', কামৰূপ ৰুৰেল, গোৱালপাৰা, ধুবুৰী, বৰপেটা, কাছাৰ, হাইলাকান্দি, নগাওঁ আৰু কৰিমগঞ্জ এইবোৰত প্ৰত্যেকতে এটাকৈ আৰু নামনি অসমত এটা, উজনি অসমত এটা আৰু বৰাক ভেলীত এটা পৃথক ভাবে এটা

Wakf tribunal, প্ৰতিটো Wakf tribunal ৰ সদস্য সকলক ভাল মানুহ হ'ব লাগিব । যাতে কেছবোৰ সোনকালে নিষ্পত্তি হয়। Wakf tribunal ৰ পৰা হাই ক'ৰ্টত যাব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব ঠিক আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়া। শ্বেৰমান আলী ডাঙৰীয়া হৈছে। কথা একেই সকলোৱে বুজি পাইছে । আগতে আপোনাৰ ভাষণত কৈছে । আপুনি withdraw কৰিবনে ?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** বিশেষকৈ এই reccomendation ৰ ওপৰত বহু দিন পাৰ হৈ গ'ল এটা action taken report এই বিধান সভাত দিব বুলি এটা প্ৰতিশ্ৰুতি মন্ত্ৰী মহোদয়ে দিব বুলি মই আশা কৰি মই এই বিলখন মন্ত্ৰী মহোদয়ৰ প্ৰতিশ্ৰুতি মৰ্মে after the Hon'ble Minister has given assurance, I will be deemed to have withdraw the Bill.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীক মই এটা অনুৰোধ কৰিম যে আপোনাৰ কথাখিনি মোক লিখিতভাবে দিয়ক, I will examine in addition to House Committees certain points which are very important. So give me one written note to me and I will try my best level to get it done with the department.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সমৰ্থন আছে নে ? সদনৰ সন্মতি সপক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল ।

The House is adjorned till 9:30 AM on 22 December, 2021